● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

www.dainikagradoot.in


## দিগ্‌দৰ্শন



আপুনি কেতিয়াও সুখী হ'ব নোৱাৰিব যদিহে সুখৰ সংজ্ঞা বিচাৰি ফুৰে। যদি জীৱনৰ সংজ্ঞাই কেৱল বিচাৰি ফুৰে তেন্তে জীৱন জীয়াবই নোৱাৰিব।

আলবেয়াৰ কেম্যু
*ফৰাচী দাৰ্শনিক*


৭ ভাৰত-আমেৰিকা প্ৰকৃত বন্ধু
১৩ নাইট ৰাৰ্ডাছৰ বিৰুদ্ধে অভিলেখ ৰোহিতৰ
৪ বিশ্বাস আৰু সংশয়ৰ আলিদোমোজাত ভাৰতীয় ন্যায়পালিকা



RNI-Regd No. 62953/96 ■ ষড়বিংশতিতম বছৰ ● ৩৪৫তম সংখ্যা ● গুৱাহাটী ● শনিবাৰ ৮ আহিন ১৪২৮ ভাস্কৰাব্দ ২৫ ছেপ্টেম্বৰ ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Saturday 25 September 2021 মূল্য ঃ ৭.০০ টকা


■ এখন তিৰপালৰ তলতে কণ কণ শিশুবোৰক যেনে-তেনে ৰাখিছো, একো খাবলৈ পোৱা নাই ঃ উচ্ছেদিতৰ বিননি ■ চৰকাৰে মাটি দিব বুলি কোৱাত আন্ধাৰতো পোহৰ দেখা পাইছো

# সম্পূৰ্ণ মুক্ত নোহোৱালৈ উচ্ছেদ চলিব



*উচ্ছেদ অভিযান আৰু সংঘৰ্ষত ৰক্তাক্ত হোৱাৰ পাছত ধলপুৰৰ পৰিৱেশ, শুকুৰবাৰে।*

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**ধলপুৰ, ২৪ ছেপ্টেম্বৰ ঃ** 'যোৱা তিনিদিন ধৰি আমি মুকলি আকাশৰ তলত আছো। আমাৰ সন্মুখত চাৰিওফালে আৰক্ষী আৰু নিৰাপত্তাৰক্ষীৰ মানুহ। আমি ভয়তে ক'তো ওলাই যাব পৰা নাই। আমাৰ খাবলৈ এটোপাল পানী নাই। মূৰত ঢাকিবলৈ এখিলা তিৰপাল হ'লেও দিয়ক। নহ'লে কেঁচুৱা, বৃদ্ধা, পুৰুষ-মহিলা আমি সকলো মৰিম।' এই মন্তব্য তিনি নম্বৰ ধলপুৰৰ উচ্ছেদিত ছাফেৰ আলীৰ। 'দৈনিক অগ্ৰদূত'ৰ আগত আলীয়ে কান্দি কান্দি কয়, 'দিনে-নিশাই আৰক্ষী আৰু নিৰাপত্তাৰক্ষীৰ লোক টহল দি আছে। আমি ভয়তে ক'তো ওলাই গৈ এমুঠি চাউল যোগাৰ কৰিব পৰা নাই। আমি কাৰাগাৰ সদৃশ বন্দিত্বৰ জীৱন কটাই আছো। প্ৰশাসনৰ কোনোৱে আমাক উচ্ছেদৰ দিন ধৰি খবৰ লোৱা নাই। আমাক এনেকৈয়ে মৰিবলৈ

*আঠ পৃষ্ঠাত চাওক*



প্ৰধানমন্ত্ৰী আৱাসৰ ঘৰো সাজি দিব ■ আমছু নেতৃত্বৰ স'তে হোৱা কে'বালানি আলোচনাত এই সিদ্ধান্ত গ্ৰহণৰ কথা সদৰী মুখ্যমন্ত্ৰীৰ

## উচ্ছেদিত ভূমিহীনক ছবিঘাকৈ মাটি দি সংস্থাপিত কৰিব চৰকাৰে ঃ শৰ্মা

প্ৰৰোচনামূলক মন্তব্যৰে ইউডিএফ-কংগ্ৰেছে উচ্ছেদিতক উচটনি দিছিল

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৪ ছেপ্টেম্বৰ ঃ** ছিপাঝাৰৰ ধলপুৰত উচ্ছেদিত লোকসকলৰ ভিতৰৰ ভূমিহীনসকলক ছবিঘাকৈ মাটি প্ৰদানেৰে সংস্থাপিত কৰিব অসম চৰকাৰে। আজি ইয়াত সাংবাদিকৰ আগত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এই কথা সদৰী কৰি কয় যে মাটি দিয়াৰ প্ৰক্ৰিয়াটো দুমাহ ধৰি চলি আহিছে। তাৰ বাবে সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন (আমছু)ৰ লগত আলোচনা চলাই অহাৰ কথাও তেওঁ উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে কয়, 'আমছুৰ প্ৰতিনিধি

*১০ পৃষ্ঠাত চাওক*



*মুখ্যমন্ত্ৰীৰ জুমুঠিদাহ আমছুৰ, বঙাইগাঁৱত শুকুৰবাৰে।*

## গৰুখুঁটি প্ৰকল্প ঃ উচ্ছেদ তীব্ৰতৰ কৰিবলৈ চৰকাৰক আহ্বান বিজেপিৰ

ঘটনাত দুই-পাঁচশ বেদখলকাৰী ঘূণীয়া হ'ব লাগিছিল ঃ শইকীয়া

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৪ ছেপ্টেম্বৰ ঃ** ধলপুৰত কালি সংঘটিত হোৱা হিংসাত্মক ঘটনাত তৃতীয় পক্ষ তথা ৰাজনৈতিক শক্তি-পিএফআই আদি শক্তি জড়িত থকাৰ সন্দেহ কৰিছে ৰাজ্যিক বিজেপিয়ে। বেদখল উচ্ছেদ কৰিবলৈ যোৱা জিলা প্ৰশাসনৰ দলক উগ্ৰমূৰ্তি ধৰি বেদখলকাৰীয়ে আক্ৰমণ কৰিবলৈ অহা ঘটনা অতি দুৰ্ভাগ্যজনক আৰু নিন্দনীয় বুলি ৰাজ্যিক বিজেপিৰ সভাপতি ভৱেশ কলিতাই মন্তব্য কৰি উচ্ছেদ অভিযান তীব্ৰতৰ কৰি তুলিবলৈ চৰকাৰক আহ্বান জনায়। বাজপেয়ী ভৱনত আজি গৰুখুঁটি প্ৰকল্পৰ তিনি সদস্য তথা সাংসদ দিলীপ শইকীয়া, বিধায়কদ্বয় পৰমানন্দ ৰাজবংশী আৰু মৃণাল শইকীয়াৰ উপস্থিতিত সভাপতি কলিতাই এক সংবাদমেলত এইদৰে মন্তব্য কৰি কয়

*আঠ পৃষ্ঠাত চাওক*

## দুবাৰকৈ ৫০ হেজাৰ টকাৰ জৰিমনা ভৰি আত্মহত্যা বলেৰ' চালকৰ

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ২৪ ছেপ্টেম্বৰ ঃ** বিশ্বনাথ চাৰিআলি পৰিবহণ বিভাগৰ বিষয়াৰ আতিশয্যৰ বাবে এজন গাড়ীৰ গৰাকীয়ে আত্মহত্যা কৰাৰ অভিযোগ তুলি আজি বিহালীত এক অভিনৱ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে একাংশ চালক আৰু গাড়ীৰ গৰাকীয়ে। মৃতদেহ সন্মুখত

*আঠ পৃষ্ঠাত চাওক*

## কংগ্ৰেছ ত্যাগ কৰিলে প্ৰাক্তন বিধায়ক ডাঃ দুৰ্লভ চমুৱাই



**বিশেষ সংবাদদাতা**

**নগাঁও, ২৪ ছেপ্টেম্বৰ ঃ** অৱশেষত নগাঁও কংগ্ৰেছক মোক্ষম আঘাত হানি দল ত্যাগ কৰিলে প্ৰাক্তন বিধায়ক ডাঃ দুৰ্লভ চমুৱাই। প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰালৈ পদত্যাগ

*১০ পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
| --- | --- | --- |
| গুৱাহাটী | ৩৫° | ২৭° |
| ডিব্ৰুগড় | ৩৫° | ২৬° |
| দিল্লী | ২৯° | ২৪° |
| কলকাতা | ৩২° | ২৬° |
| মুম্বাই | ৩০° | ২৭° |
| চেন্নাই | ৩৩° | ২৭° |
| বাংগালুৰু | ২৬° | ১৯° |
| শ্বিলং | ২৪° | ১৬° |

*২৪ ছেপ্টেম্বৰ, ২০২১*

## চেঙা তেল



*ইমান আঁচনিৰ দায়িত্ব! তথাপি ভাগৰি পৰা নাই, সন্তুষ্টিয়েই সন্তুষ্টি!*

■ চোলা ফালি বুকু দেখুৱাই ভূপেন বৰাই ক'লে ঃ মোক হত্যা কৰক ■ দৰঙৰ উপায়ুক্ত-আৰক্ষী অধীক্ষকক নিলম্বনৰ দাবী ■ স্মাৰকপত্ৰ প্ৰদান কৰিবলৈ যোৱাৰ সময়তে হতাহতি

## ধলপুৰ কাণ্ড ঃ মঙলদৈত কংগ্ৰেছৰ প্ৰতিবাদ

**বিশেষ সংবাদতাতা/অগ্ৰদূত বাৰ্তা**

**মঙলদৈ, ২৪ ছেপ্টেম্বৰ ঃ** কালি উচ্ছেদৰ সময়ত সৃষ্টি হোৱা হিংসাত্মক ঘটনাক লৈ প্ৰদেশ কংগ্ৰেছৰ এটা দলে আজি মঙলদৈত উপস্থিত হৈ উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। মঙলদৈৰ ৰাজীৱ ভৱনৰ পৰা দিনৰ ১১ বজাত উলিওৱা এই সমদলত প্ৰতিবাদকাৰীসকলে 'হত্যাকাৰী ডি চি, এছপিক গ্ৰেপ্তাৰ কৰক', 'উচ্ছেদ অভিযান বন্ধ কৰক', 'বিজেপি মুৰ্দাবাদ' আদি শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি উপায়ুক্তৰ কাৰ্যালয়ত উপস্থিত হয়। সমদলকাৰীৰ ভিৰত ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথেদি যাতায়াত ব্যাহত হৈ পৰে। কংগ্ৰেছ সভাপতি ভূপেন বৰাৰ নেতৃত্বত দলৰ কাৰ্যকৰী সভাপতি ক্ৰমে ৰাণা গোস্বামী, জাকিৰ হুছেইন শিকদাৰ, কমলাক্ষ্য দে পুৰকায়স্থ, বিৰোধী দলপতি দেৱব্ৰত শইকীয়া, উপ-দলপতি

*আঠ পৃষ্ঠাত চাওক*



## তিনি নিহতৰ ভিতৰত দুজনৰ মৃতদেহৰ মৰণোত্তৰ পৰীক্ষা সম্পন্ন

নিহত তৃতীয়জনৰ তথ্য প্ৰকাশ কৰা নাই প্ৰশাসনে

**অগ্ৰদূত বাৰ্তা**

**মঙলদৈ, ২৪ ছেপ্টেম্বৰ ঃ** ছিপাঝাৰৰ ধলপুৰত কালি বেদখল উচ্ছেদ কৰিবলৈ যোৱা আৰক্ষী প্ৰশাসনৰ বাহিনী আৰু একাংশ লোকৰ মাজত হোৱা তুমুল সংঘৰ্ষৰ পাছত আজি পৰিস্থিতি নিয়ন্ত্ৰণাধীন হৈ আছে। আনহাতে, বাহ্যিক দৃষ্টিত পৰিস্থিতি শান্ত যদিও ভিতৰি চেপা উত্তেজনা অব্যাহত আছে। ঘটনাস্থলীত নিহত দুজনৰ মৃতদেহৰ মৰণোত্তৰ পৰীক্ষা

*১০ পৃষ্ঠাত চাওক*

■ খাৰুপেটীয়া-দলগাঁৱত দৰং জিলা বন্ধ সৰ্বাত্মক ■ মুখ্যমন্ত্ৰীৰ জুমুঠি দাহ-টায়াৰ জ্বলাই ৰাজপথত প্ৰতিবাদ ■ উচ্ছেদ অভিযানক আদৰণি দৰং আছুৰ

## নিধনযজ্ঞ চলিছে! ধলপুৰ কাণ্ডৰ প্ৰতিবাদত আমছু-এবিএমছুৰ গণ বিক্ষোভ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৪ ছেপ্টেম্বৰ ঃ** দৰং জিলাৰ ছিপাঝাৰৰ ধলপুৰ কাণ্ডৰ প্ৰতিবাদত আজি আমছুৱে ৰাজ্যজুৰি গণ বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰে। বিক্ষোভ কাৰ্যসূচীৰ সময়ছোৱাত বিভিন্ন ঠাইত মুখ্যমন্ত্ৰীৰ প্ৰতিমূৰ্তি দাহ, টায়াৰ জ্বলাই প্ৰতিবাদ সাব্যস্ত কৰে সংগঠনটোৱে। একেদৰে এবিএমছুৱেও বিটিআৰত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। আনহাতে, কালিৰ হিংসাত্মক ঘটনাৰ প্ৰতিবাদত সংখ্যালঘু সমন্বয় সমিতিয়ে আজি আহ্বান জনোৱা ১২ ঘণ্টীয়া দৰং জিলা বন্ধৰ প্ৰভাৱ ঠায়ে ঠায়ে সৰ্বাত্মক

*১০ পৃষ্ঠাত চাওক*

## গৰুখুঁটিৰ ঘটনাক তীব্ৰ নিন্দা ৰাজ্যিক জমিয়তৰ

**গুৱাহাটী, ২৪ ছেপ্টেম্বৰ ঃ** ধলপুৰৰ গৰুখুঁটিত সংঘটিত ঘটনাক তীব্ৰ ভাষাৰে গৰিহণা দিছে অসম ৰাজ্যিক জমিয়ত উলামাই। জমিয়তৰ সভাপতি তথা ধুবুৰীৰ সাংসদ মৌলানা বদৰুদ্দিন আজমল আৰু সাধাৰণ সম্পাদক হাফিজ বছিৰ আহমেদ কাছিমীয়ে এক বিবৃতিত এই

*আঠ পৃষ্ঠাত চাওক*

তদাৰকী শাখাৰ অভিযান ■ প্ৰাক্তন অধ্যক্ষৰ অ'এছডিও জালত

পলাতক অভিযুক্ত এপিডিচিএলৰ মুখ্য মহাপ্ৰবন্ধক আতাউৰ ৰহমানক

## এপিডিচিএলৰ নিযুক্তি পৰীক্ষাত ভয়াৱহ অনিয়ম ঃ ১১জনক গ্ৰেপ্তাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৪ ছেপ্টেম্বৰ ঃ** বিদ্যুৎ কোম্পানী এপিডিচিএলৰ বিভিন্ন পদত নিযুক্তিৰ বাছনি পৰীক্ষাত সংঘটিত কেলেংকাৰিৰ তদন্তত সৰিয়হৰ ডুলিতে ভূত ওলোৱাৰ সম্ভাৱনা দেখা দিছে। কাৰণ এই কেলেংকাৰিৰ তদন্ত অব্যাহত ৰখা মুখ্যমন্ত্ৰীৰ তদাৰকী শাখাই আজি মহানগৰীৰ ছটাকৈ স্থানত তালাচী চলাই ১১জন বিভিন্ন পৰ্যায়ৰ বিষয়া-কৰ্মচাৰীক গ্ৰেপ্তাৰ কৰে। সেইসকলৰ ভিতৰত এপিডিচিএলৰ তদানীন্তন অধ্যক্ষ জিষ্ণু বৰুৱাৰ বিশেষ কৰ্তব্যৰত বিষয়া (অ'এছডি) এজনো আছে। ধৃত দীপাংকৰ দিহিঙীয়া নামৰ বিষয়াজনৰ মহানগৰীৰ ডাউন

*আঠ পৃষ্ঠাত চাওক*

অৰুণাচলৰ পৰা সুৰা পৰিবাহী বাহনৰ ট্ৰেনজিৎ পাছ বাধ্যতামূলক

## বিদ্যুৎখণ্ডৰ সংস্কাৰৰ বাবে ৩,২৮৪ কোটি পুনৰ ব্যয়ৰ সিদ্ধান্ত দিছপুৰৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৪ ছেপ্টেম্বৰ ঃ** বিভাগীয় উন্নয়নমূলক পদক্ষেপ, প্ৰশাসনীয় সংস্কাৰকে ধৰি কে'বাটাও বিষয়ত সিদ্ধান্ত গ্ৰহণ কৰে আজি অনুষ্ঠিত ৰাজ্যিক কেবিনেটৰ বৈঠকে। কইনাধৰাস্থিত ৰাজ্যিক অতিথিশালাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত এই বৈঠকত চৰকাৰে বিদ্যুৎ যোগান ব্যৱস্থা উন্নত কৰাৰ বাবে অসম বিদ্যুৎ বিতৰণ কোম্পানী লিমিটেড (এপিডিচিএল)ত বৃহৎ পুঁজিৰ বিনিয়োগৰ সিদ্ধান্ত গ্ৰহণ কৰে। চৰকাৰৰ মুখপাত্ৰ মন্ত্ৰী পীযুষ হাজৰিকাই এক সংবাদমেলত সদৰী কৰে যে চৰকাৰে বিদ্যুৎ

*১০ পৃষ্ঠাত চাওক*

■ উত্তৰ-পূৰ্বৰ বাবে বিশেষ ঘোষণা পেট্ৰ'লিয়াম মন্ত্ৰী হৰদ্বীপ সিঙৰ

## তেল-গেছৰ উৎপাদন-শোধন বৃদ্ধিৰ বাবে এক লাখ কোটি ব্যয় কৰিব কেন্দ্ৰই

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৪ ছেপ্টেম্বৰ ঃ** অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলত তেল আৰু প্ৰাকৃতিক গেছ উৎপাদন বৃদ্ধিৰ বাবে কেন্দ্ৰীয় চৰকাৰে এক লাখ কোটি টকা ব্যয় কৰিব। এই ধন আগন্তুক ২০২৫ৰ ভিতৰত কে'বাটাও প্ৰকল্পত ব্যয় কৰা হ'ব বুলি আজি ইয়াত সদৰী কৰে পেট্ৰ'লিয়াম

*আঠ পৃষ্ঠাত চাওক*



## জালনোট ব্যৱসায়ী চক্ৰৰে আৰক্ষীৰ সংঘৰ্ষত পুনৰ এজন গুলিবিদ্ধ

**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**

**নগাঁও/জুৰীয়া, ২৪ ছেপ্টেম্বৰ ঃ** নগাঁও জিলাৰ জুৰীয়া আৰক্ষী থানাৰ অন্তৰ্গত বগৰীগুৰিত আজি এটি জালনোট ব্যৱসায়ী চক্ৰৰে আৰক্ষীৰ সংঘৰ্ষৰ ঘটনা সংঘটিত হয়। এই ঘটনাত এজন জালনোট ব্যৱসায়ী গুলিবিদ্ধ হয়। জিলাৰ আৰক্ষী অধীক্ষক আনন্দ মিশ্ৰৰ নিৰ্দেশত আৰক্ষীৰ বিশেষ শাখাৰ উপ-আৰক্ষী অধীক্ষক দীপ্তি মালীৰ নেতৃত্বত বিয়লি থানাখনৰ অন্তৰ্গত বগৰীগুৰিত

*আঠ পৃষ্ঠাত চাওক*

## মৃত্যু কাম্য নহয়, কিন্তু চৰকাৰী মাটি বেদখলমুক্ত কৰাটো দায়িত্ব ঃ পীযুষ



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৪ ছেপ্টেম্বৰ ঃ** ধলপুৰৰ ঘটনা সন্দৰ্ভত আজি ৰাজ্য চৰকাৰৰ মন্ত্ৰী তথা মুখপাত্ৰ পীযুষ হাজৰিকাই সংবাদ মাধ্যমৰ আগত কয় যে চৰকাৰ আৰু প্ৰশাসনে মানৱীয় দৃষ্টিভংগীৰে বেদখলকাৰীক এহেজাৰ বিঘা মাটিত সংস্থাপন দিবলৈ সাজু হৈছিল। ইয়াৰ পাছতো একাংশ বেদখলকাৰীয়ে আৰক্ষীক নিৰ্মমভাৱে আক্ৰমণ কৰাটো গ্ৰহণযোগ্য নহয় বুলি তেওঁ মন্তব্য কৰে। মন্ত্ৰীজনে কয় যে প্ৰশাসনে আগতীয়া জাননী জাৰি কৰি সম্পূৰ্ণ ন্যায়সংগতভাৱে উচ্ছেদ অভিযান

*আঠ পৃষ্ঠাত চাওক*

## আমিনগাঁৱত নকল টকাসহ আটক তিনি

**অগ্ৰদূত বাৰ্তা**

**উত্তৰ গুৱাহাটী, ২৪ ছেপ্টেম্বৰ ঃ** এখন স্কুটী আৰু দুখন চাৰিচকীয়া বাহনত তালাচী চলাই আৰক্ষীয়ে আজি আমিনগাঁৱত জাল নোটৰ বেহাৰ স'তে জড়িত তিনিজন লোকক গ্ৰেপ্তাৰ কৰাৰ লগতে তেওঁলোকৰ পৰা বৃহৎ পৰিমাণৰ জালনোট আৰু জালনোট বনোৱা পেপাৰ জব্দ কৰে। ধৃত লোককেইজন

*আঠ পৃষ্ঠাত চাওক*

অধিবক্তাৰ বেশত প্ৰৱেশ কৰিছিল অপৰাধী ঃ আৰক্ষীৰ সন্মুখতে চলিল ধাৰাষাৰ গুলিবৰ্ষণ

## দিল্লীৰ আদালত কক্ষত 'গেংষ্টাৰ' যুদ্ধ, কুখ্যাত গোগীসহ নিহত কমেও তিনিজন





**■ নিউজ ব্যুৰ'**

**নতুন দিল্লী, ২৪ ছেপ্টেম্বৰ ঃ** হিন্দী চলচ্চিত্ৰৰ দৰেই আদালতৰ কোঠাৰ ভিতৰতে লোমহৰ্ষক গুলিবৰ্ষণৰ ঘটনা সংঘটিত হ'ল দিল্লীত। আজি দুপৰীয়া দিল্লীৰ এখন আদালতত ত্ৰাসৰ সৃষ্টি কৰিলে অপৰাধীৰ দুটা গোটে। গেংষ্টাৰৰ দুটা গোটৰ মাজত হোৱা গুলীয়াগুলিৰ ঘটনাত কমেও তিনিজন লোকে প্ৰাণ হেৰুৱায়। এই ঘটনাত আহত হয় আন কে'বাজনো লোক। উত্তৰ দিল্লীৰ ৰোহিণী আদালত কক্ষত বিবদমান দুই অপৰাধী গোটৰ সদস্যই কৰা গুলিবৰ্ষণৰ ঘটনাত প্ৰাণ হেৰুৱায় দিল্লীৰ কুখ্যাত গেংষ্টাৰ জিতেন্দ্ৰ গোগীয়ে। দুষ্কৃতিকাৰীয়ে অধিবক্তাৰ

*১০ পৃষ্ঠাত চাওক*



■ ২২জনীয়া তালিকা প্ৰস্তুত কৰি অভিযান

## চিৰাং জিলা কমাণ্ডাৰ বি বৈৰুবসহ ১০ ইউএলবিৰ সদস্যক গ্ৰেপ্তাৰ আৰক্ষীৰ

**অগ্ৰদূত বাৰ্তা**

**কাজলগাঁও/কোকৰাঝাৰ, ২৪ ছেপ্টেম্বৰ ঃ** বড়োভূমিত নতুনকৈ আত্মপ্ৰকাশ কৰি অহা অক্টোবৰত ৰাজ্যজুৰি ধাৰাবাহিক বোমা বিস্ফোৰণৰ দৰে ভয়াৱহ আক্ৰমণ সংঘটিত কৰাৰ ভাবুকি দিয়া সশস্ত্ৰ সংগঠন ইউনাইটেড লিবাৰেছন ফ'ৰ বড়োলেণ্ড (ইউএলবি)ৰ চিৰাং জিলা কমাণ্ডাৰসহ ১০জন সদস্যক আজি আৰক্ষীয়ে

*১০ পৃষ্ঠাত চাওক*



# দৈনিক অগ্ৰদূত

গুৱাহাটী, ২৫ ছেপ্টেম্বৰ, ২০২১ শনিবাৰ পৃষ্ঠা তিনি


## ছয় জনগোষ্ঠীক শীঘ্ৰে জনজাতিকৰণৰ দাবী

**তিনি অক্টোবৰৰ পৰা অৰ্থনৈতিক অৱৰোধ, দিল্লীত প্ৰতিবাদী কাৰ্যসূচী মটক যুৱ-ছাত্ৰ পৰিষদৰ**

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ২৪ ছেপ্টেম্বৰ ঃ** মটক জনগোষ্ঠীক জনজাতিকৰণৰ দাবীত পুনৰ সৰৱ হ'ল সদৌ অসম মটক যুৱ ছাত্ৰ পৰিষদ। পুনৰ জনজাতিকৰণৰ দাবীত ধাৰাবাহিক আন্দোলন গ্ৰহণ কৰিব বুলি আজি এক সংবাদমেল যোগে উল্লেখ কৰে। মটক জনগোষ্ঠীকে ধৰি ছয় জনগোষ্ঠীক শীঘ্ৰে জনজাতিকৰণৰ দাবীত ধাৰাবাহিক আন্দোলনৰ কাৰ্যসূচী ছয় পৃষ্ঠাত চাওক

## মুছলপুৰত দীৰ্ঘদিনীয় সমস্যা সমাধানৰ দাবীত অংগনৱাড়ী কৰ্মী-সহায়িকাৰ ধৰ্ণা



**অগ্ৰদূত বাৰ্তা**

**মুছলপুৰ, ২৪ ছেপ্টেম্বৰ ঃ** ৰাজ্যৰ অংগনৱাড়ী কৰ্মী আৰু সহায়িকাৰ দীৰ্ঘদিনীয়া সমস্যা সমাধানৰ দাবীত আজি ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে বাগ্‌সা জিলাৰ সদৰ মুছলপুৰতো কৰ্মীসকলে ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। বাগ্‌সা জিলা অংগনৱাড়ী কৰ্মী, সহায়িকা আৰু বিদ্যালয়ৰ মধ্যাহ্ন ভোজনৰ কৰ্মীসকলে মুছলপুৰ দুৰ্গা মন্দিৰ প্ৰাংগণত সমবেত হৈ ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। অংগনৱাড়ী কৰ্মী-সহায়িকাসকলক চৰকাৰী কৰ্মচাৰী হিচাপে অন্তৰ্ভুক্ত কৰা আৰু সকলো কৰ্মচাৰীক মাননিৰ সলনি ২১ হেজাৰ টকাকৈ মজুৰি দিয়াৰ দাবী জনায়। কাৰ্যসূচী অংগনৱাড়ী কৰ্মী সহায়িকা সন্থাৰ সম্পাদিকা বীণা বৈশ্য আৰু মধ্যাহ্ন ভোজন কৰ্মী সন্থাৰ সম্পাদিকা ভনীতা পাঠক ৰয়ৰ নেতৃত্বত ৰূপায়িত হয়।

## যোৰহাটত নিশা সাংবাদিকক থানাত বহুৱাই থোৱাক লৈ প্ৰতিক্ৰিয়া

■ আৰক্ষী সঞ্চালক প্ৰধানলৈ স্মাৰকপত্ৰ প্ৰেৰণ

**ষ্টাফ ৰিপৰ্টাৰ**

**যোৰহাট, ২৪ ছেপ্টেম্বৰ ঃ** হিমাংশু গোহাঁই নামৰ চিনামৰা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়াজনে বুধবাৰে নিশা বিনা দোষত যোৰহাটৰ জ্যেষ্ঠ সাংবাদিক পুলক দত্তক গোটেই নিশা থানাত বহুৱাই মানসিক নিৰ্যাতন চলোৱা বুলি অভিযোগ উঠিছে। এই কথা পোহৰলৈ অহাৰ পাছতে আজি উত্তেজিত হৈ পৰে যোৰহাট সাংবাদিক মহল। যোৰহাটৰ দৰে এখন উচ্চ শিক্ষিত আৰু সংস্কৃতিবান ঠাইত এজন আৰক্ষী বিষয়াই গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভস্বৰূপ সাংবাদিকক এইদৰে হাৰাশাস্তি কৰা ঘটনাৰ প্ৰতিবাদত ছয় পৃষ্ঠাত চাওক

■ বাগিচাত চুলাই-চিনেমা প্ৰদৰ্শন বন্ধ কৰিবলৈ আহ্বান

## দুৰ্গা পূজাৰ ১০ দিন পূৰ্বে ব'নাছ আদায় দিয়াৰ দাবী আটছাৰ

**অগ্ৰদূত বাৰ্তা**

**মৰিয়নি, ২৪ ছেপ্টেম্বৰ ঃ** আগন্তুক দুৰ্গা পূজাৰ সময়ত কোনো চাহ বাগিচাতে যাতে অপ্ৰীতিকৰ পৰিস্থিতিৰ উদ্ভৱ নহয় তাৰ প্ৰতি তীক্ষ্ণ দৃষ্টি ৰখাৰ লগতে তাৰ উপযুক্ত ব্যৱস্থা হাতত ল'বলৈ যোৰহাট জিলা প্ৰশাসনৰ প্ৰতি আহ্বান জনাইছে অসম চাহ জনজাতি ছাত্ৰ সন্থা চমুকৈ আটছাৰ যোৰহাট জিলা সমিতিয়ে। আজি যোৰহাট জিলাৰ উপায়ুক্ত অশোক কুমাৰ বৰ্মনক এক স্মাৰকপত্ৰ প্ৰদান কৰি কেতবোৰ দাবী জনায়। স্মাৰকপত্ৰত আটছাই শাৰদীয় পূজাৰ সময়ত চাহ বাগিচা অঞ্চলসমূহত অসামাজিক কাৰ্যকলাপ বৃদ্ধি পোৱা বুলি উল্লেখ কৰি সেইসমূহৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ দাবী জনায়। আটছাই দুৰ্গা পূজাৰ অন্ততঃ চহ দিন পূৰ্বেই বাগিচা কৰ্তৃপক্ষসমূহক শ্ৰমিকৰ ব'নাছ আদায় দি শেষ কৰিবলৈ আহ্বান জনাই সেই ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণৰ দাবী জনায়। আনহাতে, চাহ বাগিচাসমূহত চিনেমা প্ৰদৰ্শন বন্ধ কৰিবলৈ দাবী জনাইছে আটছাই। কেৱল দুৰ্গা পূজাতে নহয় অন্য পূজাতো ছয় পৃষ্ঠাত চাওক

## কামত দুৰ্নীতি কৰা ঠিকাদাৰৰ কাম বাতিল কৰি গোচৰ দিয়া হ'ব

■ ওদালগুৰি লোকনিৰ্মাণ বিভাগৰ নৱনিৰ্মিত ভৱন উদ্বোধন প্ৰমোদ বড়োৰ

**বিশেষ সংবাদদাতা**

**ওদালগুৰি, ২৪ ছেপ্টেম্বৰ ঃ** কে'বা কোটি টকা ব্যয় সাপেক্ষে নৱনিৰ্মিত ওদালগুৰি লোকনিৰ্মাণ বিভাগৰ (গৃহ আৰু পথ) সংমণ্ডলৰ ভৱনটো আজি উদ্বোধন কৰা হয়। বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে উপ-মুখ্য কাৰ্যবাহী সদস্য গোবিন্দ চন্দ্ৰ বসুমতাৰীৰ উপস্থিতিত কাৰ্যালয়টোৰ দ্বাৰ মুকলি কৰে। ইয়াৰ পূৰ্বে বড়োৱে কাৰ্যালয়টোৰ কৰ্মচাৰীসকলৰ বাবে নিৰ্মাণ হ'বলগীয়া দুমহলীয়া আৱাস ভৱনৰ আধাৰশিলা স্থাপন কৰে। ইয়াৰ পাছত কাৰ্যালয় চৌহদত এক আড়ম্বৰপূৰ্ণ সভা অনুষ্ঠিত কৰা হয়। বিটিচিৰ লোকনিৰ্মাণ বিভাগৰ সচিব অমৰজ্যোতি বৰ্মনে প্ৰদান ছয় পৃষ্ঠাত চাওক

■ চীন, নেপাল, ইংলণ্ড, অষ্ট্ৰেলিয়ালৈ ৰপ্তানি কাঁহ-বাঁহৰ সামগ্ৰী, নেমু-কলো ■ বাঁহৰ উন্নতমানৰ সঁজুলি প্ৰস্তুত কৰি ২২খন দেশ ভ্ৰমণ ■ বাঁহৰ ৰিক্সাই শুৱনি কৰিছে নেডাৰলেণ্ডৰ যাদুঘৰ ■ ১০জনক সঁজুলি বিতৰণ

# আন্তৰ্জাতিক বজাৰত উজলিছে বৰপেটাৰ কৃষক




বিভিন্ন দাবীৰ সমৰ্থনত অংগনৱাড়ী কৰ্মী-সহায়িকাৰ প্ৰতিবাদী কাৰ্যসূচী, শুকুৰবাৰে।

**বিশেষ সংবাদদাতা**

**বৰপেটা, ২৪ ছেপ্টেম্বৰ ঃ** সৰ্থেবাৰীৰ কাঁহ-পিতলৰ সামগ্ৰী, বৰপেটাৰ বাঁহ শিল্প, তামোলৰ ঢোকোনাৰ প্লেট আৰু সৰভোগৰ নেমু আৰু কল দেশৰ সীমা অতিক্ৰমি বিদেশৰ বজাৰতো সুনাম অৰ্জন কৰিছে। সৰ্থেবাৰীৰ উদ্যোগী বিজয় ভূঞাই কাঁহৰ বৰতাল প্ৰতিমাহে প্ৰায় পাঁচ টন পৰিমাণত চীন, নেপাল আৰু ভূটানলৈ ৰপ্তানি কৰে। বাঁহৰ উন্নতমানৰ সঁজুলি প্ৰস্তুত কৰি বৰপেটা চহৰৰ মানেন্দ্ৰ ডেকাই এতিয়ালৈকে বিশ্বৰ ২২ খন দেশ ভ্ৰমণ কৰিবলৈ সক্ষম হৈছে। তেওঁ প্ৰস্তুত কৰা বাঁহৰ ৰিক্সাই নেডাৰলেণ্ডৰ যাদুঘৰ শুৱনি কৰিছে। বৰপেটাৰে ছাহজাহান আলীয়ে সজা বাঁহৰ সামগ্ৰীও লণ্ডন আৰু অষ্ট্ৰেলিয়ালৈ ৰপ্তানি হয়। অতি দৰিদ্ৰ পৰিয়ালৰ যুৱকজনে এই উদ্যোগৰ দ্বাৰাই এতিয়া নিজৰ গাঁৱৰ প্ৰায় ২৫ জন লোকক সংস্থাপন দিবলৈ সক্ষম হৈছে। সৰভোগৰ ছুলিয়াকাটা গাঁৱৰ নেমু যোৱা বছৰ লণ্ডনলৈ ৰপ্তানি হৈছে। বৰপেটাৰ বাৰাদিত বনোৱা তামোলৰ ঢোকোনাৰ প্লেট ইংলণ্ড, অষ্ট্ৰেলিয়া, জাপান আদি দেশলৈ নিয়মীয়াকৈ ৰপ্তানি হয়। বৰপেটাৰ পালাংদিহাটীৰ দিগন্ত দাসৰ অসমীয়া গহণায়ো দেশ-বিদেশৰ বজাৰত সমাদৰ লাভ কৰিছে। ৰপ্তানি বাণিজ্যৰ এনে বহু আশাব্যঞ্জক দিশ আজি উন্মোচিত হয় বৰপেটাৰ অফিচাৰ্ছ ক্লাবত অনুষ্ঠিত এখন ৰপ্তানি সন্মিলনৰ পৰা। স্বাধীনতাৰ অমৃত মহোৎসৱৰ স'তে সংগতি ৰাখি বৰপেটা জিলা প্ৰশাসন আৰু জিলা উদ্যোগ তথা বাণিজ্য কেন্দ্ৰৰ উদ্যোগত অনুষ্ঠিত সন্মিলনৰ পৰা বৰপেটাৰ ধূপ উদ্যোগ, গোমাফুলবাৰীৰ আচাৰ, হস্তাতাঁত বস্ত্ৰ শিল্প আদিয়ে লাভ কৰা সফলতাৰো এখন সুন্দৰ ছবি প্ৰতিফলিত হয়। এই উপলক্ষে জিলা উপায়ুক্ত তেজ প্ৰসাদ ভূচালৰ সভাপতিত্বত অনুষ্ঠিত সভাত জিলা উদ্যোগ তথা বাণিজ্য কেন্দ্ৰৰ মহাপ্ৰবন্ধক ৰিতুমণি পাছানীয়ে পাৱাৰ পইন্ট উপস্থাপনৰ জৰিয়তে ৰপ্তানি বাণিজ্যৰ বিভিন্ন সম্ভাৱনা আৰু সুযোগ-সুবিধাৰ বিষয়ে উল্লেখ কৰে। সভাত কে'বাজনো থলুৱা ৰপ্তানি বাণিজ্যৰ স'তে জড়িত উদ্যোগীয়েও তেওঁলোকৰ অভিজ্ঞতাৰ ছয় পৃষ্ঠাত চাওক

## দুৰ্ঘটনাত নিহত মানৱদৰদী চিকিৎসকলৈ কোৰান-ভাগৱত পাঠেৰে শ্ৰদ্ধাঞ্জলি



**অগ্ৰদূত বাৰ্তা**

**নামতি, ২৪ ছেপ্টেম্বৰ ঃ** শোকাবহ পথ দুৰ্ঘটনাত আকস্মিক মৃত্যুক আঁকোৱালি ল'লে শিৱসাগৰ জিলাৰ নামতি চাৰিআলিৰ নিবাসী মানৱদৰদী চিকিৎসক ডাঃ নিজামুল হুছেইনে। বুধবাৰে জাগীৰোডৰ সমীপৰ দেওশালত সংঘটিত পথ দুৰ্ঘটনাত চিকিৎসকজনে কৰুণ মৃত্যুক আঁকোৱালি লোৱা দুখজনক খবৰটো বিয়পি পৰাৰ লগে লগে বৃহৎ অঞ্চলটোত শোকৰ ছাঁ পৰে। শোকস্তব্ধ হৈ পৰে তেওঁৰ অনুৰাগীসকলৰ লগতে। তথ্য মতে, গুৱাহাটীৰ পৰা নামতি চাৰিআলিৰ নিজা বাসগৃহ ছয় পৃষ্ঠাত চাওক

## কৃষক বিৰোধী আইন বাতিলৰ দাবীত নলবাৰীত ভাৰত বন্ধৰ সমৰ্থনত প্ৰচাৰ

**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ২৪ ছেপ্টেম্বৰ ঃ** সংযুক্ত কিষাণ মৰ্চাৰ আহ্বানত কৃষক বিৰোধী ক'লা কৃষি আইন আৰু বিদ্যুৎ বিধেয়ক ২০২০ বাতিল কৰাৰ দাবীত অহা ২৭ ছেপ্টেম্বৰ ভাৰত বন্ধ সফল কৰাৰ বাবে এছ ইউ চি আই (কমিউনিষ্ট) দল, কৃষক সংগঠন অল ইণ্ডিয়া কে কে এম এছসহ বিভিন্ন গণসংগঠনৰ উদ্যোগত সমগ্ৰ দেশৰ লগত অসমতো প্ৰচাৰাভিযান ক্ৰমাৎ তীব্ৰ কৰিছে। আজি পুৱা ১২ বজাত নলবাৰীতো বন্ধৰ সমৰ্থনত দলৰ নলবাৰী চহৰৰ শান্তিপুৰস্থিত কাৰ্যালয়ৰ ছয় পৃষ্ঠাত চাওক

■ মাননিৰ পৰিৱৰ্তে মজুৰি দিয়াৰ দাবী
■ পেঞ্চনৰ ব্যৱস্থা কৰিবলৈ আহ্বান

## গোৱালপাৰাত চিটুৰ উদ্যোগত কে'বাটাও দল-সংগঠনৰ ধৰ্ণা প্ৰধানমন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰেৰণ



**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ২৪ ছেপ্টেম্বৰ ঃ** গোৱালপাৰা জিলা উপায়ুক্তৰ সন্মুখত আজি চিটুৰ উদ্যোগত আশাকৰ্মী ইউনিয়ন, নিৰ্মাণ শ্ৰমিক ইউনিয়ন, অংগনৱাড়ী কৰ্মী-সহায়িকা সন্থা, মধ্যাহ্ন ভোজন কৰ্মচাৰী ইউনিয়নে তেওঁলোকৰ বিভিন্ন সমস্যা সমাধানৰ দাবীত ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদকাৰীসকলে হাতে হাতে প্লেকাৰ্ড, বেনাৰ লৈ বিভিন্ন শ্ল'গান দিয়ে। ইয়াৰ পাছতে উপায়ুক্তৰ জৰিয়তে প্ৰধানমন্ত্ৰী লৈ এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰে। স্মাৰকপত্ৰৰ জৰিয়তে আশাকৰ্মী, মধ্যাহ্ন ভোজন কৰ্মচাৰী আৰু অংগনৱাড়ী কৰ্মী-সহায়িকাসকলক মাননিৰ পৰিৱৰ্তে মজুৰি দিয়াৰ ব্যৱস্থা কৰা নিৰ্মাণ শ্ৰমিকসকলৰ নিশ্চিত পেঞ্চনৰ ব্যৱস্থা, আশাকৰ্মী, ছয় পৃষ্ঠাত চাওক

## হোজাইৰ মিলিকবস্তিত কম দিনৰ ভিতৰতে একেটা পথৰ পাঁচবাৰ মেৰামতি

**পঞ্চায়তৰ দুৰ্নীতি ঃ প্ৰতিবাদ**

**অগ্ৰদূত বাৰ্তা**

**হোজাই, ২৪ ছেপ্টেম্বৰ ঃ** হোজাইৰ মিলিকবস্তি পঞ্চায়তত দুৰ্নীতি সংঘটিত হোৱাৰ অভিযোগ উত্থাপিত হৈছে। পঞ্চায়তৰ সভাপতি, সদস্যৰ বিৰুদ্ধে দুৰ্নীতিৰ অভিযোগ উত্থাপন কৰে স্থানীয় ৰাইজে। হোজাই ঢলপুৰী উন্নয়ন খণ্ডৰ মিলিকবস্তি পঞ্চায়তৰ চতুৰ্দশ বিত্তীয় অয়োগৰ পথ নিৰ্মাণত দুৰ্নীতিৰ আশ্ৰয় লোৱাৰ অভিযোগ উত্থাপিত হৈছে সভানেত্ৰী ৰেণুমাই চৌহান আৰু সদস্য ৰেখা ৰয় চৌহানৰ বিৰুদ্ধে। অতি নিম্নমনৰ কাম কৰি সমুদায় ধন আত্মসাৎ কৰাৰ আৰু যিমান ঠাই কাম কৰিব লাগিছিল সিমান ঠাই কাম নকৰা অভিযোগ উত্থাপিত ছয় পৃষ্ঠাত চাওক

■ শাৰদীয় উৎসৱত সাংস্কৃতিক অনুষ্ঠান পৰিৱেশনৰ অনুমতিৰ দাবী

## সাংস্কৃতিক অনুষ্ঠান বৰ্জন সহ্য কৰা নহ'ব ঃ নলবাৰীত সকীয়নি বাদ্যযন্ত্ৰী সন্থাৰ

**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ২৪ ছেপ্টেম্বৰ ঃ** সংকল্প নামৰ বাদ্যযন্ত্ৰী সন্থাৰ নলবাৰী জিলাৰ উদ্যোগত আজি সন্ধিয়া আয়োজিত এক সংবাদমেলত শাৰদীয় উৎসৱত চৰকাৰে কৰ'নাৰ বাবে যি এছঅ'পি ঘোষণা কৰিছে তাক শিথিল কৰাৰ দাবী জনাই সৰৱ হয়। সংবাদমেলত সন্থাৰ জিলা উপদেষ্টা ভগৱান কলিতা, সভাপতি হিমাংশু পি ডেকা, সম্পাদক কিশোৰ মেনাই ক্ষোভেৰে কয় যে অতিমাৰী কৰ'নাই সমগ্ৰ বিশ্ববাসীক জুৰুলা কৰাৰ দৰে অসমৰ সকলো ক্ষেত্ৰৰ লোকক কম বেছি পৰিমাণে ক্ষতি



কৰিছে। কিন্তু ইয়াতকৈ অধিক ক্ষতিগ্ৰস্ত হৈছে শিল্পী সমাজ। বিগত দুটাকৈ বৰ্ষত অসমৰ গায়ক-গায়িকা, বাদ্যযন্ত্ৰীসকলে কোনো ধৰণৰ সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰিবলৈ সক্ষম নহ'ল। বিশেষকৈ এই শিল্পীসকলৰ অধিকাংশই সাংস্কৃতিক অনুষ্ঠান কৰিয়েই পৰিয়াল চলাই আছিল যদিও ছয় পৃষ্ঠাত চাওক

**বিজেপিৰ বুথ সন্মিলন**

## তামুলপুৰত প্ৰাৰ্থিত্বৰ সিদ্ধান্ত ল'ব ৰাষ্ট্ৰীয় নেতৃত্বই ঃ দাস

**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ, ২৪ ছেপ্টেম্বৰ ঃ** 'আবেগৰ ওপৰত বিজেপিয়ে নিৰ্বাচনত অংশগ্ৰহণ নকৰে। বিজেপিয়ে যুক্তিযুক্ততাৰে সংগঠনৰ প্ৰণালীগতভাৱে নিৰ্বাচনত অংশগ্ৰহণ কৰি আহিছে। এয়া দলৰ পুৰণি পৰম্পৰা।' এই মন্তব্য অসম পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসৰ। আজি আবেলি তামুলপুৰ সমূহীয়া বিনোদন কেন্দ্ৰৰ বাকৰিত অনুষ্ঠিত তামুলপুৰ বিজেপিৰ বুথ সন্মিলনত অংশগ্ৰহণ কৰি মন্ত্ৰী দাসে এইদৰে মন্তব্য কৰে। তামুলপুৰ জিলা বিজেপিৰ সভাপতি ভিক্টৰ কুমাৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত বুথ সন্মিলনত উপ-নিৰ্বাচনৰ ৫৮ নম্বৰ তামুলপুৰ বিধানসভা সমষ্টিৰ তত্ত্বাৱধায়কৰ দায়িত্ব লাভ কৰাৰ পাছত বুথ সন্মিলনত অংশগ্ৰহণ কৰি দাসে পুনৰ কয়, 'আগন্তুক উপ-নিৰ্বাচনত ৫৮ নম্বৰ তামুলপুৰ বিধানসভা সমষ্টিত কোন দলে প্ৰাৰ্থিত্ব পাব সেয়া ৰাষ্ট্ৰীয় ছয় পৃষ্ঠাত চাওক

**ওদালগুৰিৰ চৰকাৰী কাৰ্যালয়ত প্ৰমোদ বড়োৰ আকস্মিক পৰিদৰ্শন**

## ৰাজহ চক্ৰ-পৰিবহণ বিভাগৰ কাৰ্যালয়ত নচলিব দালালৰাজ

**বিশেষ সংবাদদাতা**

**ওদালগুৰি, ২৪ ছেপ্টেম্বৰ ঃ** অসম চৰকাৰে চৰকাৰী কাৰ্যালয়ত চলি থকা দালালৰাজৰ বিৰুদ্ধে শূন্য সহনশীল স্থিতি লোৱাৰ সময়তে আজি ওদালগুৰি চহৰৰ দুটাকৈ চৰকাৰী কাৰ্যালয়ত আকস্মিকভাৱে পৰিদৰ্শন কৰে বিটিআৰৰ প্ৰধান প্ৰমোদ বড়োৱে। বড়োৱে ওদালগুৰি চহৰস্থিত ওদালগুৰি ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ লগতে ওদালগুৰি জিলা পৰিবহণ বিভাগৰ কাৰ্যালয়তো আকস্মিক পৰিদৰ্শন কৰে। ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ত উপস্থিত হৈ বড়োৱে কাৰ্যালয়টো পৰিদৰ্শন কৰাৰ লগতে কৰ্মচাৰীৰ স'তে মত বিনিময় কৰে। কাৰ্যালয়টোত উপস্থিত সাধাৰণ ৰাইজৰ স'তে কথা পাতি কোনো ধৰণৰ ঘোচ নিদিয়াৰ বাবে আহ্বান জনায়। কাৰ্যালয়টোত মাটিৰ দালাল আছে নেকি বুলি প্ৰশ্ন কৰি কোনো ধৰণৰ দালালক যাতে কাৰ্যালয়ত প্ৰশ্ৰয় নিদিয়ে তাৰ বাবে কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে। ইয়াৰ উপৰি কাৰ্যালয়টোলৈ অহা লোকসকলক যাতে কোনো ধৰণৰ হাৰাশাস্তি নকৰি সহজে তেওঁলোকৰ সমস্যা তথা কামসমূহ সমাধান কৰে এই ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণৰ আহ্বান জনাই কাৰ্যালয়টো পৰিষ্কাৰৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণৰ বাবে আহ্বান জনায়। সমান্তৰালভাৱে বড়োৱে ওদালগুৰি পৰিবহণ বিভাগৰ কাৰ্যালয়ত উপস্থিত হৈ কাৰ্যালয়টোলৈ অহা সাধাৰণ ৰাইজৰ মনৰ বুজ লয়। কাৰ্যালয়টোলৈ অনুজ্ঞাপত্ৰৰ বাবে অহা লোকসকলে যাতে বাৰে বাৰে একেটা কামৰ বাবে পৰিবহণ কাৰ্যালয়লৈ আহিব নালাগে তাৰ বাবে কৰ্মচাৰীকসকলক ব্যৱস্থা গ্ৰহণৰ আহ্বান জনায়। একেদৰে কাৰ্যালয়টোত কৰ্মচাৰীসকল উপস্থিত আছে ছয় পৃষ্ঠাত চাওক

■ অবৈধ খননৰ ফলত জীয়াভৰলীত ব্যাপক খহনীয়া

## চাৰিদুৱাৰ-ভালুকপুং পথৰ দাঁতিত অবৈধভাৱে সংগৃহীত পাথৰৰ দ'ম

**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ২৪ ছেপ্টেম্বৰ ঃ** শোণিতপুৰৰ ভালুকপং নামেৰী তথা ঢাৰিকাটি আদি পথৰ দাঁতিত জীয়াভৰলীৰ পৰা জধে-মধে আৰু অবৈধভাৱে সংগ্ৰহ কৰা শিল তথা পাথৰ মজুত কৰি ৰখা তথা ট্ৰেক্টৰ ডাম্পাৰৰে কঢ়িয়াই থকা দৃশ্য অতি সুলভ হৈ পৰিছে। সংবাদ মাধ্যমত বহুবাৰ এই বিষয়ে প্ৰকাশ পোৱা সত্ত্বেও আৰু বন বিভাগে ছেগা-চোৰোকাকৈ অভিযান চলোৱাৰ পাছতো এই অবৈধ বেহাৰ অন্ত পৰা নাই। এটা বৃহৎ চক্ৰই দীৰ্ঘদিনৰ পৰা



এই কাৰ্য অব্যাহত ৰখাৰ বিপৰীতে বন বিভাগৰ সূত্ৰৰ ভাষ্য অনুসৰি এই ব্যৱসায়ৰ আঁৰত একাংশ আত্মসমৰ্পণকাৰী উগ্ৰপন্থী সদস্যও জড়িত হৈ আছে। সংস্থাপনৰ অজুহাতত ছয় পৃষ্ঠাত চাওক

## অধিবক্তা, সমাজসেৱী ভীমসেন সিন্‌হাৰ বিয়োগ



**অগ্ৰদূত বাৰ্তা**

**আজাৰা, ২৪ ছেপ্টেম্বৰ ঃ** নিখিল বিষ্ণুপ্ৰিয়া মণিপুৰী মহাসভাৰ প্ৰাক্তন কেন্দ্ৰীয় সাধাৰণ সম্পাদক, বিষ্ণুপ্ৰিয়া মণিপুৰী চেভেন পয়েন্ট ডিমাণ্ড একচন কমিটীৰ সাধাৰণ সম্পাদক, গুৱাহাটী উচ্চ ন্যায়ালয়ৰ প্ৰাক্তন পাব্লিক প্ৰাচিকিউটৰ, সংগ্ৰামী নক্ষত্ৰ অধিবক্তা ভীমসেন সিংহ আৰু নাই। আজি দুপৰীয়া জি এম চি হাস্পতালত চিকিৎসাধীন অৱস্থাত পৰলোকগামী হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স ৭৮ বছৰ আছিল। ৰাজ্যৰ সমন্বয়-সংহতি-ঐক্যতাৰ অনুষ্ঠান 'বহুবাক' (বহুভাষিক সাহিত্য মঞ্চ, অসম)ৰ অন্যতম সদস্য তথা এজন সুবক্তা সিন্‌হা। এসময়ত অসম প্ৰদেশ যুৱ কংগ্ৰেছ কমিটীৰ ছয় পৃষ্ঠাত চাওক

■ শুৱালকুছিত লোক নিৰ্মাণ বিভাগৰ পালমৰা কাম-কাজত ৰাইজ

## নিৰ্মাণ সমাপ্তৰ এমাহৰ পাছত পথত তৰপে তৰপে খহিছে ব্লক ইটা



**অগ্ৰদূত বাৰ্তা**

**শুৱালকুছি, ২৪ ছেপ্টেম্বৰ ঃ** বস্ত্ৰনগৰী শুৱালকুছিত ৰাজ্যৰ লোক নিৰ্মাণ বিভাগে নিৰ্মাণ কৰি উলিওৱা কে'বাটাও পথত নিৰ্মাণ সমাপ্তৰ এমাহ পাছত ব্লক ইটাবোৰ খুলি যোৱাত স্থানীয় ৰাইজ ক্ষোভিত হৈ পৰিছে। তথ্য মতে, শুৱালকুছি সিদ্ধেশ্বৰ পথৰ পৰা কলেজ ৰোড হৈ প্ৰায় পাঁচশ মিটাৰ পথ আজি এমাহৰ পূৰ্বে ছয় পৃষ্ঠাত চাওক

■ পৰম্পৰা ৰক্ষা কৰি প্ৰতীকী ৰূপত সত্ৰত কৰভাৰ প্ৰদান ■ সমদলত অংশগ্ৰহণ বুঢ়াসত্ৰীয়াৰ

## সত্ৰত অনুষ্টুপীয়াকৈ পালন শ্ৰীশ্ৰীমথুৰা দাস বুঢ়া আতাৰ কীৰ্তন মহোৎসৱ

**বিশেষ সংবাদদাতা**

**বৰপেটা, ২৪ ছেপ্টেম্বৰ ঃ** মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱৰ স্থাপিত তিনিও ৰাজ্যৰ বন্দনীয় থান বৰপেটা সত্ৰৰ আদি সত্ৰাধিকাৰ মথুৰাদাস বুঢ়া আতাৰ কীৰ্তন মহোৎসৱ আজি বৰপেটা সত্ৰত পালন কৰা হয়। সম্প্ৰতি চলি থকা কৰ'না অতিমাৰীৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্য চৰকাৰে বান্ধি দিয়া সকলো নীতি-নিৰ্দেশনা পালন কৰি ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰত আজি বুঢ়া আতাৰ কীৰ্তন মহোৎসৱ অনুষ্টুপীয়াকৈ পালন কৰা হয়। অনাড়ম্বৰভাৱে সত্ৰৰ নিত্য প্ৰসংগৰ লগতে ছয় পৃষ্ঠাত চাওক



দৈনিক অগ্ৰদূত

গুৱাহাটী শনিবাৰ ৮ আহিন ১৪২৮ ভাস্কৰাব্দ ২৫ ছেপ্টেম্বৰ ২০২১

## বৃত্তিমূলক শিক্ষাৰ ৰেহ-ৰূপ

বিশ্ববিদ্যালয় অনুদান আয়োগ (ইউ জি চি)-এ ভাৰতৰ সকলোবোৰ বিশ্ববিদ্যালয় আৰু উচ্চ শিক্ষানুষ্ঠানক বৃত্তিমূলক পাঠ্যক্ৰম প্ৰৱৰ্তনত অগ্ৰাধিকাৰ দিবলৈ পৰামৰ্শ দিছে। ইউ জি চিয়ে শেহতীয়াভাৱে জাৰি কৰা এক নিৰ্দেশনাত সকলো উচ্চ শিক্ষানুষ্ঠানক এপ্ৰেন্টিছ আৰু ইন্টাৰ্ণশ্বিপৰ ব্যৱস্থা থকা ডিগ্ৰী পাঠ্যক্ৰম প্ৰৱৰ্তন কৰিবলৈ কৈছে। জাননীত দেশৰ উচ্চ শিক্ষা নিয়ন্ত্ৰক সংস্থাটোৱে উল্লেখ কৰা অনুসৰি এপ্ৰেন্টিছ আৰু ইন্টাৰ্ণশ্বিপৰ ব্যৱস্থা থকা বৃত্তিমূলক পাঠ্যক্ৰম বিশ্ববিদ্যালয়সমূহে অধিক হাৰত প্ৰৱৰ্তন কৰিলে এনে পাঠ্যক্ৰম অধ্যয়নৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীয়ে সহজে জীৱিকা আহৰণৰ সুবিধা লাভ কৰিব। গতানুগতিক ডিগ্ৰী পাঠ্যক্ৰমৰ পৰিৱৰ্তে বিশ্ববিদ্যালয়সমূহত বৃত্তিমূলক পাঠ্যক্ৰম সুলভ হ'লে ভৱিষ্যতে দেশৰ যুৱ প্ৰজন্মই সহজে নিয়োজিত হ'ব পাৰিব বুলিও ইউ জি চিয়ে বিশ্ববিদ্যালয়সমূহক দিহা দিছে। উল্লেখ্য যে কেন্দ্ৰীয় চৰকাৰেও শেহতীয়াভাৱে দেশত বৃত্তিমুখী শিক্ষাত গুৰুত্ব প্ৰদান কৰিছে। ২০২১-২২ বৰ্ষৰ বাজেটতো কেন্দ্ৰীয় চৰকাৰে এপ্ৰেন্টিছ আৰু ইন্টাৰ্ণশ্বিপযুক্ত ডিগ্ৰী আৰু ডিপ্ল'মা পাঠ্যক্ৰম প্ৰৱৰ্তনৰ কথা ঘোষণা কৰিছিল। কেন্দ্ৰৰ এই ঘোষণা এতিয়া বাস্তৱত ৰূপায়ণৰ বাবে ইউ জি চিয়ে উচ্চ শিক্ষানুষ্ঠানসমূহক এপ্ৰেন্টিছ-ইন্টাৰ্ণশ্বিপসমূহ ডিগ্ৰী পাঠ্যক্ৰম প্ৰৱৰ্তনত অগ্ৰাধিকাৰ দিবলৈ জাননী জাৰি কৰিলে; কিন্তু কথা হ'ল— প্ৰকৃতাৰ্থত আমাৰ বিশ্ববিদ্যালয়সমূহত বৃত্তিমুখী পাঠ্যক্ৰম সহজলভ্য হ'বনে? চৰকাৰে বাজেটত ঘোষণা কৰাৰ দৰেই ছাত্ৰ-ছাত্ৰীয়ে এপ্ৰেন্টিছ-ইন্টাৰ্ণশ্বিপ থকা জীৱিকামুখী ডিগ্ৰী-ডিপ্ল'মা লাভ কৰিব পাৰিবনে?

দেশৰ বৰ্তমানৰ বৃত্তিমুখী শিক্ষাৰ ছবিখনলৈ চালে সকলোৱে হতাশ হ'ব। শিক্ষা জগতত প্ৰায়ে বৃত্তিমুখী শিক্ষাক অগ্ৰাধিকাৰ প্ৰদানৰ কথা কৈ অহা হৈছে যদিও বাস্তৱত দেশত জীৱিকামুখী শিক্ষাৰ ব্যৱস্থাটো তেনেই সীমিত হৈ আছে। ৰাষ্ট্ৰীয় নমুনা সমীক্ষা সংস্থা (এন এছ এছ অ')ৰ প্ৰতিবেদনৰ তথ্য অনুসৰি, ভাৰতত ১৫-২৯ বছৰ বয়সীয়া লোকসকলৰ মাত্ৰ ১০ শতাংশইহে বৃত্তিমুখী প্ৰশিক্ষণ লাভ কৰিবলৈ সক্ষম হৈছে। তাতোকৈ গুৰুত্বপূৰ্ণ কথাটো হৈছে, এন এছ এছ অ' প্ৰতিবেদন অনুসৰি এই ১০ শতাংশৰ মাত্ৰ দুই শতাংশই প্ৰকৃততে আনুষ্ঠানিক প্ৰশিক্ষণৰ সুবিধা লাভ কৰাৰ বিপৰীতে আঠ শতাংশই অনানুষ্ঠানিকভাৱে বৃত্তিগত প্ৰশিক্ষণ গ্ৰহণ কৰিব লগা হৈছে। এই পৰিসংখ্যাৰ পৰাই বুজিব পাৰি ভাৰতত বৃত্তিমুখী শিক্ষাৰ নামত কি ভেঁকোভাওনা চলি আহিছে। দেশত বৃত্তিমুখী শিক্ষা প্ৰৱৰ্তনৰ ক্ষেত্ৰত চৰকাৰী ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান (আই টি আই) আৰু বেচৰকাৰী খণ্ডত ঔদ্যোগিক প্ৰশিক্ষণ কেন্দ্ৰ (আই টি চি) সমূহে বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। ইয়াৰ বিপৰীতে কিন্তু বিশ্ববিদ্যালয়সমূহে বৃত্তিমূলক শিক্ষাৰ প্ৰসাৰৰ পৰিৱৰ্তে পৰম্পৰাগত ডিগ্ৰী-ডিপ্ল'মাৰ পাঠ্যক্ৰম প্ৰৱৰ্তনতে শৈক্ষিক উৎকৰ্ষতা সীমিত ৰাখিছে। এই ক্ষেত্ৰত অসমৰ বিশ্ববিদ্যালয়কেইখনৰে কথা ক'ব পাৰি। ৰাজ্যত এতিয়া বিশ্ববিদ্যালয়ৰ সংখ্যা বাঢ়িছে, কে'বাখনো পূৰ্বৰ মহাবিদ্যালয়কো চৰকাৰে বিশ্ববিদ্যালয়ৰ স্বীকৃতি দান কৰিলে; কিন্তু এইসমূহ বিশ্ববিদ্যালয়ে ন ন বৃত্তিমুখী পাঠ্যক্ৰম প্ৰৱৰ্তনৰে ৰাজ্যৰ ছাত্ৰ-ছাত্ৰীৰ অভাৱ পূৰণ কৰিবলৈ সফল হৈছেনে? ৰাজ্যৰ বিশ্ববিদ্যালয়ত আজিও জীৱিকামুখী পাঠ্যক্ৰম সুলভ নোহোৱাত অসমৰ ছাত্ৰ-ছাত্ৰীয়ে আন ৰাজ্যত এনেবোৰ পাঠ্যক্ৰম অধ্যয়নৰ বাবে যাবলৈ বাধ্য হৈছে। এনে পৰিস্থিতিত ইউ জি চিয়ে দেশৰ সকলো বিশ্ববিদ্যালয়ক বৃত্তিমুখী শিক্ষাক অগ্ৰাধিকাৰ দিবলৈ দিয়া নিৰ্দেশ তাৎপৰ্যপূৰ্ণ বিবেচিত হৈছে।

দৰাচলতে কেৱল বিশ্ববিদ্যালয়তে নহয়, মাধ্যমিক পৰ্যায়ৰ পৰাই দেশত বৃত্তিমূলক শিক্ষাৰ ব্যৱস্থা কৰাটো জৰুৰী হৈছে। দেশৰ বৃহৎ সংখ্যক অৰ্ধ-শিক্ষিত, অশিক্ষিত নিবনুৱাক মানৱ সম্পদত পৰিণত কৰিবলৈ হ'লে চৰকাৰে বিদ্যালয় পৰ্যায়তে জীৱিকামুখী শিক্ষাক গুৰুত্ব দিয়াৰ গত্যন্তৰ নাই। ইয়াৰ বাবে দেশৰ শিক্ষানুষ্ঠানসমূহৰ আন্তগাঁথনি উন্নত হ'ব লাগিব। চৰকাৰে বহু নতুন বিশ্ববিদ্যালয় ঘোষণা কৰিছে ঠিকেই, কিন্তু এইবোৰত প্ৰয়োজনীয় পুঁজি, শিক্ষক-কৰ্মচাৰী নথকাৰ অভিযোগ উত্থাপিত হৈ আহিছে। চৰকাৰে যদি পুঁজি আৰু মানৱ সম্পদৰ ব্যৱস্থা নকৰে, তেন্তে উচ্চ শিক্ষানুষ্ঠানে কেনেকৈ ন ন বৃত্তিমুখী পাঠ্যক্ৰম প্ৰৱৰ্তন কৰিব? সেয়েহে কেৱল শিক্ষাখণ্ডত চমক দিবলৈ নতুন বিশ্ববিদ্যালয় পাতিলে নহ'ব, এনেবোৰ উচ্চ শিক্ষানুষ্ঠানত প্ৰয়োজনীয় আন্তঃগাঁথনি থাকিব লাগিব। তদুপৰি বৃত্তিমুখী শিক্ষাৰ ব্যৱস্থা থাকিলেই নহ'ব, এনে পাঠ্যক্ৰমৰ মাচুলো দেশৰ দৰিদ্ৰ শিক্ষাৰ্থীৰ বাবে বহনক্ষম হ'ব লাগিব।

# বিশ্বাস আৰু সংশয়ৰ আলিদোমোজাত ভাৰতীয় ন্যায়পালিকা

'গণতন্ত্ৰৰ মূল সৌন্দৰ্য হ'ল চৰকাৰৰ সিদ্ধান্তবোৰৰ সন্দৰ্ভত জনগণৰ অংশগ্ৰহণ; তাৰ বাবে যিকোনো উপায়েই গ্ৰহণযোগ্য।' অলপতে এই মন্তব্য কৰি সৰ্বোচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ চন্দ্ৰচূড়ে কৈছে— নাগৰিকসকলে কি কি কৰিব পাৰে আৰু কি কি তেওঁলোকক কৰিবলৈ অনুমতি দিয়া হয়, সেইটো বিচাৰ্য। এই ক্ষেত্ৰত চৰকাৰ সত্যবাদী হোৱা উচিত, কাৰণ সত্য আৰু গণতন্ত্ৰৰ মাজত প্ৰত্যক্ষ সম্পৰ্ক আছে।

একাংশ সংবাদ মাধ্যমত ন্যায়াধীশ চন্দ্ৰচূড়ৰ ভাষণটোক গণতন্ত্ৰ ৰক্ষাৰ প্ৰয়াস বুলি অভিহিত কৰা হৈছে। তাৎপৰ্যপূৰ্ণ যে কেইবছৰমান পূৰ্বে চাৰিগৰাকী ন্যায়াধীশে গণতন্ত্ৰ ৰক্ষাৰ নামত সংবাদ মেল পাতিছিল প্ৰধান বিচাৰপতিৰ বিৰুদ্ধে পক্ষপাতিত্বৰ অভিযোগ তুলি। ক'বলৈ গ'লে সেয়া আছিল ন্যায়পালিকাৰ অভ্যন্তৰৰ বিদ্ৰোহ। তাৰ আগলৈকে ন্যায়পালিকাৰ মৰ্যাদা ক্ষুণ্ণ কৰি কোনো এগৰাকী ন্যায়াধীশেই আন ন্যায়াধীশৰ বিৰুদ্ধে ৰাজহুৱা মন্তব্য কৰাৰ নজিৰ নাছিল; সিদ্ধান্তমূলক মতভেদৰ কথা সদৰী কৰাটো দূৰৰে কথা; কিন্তু চাৰি ন্যায়াধীশৰ উক্ত গণতন্ত্ৰ ৰক্ষাৰ কুচকাৱাজৰ পাছৰে পৰা ন্যায়াধীশসকলে অ'ত-ত'ত মন্তব্য দি ফুৰাটো গ্ৰহণযোগ্য হৈ পৰিল। আনকি অলপতে প্ৰধান বিচাৰপতি ৰামানায়ো সংসদত বিতৰ্কৰ মান উন্নত কৰাৰ বাবে এলানি পৰামৰ্শ আগবঢ়ালে। এনেকৈ সেই পৰামৰ্শক গণতন্ত্ৰ ৰক্ষাৰ সজ প্ৰচেষ্টা বুলি শলাগিছে ।

আইনমন্ত্ৰী কিৰেণ ৰিজিজুৱে চাৰি ছেপ্টেম্বৰৰ বিবৃতিটোৰ জৰিয়তে ন্যায়পালিকাৰ সমুখত থকা মূল প্ৰত্যাহ্বান সুন্দৰকৈ আঙুলিয়াই দিছে, 'সাধাৰণ লোকসকলে ন্যায় পাবলৈ নিজৰ সাঁচতীয়া ধন ব্যয় কৰি, আনকি সা-সম্পত্তি বিক্ৰী কৰিও আদালতৰ ওচৰ চাপে, কিন্তু বছৰৰ পাছত বছৰ অপেক্ষা কৰিও তেওঁলোকে সুবিচাৰ নাপায়, তেওঁলোকৰ গোচৰবোৰ আদালতত উত্থাপিতই নহয়। এনে বিলম্বিত ন্যায়িক প্ৰক্ৰিয়া সম্পৰ্কে প্ৰধান বিচাৰপতি ৰামানাই জৰুৰীভাৱে বিবেচনা কৰা উচিত; অন্যথা ন্যায়পালিকাৰ সাৰ্থকতা সন্দৰ্ভত প্ৰশ্ন চিহ্নৰ উদয় হ'বগৈ।

ৰিজিজুৰ মন্তব্যটোৰ বিশেষ তাৎপৰ্য আছে। কাৰণ ন্যায়পালিকাই সাধাৰণলোকৰ গোচৰবোৰৰ শুনানি লোৱাতকৈ এচাম ৰাজনৈতিক স্বাৰ্থজড়িত লোকে দাখিল কৰা তথাকথিত জনস্বাৰ্থজড়িত অবেদনৰ (PIL) শুনানি লোৱাতহে অধিক ব্যস্ত হয়, যিটোৰ পৰোক্ষ পৰিণাম হয়গৈ কাৰ্যপালিকাৰ সিদ্ধান্তত হস্তক্ষেপ। হওঁতে ভাৰতীয় সংবিধানত ন্যায়পালিকাক আইন ৰচনা কৰাৰ অধিকাৰ প্ৰদান কৰি এটা অনুচ্ছেদ অন্তৰ্ভুক্ত হৈ আছে, যিটো অধিকাৰ বিশ্বৰ আন কোনো গণতান্ত্ৰিক দেশতে ন্যায়পালিকাক দিয়া হোৱা নাই। ইয়াৰ ফলতে ভাৰতীয় ন্যায়পালিকাই সাধাৰণ লোকৰ গোচৰবোৰতকৈ প্ৰশাসনীয় সিদ্ধান্ত লোৱাতহে অধিক সময় দিবলৈ লৈছে। ৰিজিজুৰ বিবৃতিটোৱে ন্যায়পালিকাৰ মৌলিক দায়বদ্ধতালৈ দৃষ্টি আকৰ্ষণ কৰিছে। ভাৰতীয় ন্যায়পালিকাই 'ন্যায়াধীশেই ন্যায়াধীশৰ বাছনি' কৰাৰ এটা সংবিধান বহিৰ্ভূত ব্যৱস্থা গ্ৰহণ কৰি থৈছে; 'কলেজিয়াম' নামৰ এই পাঁচজনীয়া ন্যায়াধীশৰ গোটটোৱে ন্যায়াধীশ পদৰ বাবে প্ৰাৰ্থী মনোনীত কৰে, এই মনোনয়নত অনুমোদন দিবলৈ চৰকাৰ প্ৰকাৰান্তৰে বাধ্য। আনকি মনোনীত প্ৰাৰ্থীৰ পৃষ্ঠভূমি বিচাৰ কৰোঁতে চৰকাৰে সময় ল'লে কলেজিয়ামে হৈ-চৈ লগাই চৰকাৰক ন্যায়াধীশ নিযুক্তিত হস্তক্ষেপ কৰা বুলি অভিযোগ তোলে। পিছে কলেজিয়ামৰ ত্ৰুটিপূৰ্ণ মনোনয়নৰ বিষয়ে চৰকাৰে সময়ে সময়ে উদঙাই নিদিয়াকৈ থকা নাই। এগৰাকী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশৰ বিৰুদ্ধে সতীৰ্থ মহিলা ন্যায়াধীশৰ ওপৰত যৌন নিৰ্যাতন চলোৱাৰ অভিযোগ ৰাষ্ট্ৰপতিৰ বিবেচনাধীন হৈ থকা সত্বেও তেওঁক সৰ্বোচ্চ ন্যায়ালয়ৰ ন্যায়াধীশৰূপে



অৱলোকন

ড° জয়কান্ত শৰ্মা

নিযুক্তি দিবলৈ 'কলেজিয়াম' এ মনোনীত কৰিছিল। স্বাভাৱিক কাৰণতে চৰকাৰে 'কলেজিয়াম'ৰ উক্ত অনুমোদন প্ৰত্যাখ্যান কৰিছিল।

পিছে 'কলেজিয়াম'ৰ পদ্ধতিটোত যে কেণা লাগিছে, অলপতে অধিক স্পষ্টৰূপত ফাদিল হ'ল। বোম্বে হাইক'ৰ্টত ১৮ গৰাকী অধিবক্তাক ন্যায়াধীশৰূপে নিযুক্তি দিবলৈ আগবঢ়োৱা 'কলেজিয়াম'ৰ পৰামৰ্শ চৰকাৰে প্ৰত্যাখ্যান কৰিছে (The Times of India, আঠ ছেপ্টেম্বৰ, ২০২১)। চৰকাৰে আঙুলিয়াই দিছে যে প্ৰাৰ্থীসকলৰ কাৰ্যদক্ষতা, পৃষ্ঠভূমি আৰু প্ৰয়োজনীয় চৰ্তাৱলীৰ বাছ-বিচাৰ নকৰাকৈয়ে বোম্বে হাইকোৰ্টৰ 'কলেজিয়াম'-এ নিযুক্তিৰ প্ৰস্তাৱ দিছিল, যিটো গ্ৰহণযোগ্য নহয়। অথচ উক্ত প্ৰস্তাৱলৈ তদানীন্তন সৰ্বোচ্চ ন্যায়ালয়ৰ 'কলেজিয়াম'-এ সন্মতি দিছিল; অৱশ্যে বৰ্তমানৰ 'কলেজিয়াম'-এ চৰকাৰৰ আপত্তি যুক্তিযুক্ত বুলি মন্তব্য দিছে। এইটোৱে কলেজিয়াম পদ্ধতিৰ সাৰ্থকতা সন্দৰ্ভত প্ৰশ্নচিহ্নৰ অৱতাৰণা নকৰাকৈ থকা নাই। 'কলেজিয়াম'-এ যে পক্ষপাতিত্ব নেদেখুৱায়, তাৰ নিশ্চয়তা কোনে দিব? ন্যায়াধীশ নিযুক্তিত ৰাজনৈতিক মতাদৰ্শৰ প্ৰভাৱ নপৰে বুলিও ক'ব নোৱাৰি।

উচ্চ ন্যায়ালয়সমূহত ৬০ লক্ষ গোচৰ বিচাৰাধীন হৈ আছে। কোনো কোনো ন্যায়ালয়ত ৬৫ শতাংশ পৰ্যন্ত ন্যায়াধীশৰ পদ খালী আছে। উচ্চ ন্যায়ালয়ত মুঠ ন্যায়াধীশৰ পদ ১০৮৯, কিন্তু ৪৬৫ টা পদতেই ন্যায়াধীশ নাই। সংশ্লিষ্ট 'কলেজিয়াম'সমূহে নিযুক্তিৰ প্ৰস্তাৱ সময়মতে দিব নোৱাৰা বাবেই এই বিসংগতি, সেইটো বুজিবলৈ টান নহয়। অৱশ্যে আশাৰ বতৰা এইটোৱেই যে বৰ্তমানৰ প্ৰধান বিচাৰপতি ৰামানাই এই ক্ষেত্ৰত বেচ তৎপৰতা দেখুৱাইছে। অলপতে সৰ্বোচ্চ ন্যায়ালয়ৰ 'কলেজিয়াম'-এ ১২ খন উচ্চ ন্যায়ালয়ৰ বাবে ৬৫ গৰাকী ন্যায়াধীশক নিযুক্তি দিয়াৰ পৰামৰ্শ আগবঢ়াইছে। ইয়াৰ পূৰ্বে মুখ্য ন্যায়াধীশ ববদেৰ অধ্যক্ষতাত 'কলেজিয়াম' এ মুঠতে ৪৬ জন ন্যায়াধীশকহে নিযুক্তি দিয়াৰ পৰামৰ্শ আগবঢ়াবলৈ সক্ষম হৈছিল।



এই প্ৰসংগতে ৩১ ডিচেম্বৰত সৰ্বোচ্চ ন্যায়ালয়ৰ বাকৰিত সাজি লোৱা সু-দৃশ্য আহল-বহল প্ৰেক্ষাগৃহত একেলগে ন গৰাকী ন্যায়াধীশে সৰ্বোচ্চ ন্যায়ালয়ৰ ন্যায়াধীশৰূপে শপত গ্ৰহণ কৰা অনুষ্ঠানটো উল্লেখযোগ্য। এইটো ঐতিহাসিক ঘটনাৰূপে পৰিগণিত হৈছে। মন কৰিবলগীয়া যে প্ৰধান বিচাৰপতি ৰামানাৰ অধ্যক্ষতাত পাঁচজনীয়া কলেজিয়ামে সৰ্বসন্মতিক্ৰমে তালিকাখন প্ৰস্তুত কৰিছিল ১০ আগষ্টত আৰু তাত

**উচ্চ ন্যায়ালয়সমূহত ৬০ লক্ষ গোচৰ বিচাৰাধীন হৈ আছে। কোনো কোনো ন্যায়ালয়ত ৬৫ শতাংশ পৰ্যন্ত ন্যায়াধীশৰ পদ খালী আছে। উচ্চ ন্যায়ালয়ত মুঠ ন্যায়াধীশৰ পদ ১০৮৯, কিন্তু ৪৬৫ টা পদতেই ন্যায়াধীশ নাই। সংশ্লিষ্ট 'কলেজিয়াম'সমূহে নিযুক্তিৰ প্ৰস্তাৱ সময়মতে দিব নোৱৰা বাবেই এই বিসংগতি**

চৰকাৰে ১০ দিনৰ ভিতৰতে অনুমোদন দিছিল। শপত লোৱা নগৰাকী ন্যায়াধীশৰ তিনিগৰাকীয়েই মহিলা। এনেদৰে সৰ্বোচ্চ ন্যায়ালয়ৰ ৭৭ বছৰীয়া ইতিহাসত প্ৰথমবাৰৰ বাবে একে সময়তে চাৰিগৰাকী মহিলা ন্যায়াধীশে কাৰ্যনিৰ্বাহ কৰিব। তাতোকৈ ডাঙৰ কথাটো হ'ল, ৫৮ বছৰীয়া ন্যায়াধীশ ভেংকটাৰামিয়া নাগৰত্নই ২০২৭ত ভাৰতৰ প্ৰথমগৰাকী মহিলা প্ৰধান বিচাৰপতিৰূপে নিযুক্ত হোৱাৰ সুযোগ লাভ কৰিব, সেয়াও হ'বগৈ এটা ঐতিহাসিক ঘটনা।

সংবাদ মাধ্যমে ন্যায়াধীশ নাগৰত্নৰ প্ৰতিক্ৰিয়া জানিবলৈ বিচৰাত তেওঁ বিনম্ৰভাৱে ক'লে, 'ন্যায়াধীশ হিচাপে মই সংযমী হোৱা উচিত। তদুপৰি মই ভাবো, এগৰাকী ন্যায়াধীশ তেওঁৰ ন্যায়িক সিদ্ধান্তসমূহৰ জৰিয়তেহে জনাজাত হোৱা উচিত, তেওঁৰ ৰাজহুৱা মন্তব্যবোৰৰ জৰিয়তে নহয়।' সাম্প্ৰতিক পৰিৱেশত ন্যায়াধীশ নাগৰত্নৰ এই মন্তব্য প্ৰণিধানযোগ্য।

মাননীয় সৰ্বোচ্চ ন্যায়ালয়ে সময়ে সময়ে উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশসকলৰ সিদ্ধান্তত অসন্তুষ্টি প্ৰকাশ কৰিবলগীয়াত পৰে, কাৰণ একো একোটা গোচৰত উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশে সৰ্বোচ্চ ন্যায়ালয়ে স্থিৰ কৰি থোৱা। আইনৰ বিৰুদ্ধাচৰণ কৰা পৰিলক্ষিত হয়। এই সন্দৰ্ভত প্ৰধান বিচাৰপতি ৰামানাই এলাহাবাদ উচ্চ ন্যায়ালয়ৰ বিৰুদ্ধে দিয়া এই মন্তব্যটো আছিল বেচ কঠোৰ— 'ন্যায়াধীশসকলে নিজকে সম্ৰাট বুলি গণ্য কৰাটো উচিত নহয়। তেওঁলোকে মন গ'লেই যিকোনো চৰকাৰী বিষয়াক মাতি আনি কাঠগৰাত থিয় কৰোৱাব নোৱাৰে। কাৰণ বিষয়াসকলে চৰকাৰৰ নীতিহে পালন কৰে; এতেকে বিষয়াৰ কাৰ্যকলাপ সম্পৰ্কে প্ৰথমতে স্পষ্টীকৰণ বিচাৰাটোহে যুগুত।

ভাৰতীয় ন্যায়াপালিকাৰ ভাৰমূৰ্তি বহু পৰিমাণে কলুষিত কৰিছে অৱসৰপ্ৰাপ্ত ন্যায়াধীশৰ আচৰণেও। এগৰাকী ভূতপূৰ্ব ন্যায়াধীশে দুবছৰমান পূৰ্বে কলকাতাৰ এখন অভিৱৰ্তনত অভিযোগ কৰিছিল যে সন্ত্ৰাসবাদীৰ দ্বাৰা সংসদভৱন আক্ৰমণৰ গোচৰত মৃত্যুদণ্ড লাভ কৰা আফজল গুৰুৱে ন্যায় বিচাৰ পোৱা বুলি তেওঁ নাভাবে। অৱশ্যে সেই মন্তব্যৰ বাবে উক্ত সভাতে তেওঁক আন এগৰাকী বক্তাই ককৰ্থনা কৰিছিল। সৌসিদিনা লণ্ডনৰ এখন আদালতত বেংকৰ ধন লুণ্ঠনকাৰী নীৰৱ মোদীৰ প্ৰত্যৰ্পণৰ গোচৰটোত ওকালতি কৰিবলৈ গৈ সৰ্বোচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ এগৰাকীয়ে এইবুলি যুক্তিত দিলে যে ভাৰতীয় ন্যায়পালিকা চৰকাৰৰ বহতীয়া আৰু দুৰ্নীতিগ্ৰস্ত; সেয়েহে নীৰৱ মোদীক ভাৰতলৈ প্ৰত্যৰ্পণ কৰিব নালাগে; কাৰণ ভাৰতৰ তেওঁ ন্যায়বিচাৰ নাপাব। অধিবক্তাৰ ৰূপত আত্মপ্ৰকাশ কৰা ন্যায়াধীশগৰাকীৰ মন্তব্যই ইংৰাজ মেজিষ্ট্ৰেটগৰাকীকো ক্ষুব্ধ কৰি তুলিছিল আৰু অধিবক্তাগৰাকীয়ে অনাৱশ্যক আৰু সংগতিবিহীন মন্তব্য কৰা বুলি তেওঁৰ যুক্তি নাকচ কৰিছিল। পিছে অৱসৰপ্ৰাপ্ত ন্যায়াধীশসকলে ন্যায়ালয়ৰ সিদ্ধান্তসমূহৰ ৰাজহুৱাভাৱে বিৰূপ সমালোচনা কৰিবলৈ ল'লে ন্যায়পালিকাৰ মৰ্যাদা ৰক্ষা পৰে কেনেকৈ? সেইটো প্ৰাসংগিক প্ৰশ্ন।

বিগত শতিকাৰ ৭০ দশকত ইন্দিৰা গান্ধীৰ শাসনকালত অনুগত ন্যায়ধীশৰ অভিযোগ উঠিছিল; কিন্তু ন্যায়পালিকাৰ উচ্চ আদৰ্শ দাঙি ধৰিছিল এলাহাবাদ উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ জগমোহন সিন্‌হাই। ১৯৭৫ৰ ১২ জুনত তেওঁ বিৰোধী নেতা ৰাজনাৰায়ণে তৰা গোচৰ এটাৰ ৰায়দান কৰি তদানীন্তন প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ লোকসভাৰ সদস্যতা বাতিল কৰাই নহয়, ছয় বছৰৰ বাবে তেওঁৰ ভোটাধিকাৰো কৰ্তন কৰিছিল। ৰায়টোত কোৱা হৈছিল যে প্ৰধানমন্ত্ৰী পদৰ প্ৰভাৱ খটুৱাই তেওঁ নিৰ্বাচনী দুৰ্নীতিত লিপ্ত হোৱাৰ অভিযোগ সঁচা। সৰ্বোচ্চ ন্যায়ালয়েও এই ৰায়টোকে বাহাল ৰাখিছিল। কিন্তু ইয়াৰ পাছৰ পৰিণাম হ'লগৈ প্ৰলয়ংকৰী। কেবিনেটৰ অনুমোদন নোলোৱাকৈ ইন্দিৰা গান্ধীয়ে স্বেচ্ছাচাৰীভাৱে ১৯৭৫ৰ ২৫ জুনৰ মাজনিশা দেশত জৰুৰী শাসন প্ৰৱৰ্তন কৰিলে। প্ৰায় লগে লগেই দুগৰাকী জ্যেষ্ঠ ন্যায়াধীশক চেৰাই গৈ অজিত নাৰায়ণ ৰায়ক সৰ্বোচ্চ ন্যায়লয়ৰ মুখ্য ন্যায়াধীশৰূপে নিযুক্তি দিয়া হ'ল। এনেদৰে ন্যায়পালিকা হ'লগৈ চৰকাৰৰ বহতীয়া। মূৰ দোঁৱাবলৈ কোৱাত ন্যায়পালিকাই আঁঠু কাঢ়িছিল। তদানীন্তন বিচাৰপীঠে নাগৰিকৰ জীয়াই থকাৰ অধিকাৰকে ধৰি সকলো মৌলিক অধিকাৰৰ কৰ্তনৰ সংশোধনীবোৰ সাংবিধানিক বুলি ৰায় দিছিল।

অলপতে এলাহাবাদ উচ্চ ন্যায়ালয়ৰ নতুন ভৱন আৰু এখন আইন বিশ্ববিদ্যালয়ৰ আধাৰশিলা স্থাপন অনুষ্ঠানত অংশগ্ৰহণ কৰি প্ৰধান বিচাৰপতি ৰামানাই তেওঁৰ ভাষণত ১৯৭৫ত এলাহাবাদ উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ সিনহাই দিয়া ৰায়টোক এটা সাহসী পদক্ষেপ আছিল বুলি অভিহিত কৰে। পিছে চৰকাৰী প্ৰভাৱৰ পৰা মুক্ত ন্যায়াধীশৰ নিযুক্তি প্ৰক্ৰিয়া প্ৰতিষ্ঠা কৰাটো যে এটা কঠিন প্ৰত্যাহ্বান, সেইটো তেওঁ উল্লেখ কৰা নাই। তাৎপৰ্যপূৰ্ণ যে ২০১৫ত উভয় সদনত সৰ্বসন্মতিক্ৰমে গৃহীত ৰাষ্ট্ৰীয় ন্যায়পালিকা নিযুক্তি আয়োগ আইনখন সৰ্বোচ্চ ন্যায়ালয়ে বাতিল কৰিছিল; কাৰণ তাত আয়োগৰ সদস্য সচিবৰূপে 'আইনমন্ত্ৰী'ক দায়িত্ব দিয়াৰ ব্যৱস্থা আছিল। পিছে বিচাৰপীঠে পাহৰি থাকিল যে আমেৰিকা যুক্তৰাষ্ট্ৰত ন্যায়াধীশৰ নিযুক্তি দিয়ে খোদ ৰাষ্ট্ৰপতিয়ে। তাত 'অনুগত ন্যায়াপালিকা'ৰ অভিযোগ উত্থাপিত হোৱাৰ কথা শুনা নাই। কাৰণ ন্যায়াধীশৰ একমাত্ৰ দায়ৱদ্ধতা হ'ল সংবিধান আৰু আইনৰ ব্যাখ্যা আৰু তাৰে ভিত্তিত গোচৰৰ ৰায়দান কৰাটো। তাৰ বিপৰীতে ভাৰতীয় ন্যায়পালিকাই কাৰ্যপালিকাৰ ভূমিকা পালন কৰিবলৈ লৈছে নেকি? প্ৰশ্নটো প্ৰাসংগিক। আনকি সদনে ৰচনা কৰা আইনো কে'বাবাৰো বাতিল কৰিছে ভাৰতীয় ন্যায়পালিকাই।

ফোন ঃ ৯৪৩৫৫-৫৪২০৫

## জননেতা পানীৰাম ৰাভাৰ সোঁৱৰণত

**২০২১ৰ** ১৮ ছেপ্টেম্বৰত ৰাভাখুৰাক শেষবাৰলৈ সেৱা জনাই ঘৰলৈ ওভতোতে মনলৈ আহিছিল—খুৰা সঁচাকৈয়ে গ'লগৈ। তেওঁৰ প্ৰশান্ত চেহেৰাৰ মুখখনে যেন হাঁহি মাৰি সচৰাচৰ কোৱাৰ দৰে কৈছিল—

'সন্ধিয়াৰ আকাশৰ সৰু তৰাটিৰ
সাদৰৰ শেষ আৱাহন,
সেউজীয়া প্ৰকৃতিৰ কোমল
কোলাত
খেলা মোৰ হ'ল সমাপন
সাদৰৰ শেষ আৱাহন।।
নাও মেলি আহিলো আঁতৰি,
অতীতক নেযাবা পাহৰি।।'
(অতীতক নেযাবা পাহৰি,
'যতীন্দ্ৰ নাথ দুৱৰা ৰচনাৱলী')



হয়...! ৰাভাখুৰাই ইহসংসাৰত অৱদান সমাপন কৰি জীৱন পৰিক্ৰমাৰ অন্ত কৰিলে। এক অৱশ্যম্ভাৱী সত্য। তেওঁৰ অনুপস্থিতি সকলোৰে বাবে নিশ্চয়কৈ বেদনাদায়ক। এই অনুপস্থিতিৰ বেদনা পৰিয়ালৰ ক্ষেত্ৰত নিয়মীয়া কথা, কিন্তু এখন সমাজৰ ক্ষেত্ৰত সামান্য কথা বুলি কোৱাটো ধৃষ্টতা কৰাৰ লেখীয়া হ'ব। ওদালবাক্ৰাৰ সমাজত ৰাভাখুৰাৰ চাপ নথকা দিশ কিজানি একো বিচাৰি পোৱা নাযাব। ল'ৰা-বুঢ়া, ধনী-দুখীয়া, পুৰুষ-মহিলা নিৰ্বিশেষে তেওঁৰ প্ৰভাৱে স্পৰ্শ নকৰা কোনো নোলাব। এই অঞ্চলত জনগণ সংগবদ্ধ হ'ব পৰা দিশবোৰ যেনে— পঢ়াশালি, মন্দিৰ, পূজা-পাৰ্বণ, বিহুকে আদি কৰি সাংস্কৃতিক অনুষ্ঠান, বিষ্ণু ৰাভা উদ্যানত অনুষ্ঠিত বছৰেকীয়া স্থানীয় পাৰ্বণসমূহ, ৰাভা দিৱসত শৈক্ষিক সন্মান প্ৰাপ্তসকলৰ সম্বৰ্ধনা অনুষ্ঠান ইত্যাদি প্ৰতিটো ক্ষেত্ৰতেই তেওঁৰ প্ৰভাৱ বিদ্যমান।

বিষ্ণু ৰাভা উদ্যানত বছৰেকীয়া স্মৃতিচাৰণ অনুষ্ঠানত ওদালবাক্ৰা অঞ্চলৰ ইহলীলা সম্বৰণ কৰাসকলৰ সদ্‌গতি চিন্তি দিয়া তেওঁৰ বক্তব্য মনলৈ আহিছে— 'আমি এই অঞ্চলৰ চিন, ইয়াৰে মানুহৰ স্মৰণেৰে পিছৰ প্ৰজন্মৰ বাবে আদৰ্শ স্থাপন কৰি সোঁৱৰাব লাগিব। কাৰণ অতীত-বৰ্তমান-ভৱিষ্যত এক সংপৃক্ত

অৰ্চনা দেৱী

সত্তা। এটা বাদ পৰিলে বাকীকেইটা আধৰুৱা।'

শৈক্ষিক সফলতাৰ বাবে ছাত্ৰ সমাজক সন্মানিত কৰা সভাত ৰাভাখুৰাৰ অমূল্য ভাষণৰ মূল সাৰাংশত এক কথাত জোৰ দি কৈছিল—'এনে ধৰণৰ আজিৰ সন্মান প্ৰদান ভৱিষ্যতৰ সুফলৰ আধাৰ হ'ব, দহজনৰ বাবে!' আকৌ, বিহু উদ্‌যাপন লগতে আন সভাত তেওঁৰ ৰত্নগভীৰ ভাষণ সদা একদিশতেই ধাৰমান হৈছিল যে আমি আমাৰ অস্তিত্ব ৰক্ষা কৰিব লাগিব। আমাৰ আজিৰ চিনাকি, অতীতৰ পৰিচয়ৰ বলেৰে ভৱিষ্যতলৈ মেটমৰা ভঁৰাল গঢ়িব লাগিব।

বৰমা সমষ্টিৰ প্ৰাক্তন বিধায়ক গুৱাহাটীৰ ওদালবাক্ৰাৰ স্থায়ীভাৱে বসবাস কৰা প্ৰয়াত পানীৰাম ৰাভা এনে এজন নেতা, যাৰ প্ৰভাৱৰ ডোলেৰে বান্ধ খাই আছে—ওদালবাক্ৰাৰ বাৰেৰহণীয়া সমাজখন। গুৰিব'ঠাস্বৰূপ ৰাভাখুৰাৰ মহীয়ান ব্যক্তিত্ব। মহানগৰীৰ জটিল জীৱনত পৰিৱৰ্তিত ওদালবাক্ৰা গাঁৱৰ সমাজখন, তেওঁৰ সময়তকৈ আগবঢ়া চিন্তাৰ বলেৰে নিজস্ব পৰিচয়েৰে পৰিচিত হ'বলৈ সক্ষম হৈছে। বৃহত্তৰ ওদালবাক্ৰাৰ বাসিন্দাৰ নিজৰ কৃষ্টি-সংস্কৃতি বৰ্তাই একগোট হোৱাটো সম্ভৱপৰ হৈছে, তেওঁৰ দৰে গুৰিয়াল ব্যক্তিৰ বাবে। প্ৰভাৱ, অৱদান, মূল্যবোধেৰে মহীয়ান ৰাভাখুৰাৰ ব্যক্তিত্বই যেন আজি প্ৰফুল্ল চিত্তে কৈছে—

'যখন ৰব না আমি মৰ্তকায়ায়
তখন স্মৰিতে যদি হয় মন,
তবে তুমি এসো হেথা নিভৃত ছায়ায়
যেথা এই চৈত্ৰেৰ শালবন।'

ফোন ঃ ৯৪৩৫৪৬৭৫৭২

## অসুৰৰ সাম্ৰাজ্য বাঢ়িছে

### জনসংখ্যা বৃদ্ধি মানে মানৱ সম্পদ বৃদ্ধি নহয়



**মানুহ** বাঢ়িছে। বিশ্বত মানুহৰ সংখ্যা অভাৱনীয় হাৰত বাঢ়িয়ে আছে। ২০১৯ত হৈছেগৈ ৭৫০ কোটি। সমীক্ষাত কোৱা হৈছে, ২০৫০ত হ'বগৈ ৯০০ কোটি বা ততোধিক। আই বসুমতীয়ে জনসংখ্যা বৃদ্ধিৰ ভৰ সহিব পাৰিবনে? কিমান দিনলৈ সেই ভৰ বহন কৰিব আৰু কিদৰে? ভাৰতৰ জনসংখ্যা বৃদ্ধিৰ হাৰ চীনতকৈ দ্ৰুততৰ হৈছে। এশ ত্ৰিছ কোটি। অসমৰো তিনি কোটি ত্ৰিছ লাখ। সেয়া স্বাভাৱিক প্ৰজনন নহয়, কৃত্ৰিম বৃদ্ধিৰ ফলহে। তাকেই কোৱা হৈছে প্ৰব্ৰজনৰ হেঁচা বুলি। জনসংখ্যা বৃদ্ধি মানে মানৱ সম্পদ বৃদ্ধি নহয়। আনুপাতিক হিচাপত সমস্যা বাঢ়িছে অধিক। খাদ্য-শস্য উৎপাদনৰ ক্ষেত্ৰ সংকুচিত হৈছে। প্ৰাকৃতিক দুৰ্যোগ, খৰাং বতৰ আৰু বানপানীৰ সংহাৰী ৰূপ কৃষকৰ মূৰত অভিশাপ স্বৰূপ। মহাজন-মাতব্বৰ-মধ্যভোগীৰ কেঁকোৰা চেপাত কৃষক ৰাইজৰ নাজল নাথল অৱস্থা। ভাগ্যক ধিয়াই হিয়া ঢাকুৰি কান্দি গগন ফালিছে। সংবেদনহীন, নিদাৰুণ, নিষ্ঠুৰ সমাজপতিসকলে দাঁত নিকটাই হাঁহিছে। ৰাষ্ট্ৰযন্ত্ৰৰ নিৰ্লিপ্ততাই নিৰন্ন-নিবস্ত্ৰজনক ঠেলি দিছে — আত্মজাহ, আত্মহননৰ দৰে চৰম অৱস্থালৈ। নিৰ্মাণ ক্ষেত্ৰত গতি মন্থৰ। মুক্ত বাণিজ্যই ভাৰতীয় অৰ্থনীতিত ইতিবাচক প্ৰভাৱ পেলাব পৰা নাই। বহিৰ্ভাৰতৰ পণ্যই দেশ ছানি পেলাইছে। দেশৰ উৎপাদন ক্ষেত্ৰই থাউনি নাপাই থৰকাছুটি হেৰুৱাইছে। দেশৰ ধন দেশ নিৰ্মাণত লগাব নোৱাৰি উৰাদিহ নোপোৱা হৈছে। ৰাষ্ট্ৰৰ পঁয়ষষ্ঠি শতাংশ পঁয়ত্ৰিশ অনূৰ্দ্ধ নৱপ্ৰজন্মক কৰ্মহীনতাই দহি মাৰিছে। যাৰ ফলত হৈ পৰিছে দিশহাৰা। কৰ্ম সংস্থাপনৰ হ্ৰস্বম্যাদী, দীৰ্ঘম্যাদী, আকৰ্ষণীয় আঁচনি এতিয়াও সুদূৰপৰাহত। তেন্তে কঃ পন্থা? বেচৰকাৰী, ব্যক্তিগত খণ্ডত মুষ্টিমেয় সংখ্যকে দক্ষতা আৰু যোগ্যতাৰ ভিত্তিত সংস্থাপিত হ'লেও সেই সকলক পুতৌজনকভাৱে দা-দৰমহা, পাৰিতোষিক দিয়ে। অমানুষিক, হাড়ভঙা পৰিশ্ৰমৰ বিনিময়ত নাপায় শ্ৰমৰ মূল্য। তাতো শ্ৰম শোষণ কৰে। কৰ্মহীনসকলে অন্তৰ্দাহ আৰু অন্তৰ্দ্বন্দ্বত ভুগি তুঁহ জুইৰ দৰে উমি উমি জ্বলি আছে। হয়তো এদিন শুকান-খেৰ-পাত পাই দপদপকৈ জ্বলি খাণ্ডৱদাহৰ সৃষ্টি কৰিব। সেইবোৰৰ আভিধানিক অৰ্থ যুৱ উচ্ছৃংখলতা। সমাজত চলা অন্যায়, অবিচাৰ, ক্ষমতাৰ অতিচাৰ, অৰ্থলোলুপ বিষয়া-আমোলা তথা বগা হাতীবোৰৰ কপট কলুষতা দীৰ্ঘদিন চকুৰ আগতে দেখি দেখি ধৈৰ্যৰ বান্ধ সুলকি পৰাৰ উপক্ৰম হয়। — ন্যায়নিষ্ঠ, মেধাৱী যোগ্য ডেকা-ডেকেৰীসকলৰ ভৱিষ্যৎ কি? তেন্তে দোষ কাৰ? ক্ষমতাশালী, ৰাজনৈতিক মাচিয়াৰ গৰাকীসকলৰ নে, হা অন্ন হা বস্ত্ৰৰ সন্ধানত কালাতিপাত কৰা বুভুক্ষু নিবনুৱাসকলৰ? উত্তৰ কোনে দিব? মূৰ পোলোকা মাৰিলে নহ'ব। উত্তৰ দিয়াৰ সময় আহিছে। বিশ্বাসযোগ্য উত্তৰ দিব লাগিব। কৈফিয়তো দিব লাগিব সমুচিতভাৱে।



নকৈ নোৱাৰি

ভবানীপ্ৰসাদ অধিকাৰী

এসময়ত ভাৰতত প্ৰতিষ্ঠা হৈছিল ৰাম ৰাজ্য। হাজাৰ হাজাৰ বছৰ অতিক্ৰম কৰি একবিংশ শতিকাত হ'লগৈ অসুৰৰ ৰাজ্য। এশ ত্ৰিছ কোটি ভাৰতবাসীক এমুঠিমান অসুৰে হাতৰ মুঠিত ৰাখি ৰং চাব লাগিছে। কদাচাৰ, ভ্ৰষ্টাচাৰ, অন্যায়-অত্যাচাৰ, দুৰ্নীতি, লুণ্ঠন, চুৰি, ডকাইতি, নৰসংহাৰ, সীমাহীন অপৰাধেৰে ৰাষ্ট্ৰ-ৰাজ্য কলুষিত হৈছে। ৰাজনীতিকৰ হাতত আইন প্ৰণয়ন কৰা আৰু প্ৰৱৰ্তন কৰাৰ ক্ষমতা থাকে। আইনৰ সুৰুঙাও থাকে। সেই সুবিধাবাদীসকলে নিজৰ অনুকূলে আইনবিৰুদ্ধ কৰ্ম কৰে। আইন ভংগ কৰে। তেওঁলোক শিক্ষিত, কিন্তু চতুৰ। শিয়ালৰ দৰে এচাম বুধিয়ক। শিয়ালে যিমানেই চতুৰ বা বুধিয়ক বুলি নাভাবক কিয়, সিহঁত কিন্তু ভীৰু-কাপুৰুষ, কলিজাও বৰ দুৰ্বল। অলপ ভয় খুৱালেই হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হয়— হাৰ্ট ফেইল কৰে। সমাজত অষ্ট্ৰিছ চৰাইৰ দৰে বালিত মূৰ গুঁজি থকা অপৰাধীসকলো আত্মপক্ষ সমৰ্থনত দুৰ্বল, অসহায়।

স্বৰ্ণলংকাৰ ৰাৱণ ধনী, ক্ষমতাশালী, বিদ্বান যদিও অহংকাৰী আছিল। স্বৰ্গৰ দেৱতাসকলক বন্দী কৰি থৈয়ো আত্মতৃপ্তিত আস্ফালন কৰিছিল। কনফুচিয়াছে কৈছিল— ৰজা অত্যাচাৰী হ'লে প্ৰজা প্ৰতিবাদী হয়। ৰাৱণক বশ কৰিবলৈ এজন ৰামচন্দ্ৰৰ প্ৰয়োজন হৈছিল। ৰামচন্দ্ৰই বিচাৰিছিল শক্তি পূজা। শৰৎকালৰ অকাল পূজা-অকাল বোধন। অপশক্তিৰূপী ৰাৱণ নিধন হৈছিল। আজিও প্ৰতীকী ৰাৱণ বধ হয়। সমাজৰ চকুত ধূলি মাৰি তেজ-মঙহৰ ৰাৱণবোৰ লুকাই থকালৈকে ৰাৱণবধৰ ভাও চলি থাকিব। অথচ ৰাৱণবোৰ নমৰে। ৰক্তবীজৰ বংশৰ দৰে বাঢ়ি আহে। সিহঁতৰ অট্টহাস্যবোৰ শুনিয়েই থাকিম। কাণত ঠিলা মাৰিলেও দুৰ্ভগীয়া মনুষ্যক শুনাবই। পুৰাণউক্ত আদ্যা শক্তিও আবিৰ্ভূত হৈছিল মহা বলৱন্ত অসুৰ শক্তিক বিনাশৰ উদ্দেশ্যে। স্বৰ্গত্ৰাস অসুৰক বশ আৰু বধ কৰিবলৈ সকলো দেৱতাৰ সহযোগত অস্ত্ৰ সংগ্ৰহ কৰি যুঁজ দিছিল। পৰাভূত পৰাস্ত নহয় হে নহয়। পুনৰবাৰ জী উঠে। মৰিও নমৰে পৰিও নপৰে।

মৰ্ত্যৰ আমাৰ ৰাজ্যখনো অসুৰৰ শাসনৰ অধীন হ'বলৈ ওলাইছে। মানুহ বাঢ়িছে, অসুৰৰ সাম্ৰাজ্যই বিস্তাৰ লাভ কৰিছে। অসমত এতিয়া অসুৰ নিধনযজ্ঞ বাঢ়িছে। উদ্বেগজনকভাৱে সমাজত লুকাই থকা অসুৰবোৰ যজ্ঞৰ হোতা হৈ পৰিছে। জনগণৰ তেজখোৱা অসুৰবোৰ তেজখোৱা গোসাঁনীক পূজিবলৈ হেতা-ওপৰা কৰিছে। মানুহবোৰ পেঁপুৱা লাগিছে। অসুৰবোৰে তাকে চাই অট্টহাস্য কৰিছে। অসমত হাজাৰ হাজাৰ পূজা মণ্ডপৰ একাংশৰ পৃষ্ঠপোষক এচাম অসুৰ। বিত্তৱান, আক্ৰোশী, আগ্ৰাসী অসুৰ। অকল গুৱাহাটী মহানগৰীতেই পাঁচ-ছশখনলৈ বৃদ্ধি পোৱা পূজাৰ এটা বুজন অংশত মহিষাসুৰ আৰু নৰৰূপী অসুৰ একাকাৰ। জনসংখ্যা বৃদ্ধিৰ সমান্তৰালকৈ দুৰ্জন অসুৰৰ সংখ্যা বাঢ়িছে। ভয়াৱহভাৱে অসুৰৰ সাম্ৰাজ্য বাঢ়িছে।

*লেখক পাণ্ডু কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যাপক*

*ফোন ঃ ৯৮৬৪০৭৯০১৯*

খোলা মঞ্চ

## ৭৫ বছৰীয়া স্বাধীনতাই আমাক কি দিলে?



**মহামানৱ** মহাত্মা গান্ধীৰ নেতৃত্বত আৰু বহুতো মানুহৰ আত্মত্যাগৰ ফলত ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰিলে। মানুহৰ মনত বহুত আশাৰ সঞ্চাৰ হৈছিল। আন নহ'লেও মানুহে মৌলিক প্ৰয়োজনখিনি পাব। দেশত জাত-পাত, ধৰ্ম-বৰ্ণৰ সীমা নাইকিয়া হ'ব। সকলোৱে সমান অধিকাৰ পাব। উচ্চ-নীচ ভেদাভেদ নাইকিয়া হ'ব। এখন সমৃদ্ধিশালী ভাৰত পাব। য'ত থাকিব মাত্ৰ ৰামৰাজ্যৰ দৰে সুখ; কিন্তু সেই সপোন মানুহে মাত্ৰ ভাবিলেহে, কাৰ্যক্ষেত্ৰত সেয়া সুদূৰপৰাহত হ'ল। আজিৰ তাৰিখত ভাৰতত এচাম ধনিক শ্ৰেণীৰ সৃষ্টি হ'ল আৰু ধনী-দুখীয়াৰ মাজত এক প্ৰাচীৰৰ দৰে সৃষ্টি হ'ল। এচামে এতিয়াও ৰাতি ৰেলৰে প্লেটফৰ্মত টোপনি যায়। অথচ তেওঁলোকৰো আছে মৌলিক অধিকাৰ এটি ঘৰ। অনেকেই আকৌ পেলনীয়া জাবৰ-জোঁথৰত নিজৰ খাদ্য বিচাৰি ফুৰে। অথচ এইখন ভাৰতত সুউচ্চ অট্টালিকাত এচামে ঘুমটি মাৰি আৰামপ্ৰিয় খাদ্য খাব নোৱাৰি পেলাই দিয়ে। সেইখন ভাৰতৰ নাগৰিক আমি। আমাক মাত্ৰ টোপ দিয়ে। যিখন দেশৰ নাগৰিকক ৩০ ইউনিট বিজুলী ফ্ৰী দি ভুলাব পাৰি। তাৰ মানে আমাক এতিয়াও ফ্ৰীতে ঘূৰাব পাৰি। তেওঁলোকে আচলতে আমাক এফালে ফ্ৰী দিয়াৰ লোভ দেখুৱাই আনফালে বস্তুৰ দাম চৰা হিচাপে উঠাই লয়। আমাক এনেকৈ টোপ দিয়ে যেন তেওঁলোকে নিজৰ ঘৰৰ পৰাহে আমাক দিব। আচলতে সকলোখিনি ৰাইজৰে। দেশ চলোৱা নেতাসকলে মাত্ৰ হিতাধিকাৰী সৃষ্টি কৰি আছে কিন্তু শ্ৰম কৰিব পৰা প্ৰতিষ্ঠান সৃষ্টি কৰিব পৰা নাই।এতিয়াও আমাৰ কৃষকসকলে প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়। বৰষুণ দিলে

**আব্দুল হালিম আহমেদ ,** লেখক

খেতি হয় আৰু খৰাং হ'লে মূৰে-কপালে হাত। আমাৰ দেশৰ কৃষকসকলে নিজৰ প্ৰাপ্যৰ বাবে আন্দোলন কৰিব লাগে। আমাৰ অসমৰ অৱস্থা ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যবিলাকতকৈ আৰু বেয়া। ভাৰতৰ আন আন ৰাজ্যৰ মানুহে আমাৰ উত্তৰ-পূৰ্বাঞ্চলৰ মানুহক এতিয়াও জংঘলৰ মানুহ বুলি ভাবে। আমাৰ ৰাস্তা-ঘাটৰ অৱস্থা এতিয়াও পয়ালগা। আমাৰ অসমৰ যুৱক-যুৱতীসকল ভাৰতৰ আন ৰাজ্যত কাম বিচাৰি হাইৰাণ হয়। অথচ আমাৰ অসমত কি নাই, মাত্ৰ দিল্লীৱালাই চকু মেলি চালেই হ'ল। আমাৰ অসমৰ মানুহে যিবিলাক ঘৰত বসবাস কৰে ভাৰতৰ কিছুমান ৰাজ্যৰ মানুহে এই ধৰণৰ ঘৰত গৰু-ছাগলীও নথয়। এতিয়াও আমি বানপানীৰ লগত সহবাস কৰিব লাগে। অসমৰ মানুহে এতিয়াও মৌলিক অধিকাৰৰ বাবে আন্দোলন কৰিব লাগে। শিক্ষাৰ ক্ষেত্ৰতো অসমৰ ছাত্ৰ-ছাত্ৰীয়ে অসমৰ বাহিৰত দৌৰি ফুৰে। উন্নত চিকিৎসাৰ ক্ষেত্ৰতো একেই কথা। আমাৰ অসমত এইবিলাক সুবিধাৰ কি ঠাই নাই! নে সুবিধা নাই। আচলতে আমাক সেই সুবিধা ইচ্ছা কৰি দিয়া নাই। আমাৰ অসমতো এচাম মাত্ৰ ধনী মানুহৰ সৃষ্টি হৈছে আৰু সৃষ্টি কৰিছে এচাম দুখীয়া মানুহৰ। তেওঁলোকৰ ধান্দা মানুহ যিমান অভাৱত থাকিব সিমানেই ভোটৰ টোপ ভাল হ'ব। আমাক মাত্ৰ এচামে ভোট দিয়াৰ বাবে জীয়াই ৰাখিছে; কিন্তু স্বাধীন ভাৰতৰ মৌলিক অধিকাৰখিনি এতিয়াও এচামে পোৱা নাই। ইয়াৰ বাবে কাক জগৰীয়া কৰিব। নিশ্চয় দেশ পৰিচালনা কৰা নেতাসকলেই ইয়াৰ বাবে জগৰীয়া। যেতিয়ালৈকে ৰাস্তা-ঘাট সুচল নহয় আৰু দেশৰ অতি পিছপৰা অঞ্চলৰ মানুহৰ উন্নতি নহয় তেতিয়ালৈকে ভাৰতৰ পঁইসত্তৰ বছৰীয়া স্বাধীনতা মাত্ৰ এচাম ধনী মানুহৰ বাবে সুখেই সুখ। য'ত দৰিদ্ৰসকলে মাত্ৰ হুমুনিয়াহ কাঢ়ি জীয়াই থাকিবলৈ বাধ্য হ'ব আৰু মহামানৱ মহাত্মা গান্ধীৰ স্বাধীন ভাৰতৰ সপোন বাস্তৱত পৰিণত নহ'ব। গতিকে ৭৫ বছৰীয়া স্বাধীনতাই আমাক দিলে মাত্ৰ সপোন। সু-উচ্চ অট্টালিকাবোৰে খেৰৰ পঁজা ঘৰবিলাকলৈ ভ্ৰূ কোঁচাই হাঁহি থাকে। অট্টালিকাবিলাকে দুখীয়াৰ পঁজাবিলাকত হেঁচা মাৰি ধৰিব বিচাৰে। আমি মাত্ৰ ভোটাধিকাৰ পালো কিন্তু ভোট দিয়াৰ আচল লাভ নাপালো। আহিবনে সেই সুদিন, যি সুদিনত দুখীয়াসকলে এমুঠি অন্নৰ বাবে চিন্তা নকৰি ৰাতি এটি সুন্দৰ ঘৰত টোপনি যাব পাৰিব। আমি তাকেই কামনা কৰো। । যি কৰ্মই আমাক উপাৰ্জনৰ ক্ষমতা দি নিবনুৱা সমস্যা সমাধানত সহায় কৰে। সেই সুদিন সোনকালে আহক বুলি কামনা কৰিলো। ফোন ঃ ৯৪৩৫৭-৫৫৩১৩

দৈনিক অগ্ৰদূত
গুৱাহাটী, ২৫ ছেপ্টেম্বৰ শনিবাৰ, ২০২১ পৃষ্ঠা ৫

## ৰুছ ভ্ৰমণৰ অভিজ্ঞতা

# টলষ্টয়ৰ দেশত প্ৰাণচঞ্চল এসপ্তাহ

ড° উৎপল বৰুৱা






**যোৱা** কুৰি শতিকাত যদি কোনো এখন ৰাষ্ট্ৰৰ চকুত লগাকৈ ৰাজনৈতিক তথা সামাজিক পৰিৱৰ্তন হৈছে, সেইখন হ'ল ৰাছিয়া। কুৰি শতিকাৰ প্ৰথম ভাগ আছিল সাম্ৰাজ্যবাদ যুগৰ। ক্ৰিমিয়াম যুদ্ধ আৰু বালকান পেনিনচুলাৰ ফালে অগ্ৰসৰ হোৱাৰ ইচ্ছা যদিও ৰাছিয়াৰ আছিল তাত সফল হ'ব নোৱাৰিলে। ১৯০৪-০৫ৰ জাপানৰ লগত যুদ্ধত হৰাৰ পাছত জনসাধাৰণৰ মনত বহু পৰিৱৰ্তন আহিল, তাৰ ফলস্বৰূপে বিখ্যাত ১৯১৭ৰ বিপ্লৱক পৃথিৱীৰ বুৰঞ্জীৰ ১৭৪৭ত হোৱা ফৰাচী বিপ্লৱৰ পাছতেই এইটো উল্লেখযোগ্য ঘটনা বুলি ধৰা হয়। সাম্ৰাজ্যৰ সম্প্ৰসাৰণ, ৰজাৰএকনায়কত্ববাদ শাসন আদিৰ আঁৰে আঁৰে শিল্প বিপ্লৱ, বুদ্ধিজীৱীৰ বিপ্লৱ, দুখনকৈ মহাযুদ্ধত সক্ৰিয় অংশগ্ৰহণ, লেনিন, ষ্টেলিন, বলচেভিক আদিৰ দৰে নেতাৰ অভ্যুত্থান আদিয়ে ৰাছিয়াৰ জনসাধাৰণক বহু পৰিমাণে সামাজিক আৰু বৌদ্ধিকভাৱে সাহসী আৰু পৰিপক্ক কৰি তুলিলে। সেয়েহে কুৰি শতিকাৰ শেষ ভাগত ৰাছিয়াৰ সকলো দিশতে অভ্যুত্থান হৈ দ্বিতীয় শক্তি হিচাপে পৰিগণিত হৈছিল। তেনে এখন দেশত কি কিনো আছে, তাক স্বচক্ষুৰে চাবলৈ বহুদিনৰে পৰা মনত পাঙি আছিলো। ভ্ৰাতৃসম গুৱাহাটী বিশিষ্ট ব্যৱসায়ী মুকুল বৰ্মনে এদিন হঠাতে ৰাছিয়া ভ্ৰমণৰ প্ৰস্তাৱ দিয়াত একে কোবে সমৰ্থন জনাই যোৱা ২০১৯ৰ জুলাইত এসপ্তাহৰ বাবে পৰিবাৰ অনুভাৰ স'তে ৰাছিয়া ভ্ৰমণ কৰিবলৈ ওলালো। এই ভ্ৰমণ আছিল মাত্ৰ দুখন ঠাইৰ ভ্ৰমণ— মস্কো আৰু চেন্ট পিটাৰ্ছবাৰ্গ।

১৯ তাৰিখে পুৱা ৬-১৫ বজাত দিল্লীৰ পৰা তাচখণ্ড হৈ আবেলি ৩-১৫ বজাত মস্কো পালোগৈ। মস্কো বিমানকোঠত ৰাইজৰ আলেখ-লেখ চাই গাম পাইছো তাত মানুহবোৰে ইংৰাজী বৰ ভালকৈ নাজানে। যিকেইজনে জানে আমাৰ নিচিনাকৈয়ে জানে। প্ৰথমদিনা হোটেললৈ বাছেৰে গৈ থাকোতে মস্কো চহৰৰ প্ৰশস্ত দৃশ্য উপভোগ কৰিলো। ৰাস্তাত গৈ থাকোতে ইউৰোপৰ গিৰ্জাৰ নিচিনা ধৰ্মস্থান বিষয়ৰ স্তম্ভ আৰু ৰাছিয়াৰ সমাজবাদী মনৰ বিশেষ কীৰ্তিস্তম্ভৰ লগতে স্মৃতিসৌধ, ৰেড স্কোৱেৰ, আকৰ্ষণীয় বেবিলনৰ কেথেড্ৰেল বাহিৰৰ পৰাই দেখা পালো। ইয়াৰ গম্বুজবিলাক বিভিন্ন ৰঙৰ পোহেৰেৰে সজ্জিত। পিঁয়াজৰ আকৃতি অৰ্থাৎ মাজৰ অংশ গোলাকাৰ, বহল আৰু ঘপকৈ ওপৰৰ ফালে চিঞা। ভাবিলো কাইলৈৰ পৰা বিশদভাৱে দেখুৱাব। খাই-বৈ সেই ৰাতি বিশ্ৰাম ল'লো।

দ্বিতীয় দিনা অৰ্থাৎ ২০ জুলাইৰ পৰাহে আমাৰ পৰ্যটন স্থলীবোৰ চোৱা আৰম্ভ হ'ল। গাইডজনৰ নাম গ্লেব। সম্পূৰ্ণ ৰাছিয়ান চেহেৰাৰ ধুনীয়া ডেকাজনৰ বয়স ২৫/২৬ মান হ'ব। ইংৰাজী জানে আমাৰ নিচিনাকৈ, মাজে মাজে সঠিক শব্দ বিচাৰি খোকোজা লাগে। প্ৰথমেই গ্লেবে লৈ গ'ল বিখ্যাত কচমন'টিকছ মিউজিয়ামলৈ। ১৯৫৭তেই ৰাছিয়াই কৃত্ৰিম উপগ্ৰহ স্পুটনিক-১ উৎক্ষেপণ কৰি এই মহাকাশ অভিযানত অৱতীৰ্ণ হয়। ১৯৬১ৰ ১২ এপ্ৰিলত যুৰী গাগাৰীণ প্ৰথম মানৱ, যি মহাকাশত বিচৰণ কৰিলে। ১৯৬৩ৰ ১৬ জুনত ভেলেন্টিনা প্ৰথম মহিলা, যি মহাকাশ অভিযানত ৰাছিয়াৰ কীৰ্তি আগবঢ়াই দিছিল। এনেদৰেই ৰাছিয়াই মহাকাশত খোজকঢ়াৰ বিচৰণ, কিমান সময়, কিমানজন লোক আদিৰ আনুষংগিক বিষয়ত শ্ৰেষ্ঠতা অৰ্জন কৰিছিল। তাৰ পিছে পিছে আমেৰিকাও আগবাঢ়িল। ৰাছিয়াৰ হয়তো চন্দ্ৰত মানুহ অৱতৰণ কৰাৰ আঁচনি নাছিল, কিন্তু আমেৰিকাই এই ক্ষেত্ৰত ১৯৬৯ৰ ২০ জুলাইত এপল-১১ৰ যোগেদি দুজন মহাকাশ যাত্ৰীক অৱতৰণ কৰাই চন্দ্ৰত প্ৰথম খোজ পেলায়। এইদৰে দুয়ো দেশৰ মাজত মহাকাশ অভিযানতো শীতল যুদ্ধ চলি আছিল। ৰাছিয়াই মানৱ অৱতৰণৰ পৰিৱৰ্তে মহাকাশ কত ষ্টেছন বহুওৱাত মনোনিৱেশ কৰিলে।

এই মিউজিয়ামটোত আছে মহাকাশ অভিযানৰ বুৰঞ্জী, জ্যোতিৰ্বিজ্ঞান, মহাকাশ উদ্‌ঘাটনকাৰী আৰু মহাকাশ প্ৰযুক্তিৰ চলন্ত মডেল, মহাকাশ অভিযানত পিন্ধা সাজ-পাৰ, ইন্ধন, মহাকাশত ব্যৱহাৰ হোৱা কেপচুল (যুৰী গাগাৰিণে ব্যৱহাৰ কৰা), চন্দ্ৰত ঘূৰি ফুৰিবলৈ চলোৱা Lunorover আদি সকলো খৰচী মাৰি দেখুওৱা হৈছে।

আৰু এইজনী কোন? ইমান চিনাকি ৬০ দশকতেই দেখা, সকলো বাতৰি কাকত, আলোচনীত ঠাই লোৱা ফটোখন! কিয় পাহৰি গৈছো? লাইকা। সেই কুকুৰ পোৱালীজনীৰ ছবিখন তাহানিৰ 'ছোভিয়েট দেশ' আলোচনীখনত বিশদভাৱে দেখুওৱা হৈছিল। মস্কোৰ ৰাস্তাত ঘূৰি ফুৰা চাইবেৰিয়ান মূলৰ কুকুৰজনীৰ কথা বৈজ্ঞানিকে ভাবিলে যে ভোক আৰু ঠাণ্ডা অৱস্থাৰ কথা তাই ইতিমধ্যে জানে। সেয়ে তাইক তুলি আনি গঢ়াল এটাত পুষ্টিকৰ খাদ্যসহ প্ৰশিক্ষণ দি ৰখা হৈছিল। ভাৰশূন্য প্ৰভাৱ আদি কিদৰে হ'ব পাৰে এই স্পুটনিক-২ৰ পৰা বহু পৰিমাণে জনা গ'লহেঁতেন; কিন্তু দুৰ্ভাগ্যক্ৰমে স্পুটনিক-২ অৱতৰণৰ সময়ৰ কৌশল ভালকৈ কাৰ্যকৰী নহ'ল।

কি ধৰণৰ সাজ-পাৰ পিন্ধি যাত্ৰীসকল মহাকাশলৈ যায় তাক সম্পূৰ্ণকৈ প্ৰদৰ্শন কৰি দেখুৱাইছিল। যাত্ৰীকেইজন কেতিয়া ভাৰশূন্য হৈ পৰে, তেওঁলোকে কেনে আচৰণ কৰে, তাকো ভালকৈ বুজাই দিছিল। লগে লগে কিন্তু আমেৰিকাৰ লগত ৰিজনিটো আছেই। যুৰী গাগাৰিণৰ পৰা আৰম্ভ কৰি বৰ্তমানলৈকে যোৱা সকলো মহাকাশ যাত্ৰীসকলৰ ফটোসহ চমু জীৱনী দি তেওঁলোকে মিউজিয়ামটো সমৃদ্ধ কৰি ৰাখিছে। সকলো দেখুৱাওতে প্ৰায় চাৰি ঘন্টামান লৈছিল যদিও খৰচী মাৰি চাবলৈ এইকণ সময় পৰ্যাপ্ত নহয়।

এইবাৰ পালো কেতিয়াও নভবা এটা অভিজ্ঞতা। আগতেই কৈছো ৰাছিয়াই কেনেকৈ নিজৰ পৰাক্ৰমৰ কথা কৈ গৌৰৱ অনুভৱ কৰে। যি কাৰণেই নহওক, নেপোলিয়নে যে তেওঁলোকৰ লগত পিছ হুঁহকি গ'ল ইত্যাদি নানা কাৰণত তেওঁলোকে গৰ্ব কৰে। এই বীৰত্বৰ অনুভৱ ল'বলৈ তেওঁলোকে পৰ্যটকসকলক যুদ্ধৰ টেংকত উঠাবলৈ লৈ যায়। গাত সম্পূৰ্ণ মিলিটেৰীৰ সাজ পিন্ধি মই আৰু মোৰ পৰিবাৰ ওলালো। এটা জেকেট, লংপেন্ট আৰু হেলমেট, আগবাঢ়িলো সেই প্ৰবাদশীল বাহন এখন যুঁজাৰু টেংকৰ ওচৰলৈ। এটা গ্ৰুপত ছজনমান আৰোহী যাব পাৰে। এই যাত্ৰাত এজন শক্তিশালী পুৰুষেই হওক, গাম্ভীৰ্যপূৰ্ণ মহিলাই হওক বা সুন্দৰী ৰমণীয়েই হওক সকলো একে। সকলোৰে বুকু টিপিং টিপিং কৰিলে। বাৰেপতি সকীয়াই দিছিল— ভালকৈ ধৰি যাবলৈ। কাৰণ পথটো আছিল এঁকা-বেঁকা, ওখ-চাপৰ, বোকা-বালিৰে পূৰ্ণ, চাৰিওফালে ডাঠ হাবিৰে আবৃত। সঁচাৰ্থত এটা দুৰ্গম অঞ্চলত যেন সঁচাসচিঁকৈ যুদ্ধৰ টেংকখন শত্ৰুৰ ফাললৈ ধপলিয়াইছে। কেনেকৈ জানো সেই ২০ মিনিট সময় পাৰ হ'লো। হাত-ভৰিখন যদি কেনেবাকৈ পিছল খালোহেঁতেন গাৰ নিশ্চয় হাড়-মূৰ ভাঙিলহেঁতেন। আমাৰ গ্ৰুপৰ বহুলোক নগ'ল। শেষত জেনিবা শ্বাসৰুদ্ধ এই ২০ মিনিট সময় পাৰ কৰি বীৰদৰ্পে পুনৰ টেংকৰ পৰা নামিলো। তাৰ পাছত হাতত এ কে-৪৭ ৰাইফলেৰে আমাক শ্যুট কৰিবলৈ দিলে।

এইবাৰ সোমালো বিশ্ববিখ্যাত ৰাছিয়ান চাৰ্কাছ চাবলৈ। সাধাৰণতে চাৰ্কাছ সৰু ল'ৰা-ছোৱালীয়েহে চাই যেন লাগে; কিন্তু ৰাছিয়াৰ চাৰ্কাছ পৃথিৱী বিখ্যাত। ইয়াতো তেওঁলোকে সৰ্বশ্ৰেষ্ঠতা পাবলৈ অহৰহ চেষ্টা কৰি থাকে। বহুতো ৰাছিয়ান চাৰ্কাছ পাৰ্টি একেলগেই 'দ্য মস্কো চাৰ্কাছ' নাম লৈ আমেৰিকালৈ সংগবদ্ধ হৈ যাবলৈ ওলাল। এনে কাৰণতে তেওঁলোকে সাংস্কৃতিক আৰু গৌৰৱৰ এটা গুৰুত্বপূৰ্ণ দিশ দেখুওৱাৰ কেন্দ্ৰ হৈ পৰিল। ৰাছিয়ান চাৰ্কাছ পোহৰ আৰু ছাঁৰ লগতে আধুনিক সংগীতৰ পয়োভৰ। পূব ইউৰোপৰ সংস্কৃতিৰে তেওঁলোকৰ চাৰ্কাছ বৰ্ণনামূলক আৰু নাচৰ ভংগীৰে সকলো চাৰ্কাছ উপস্থাপন কৰে। তেওঁলোকৰ বহুৱাবিলাকৰ যদিও ভাষাটো বুজি নাপাওঁ, তথাপি অংগী-ভংগীত হাঁহিৰ নাড়ী ছিঙি যায়। হাতৰ কায়দা অৰ্থাৎ জাগলিঙত তেওঁলোকৰ তুলনা নাই। গোলাকাৰ ৰিং, বটল, টুপী আদিৰে হাত-ভৰি-মূৰ আদিৰ ইন্দ্ৰজালিক কায়দা চকুত লগা। তদুপৰি যেতিয়া ভালুকেও ভৰিৰে জাগলিং কৰা দেখুৱালে, তাক দেখি প্ৰশিক্ষকসকলক শলাগিছো। তদুপৰি এনেদৰে গধূলি চাৰ্কাছ চাই পুনৰ হোটেললৈ আহি দিনটোৰ বাবে জিৰণি ল'লো।

পিছদিনা গ'লো বিখ্যাত ক্ৰেমলিনলৈ। আমেৰিকাৰ যেনেকৈ হোৱাইট হাউছটো দেশৰ ৰাজনীতিকসকলৰ সমবেত কেন্দ্ৰস্থল, চৰকাৰী কৰ্মস্থান, তেনে ৰূপে ৰাছিয়াৰ কেন্দ্ৰ এই বিখ্যাত ঐতিহাসিক পুৰণি প্ৰসাদ ক্ৰেমলিন। ই এটা ৰাছিয়াৰ প্ৰতিৰক্ষাৰ ফালৰ পৰা সুদৃঢ়, সুৰক্ষিত চৌহদ, যি মস্কো নদী, চেন্ট বেচিল কেথেড্ৰেল, ৰেড স্কোৱেৰ, আলেকজেণ্ডাৰ কেথেড্ৰেলে ঘেৰি আছে। ইয়াত পাঁচোটা বিভিন্ন ৰাজপ্ৰসাদ, চাৰিটা কেথেড্ৰেল, ক্ৰেমলিন টাৱাৰ আৰু প্ৰাচীৰ সদৃশ দেৱাল আছে। তাৰ মাজতেই আছে গ্ৰেট ক্ৰেমলিন প্ৰসাদ যিটো মস্কোৰ জাৰবিলাকৰ বাসস্থান হিচাপে ব্যৱহাৰ হৈছিল। বৰ্তমান ই ৰাছিয়াৰ প্ৰেছিডেন্টৰ চৰকাৰী বাসস্থান আৰু দিনৌ প্ৰায় দুই লাখতকৈ অধিক পৰ্যটক ইয়ালৈ আহে। ১৪শ শতিকাতেই ইয়াৰ নিৰ্মাণ কাৰ্য আৰম্ভ হৈছিল আৰু বিভিন্ন ৰজাই নিজৰ মনৰ মতনকৈ বিভিন্ন ৰূপত সজাই-পৰাই লৈছিল; কিন্তু তাৰ আগতেও ১১৫৬ত ইয়াৰ নিৰ্মাণ কৰিছিল; কিন্তু ১২৩৭ত মংগোলবিলাকে ইয়াক ধ্বংস কৰি পুনৰ অ'ক কাঠেৰে ১৩৩৯ত নিৰ্মাণ কৰে। সেইসকলৰ ৰজাই ১৩৬৬-৬৪ লৈকে লাইমষ্টনেৰে পুনৰ নিৰ্মাণ কৰিছিল। ইয়াৰ বাবে বেলেগ বেলেগ ৰজাই ইউৰোপৰ পৰা বিশেষজ্ঞ আনিছিল। অকল নিৰ্মাণৰ বাবেই নহয়, তাৰ আভ্যন্তৰীণ কাৰু-কাৰ্য, বিভিন্ন ৰঙৰ সমাহাৰ, বিখ্যাত চিত্ৰকলাৰ চিত্ৰকাৰৰ হতুৱাই কৰাইছিল। কোন ৰজাই কি ধৰণে কাৰ হতুৱাই এই ক্ৰেমলিন নিৰ্মাণ কৰিছিল তাৰ বিশদ বিৱৰণ ইয়াত খোদিত কৰি থৈছে। যিয়ে যি নহওক, বৰ্তমান ক্ৰেমলিনত পুৰণি ঐতিহ্য আৰু আধুনিকতাৰ সংমিশ্ৰণ হৈ আছে।

প্ৰথমেই গৈ পায়েই যি চকুত পৰিছিল সেই দুটা হ'ল এটা প্ৰকাণ্ড ঘন্টা আৰু আনটো বিশাল আকাৰৰ বৰটোপ। আগতেই কৈছো ৰাছিয়াত যি প্ৰস্তুত কৰে, যি আনৰ পৰা পৃথক হ'বই। সেয়ে এই প্ৰকাশ ঘন্টাটোও তেনে বিধৰ। এই ঘন্টাটো চাই আহি ওচৰৰ সতীৰ্থজনক ক'লো, ঘন্টাটো বনোৱা জাৰজন বেচ দূৰদৰ্শী আছিল। সতীৰ্থজনে কিয় ক'লে বুলি সুধিলত ক'লো ১৪ শতিকাৰ জাৰ জনে ভাবিছিল যে কুৰি বা একবিংশ শতিকাত যেতিয়া এই ঘন্টা চাবলৈ অজস্ৰ পৰ্যটক আহিব, তেতিয়া ৰাছিয়াৰ পৰ্যটন বিভাগৰ পৰা আয় বহু বৃদ্ধি হ'ব। সতীৰ্থজনে কথাটোত ৰস পাই ঢেক্ ঢেক্াই হাঁহি দিলে।

মস্কো এৰাৰ আগতে আমাক দেখুৱাইছিল মেট্ৰো ৰাইড। মস্কোৰ মেট্ৰো (পাতাল ৰেল) পৃথিৱীৰ ভিতৰতে জনবহুল। সপ্তাহটোত প্ৰায় সাত মিলিয়ন যাত্ৰীয়ে অহা-যোৱা কৰে। ইয়াত ১৪টা লাইন, ২১২টা ষ্টেছন আছে আৰু আছে ৪৪টা সাংস্কৃতিক স্মৃতিস্তম্ভ। এনে বিশাল আন্তঃগাঁথনি কেনেকৈ হ'ল? ৰাছিয়াৰ মস্কোত মেট্ৰোৰেই হ'ল প্ৰধান চৰকাৰী যাতায়াত।

ৰজা-মহাৰজাবিলাকৰ সময়ত ই আৰম্ভ হৈছিল, কিন্তু ১৯৩১ত ষ্টেলিনেহে নতুন ৰূপ দিলে। যদিও ইয়াক সম্পূৰ্ণ থলুৱা লোকসকলে নিৰ্মাণ কৰিছে, তথাপি বিশেষজ্ঞ বিদেশৰ পৰা আনিছিল। দ্বিতীয় মহাসমৰৰ সময়ত ইয়াৰ নিৰ্মাণ কাৰ্যত বাধাগ্ৰস্ত হৈছিল আৰু ইয়াত বিমান আক্ৰমণত ক্ষতিগ্ৰস্ত হোৱা লোকৰ আশ্ৰয় হিচাপে ব্যৱহাৰ হৈছিল। মহাযুদ্ধৰ পাছত ষ্টেলিনে ঘূৰণীয়া লাইন বহুৱালে। বৰ্তমানে মেট্ৰ'লাইন প্ৰতিবছৰে বঢ়াই গৈ আছে। ২০১৬ত দ্বিতীয়টো লাইন বহুৱাবলৈ সক্ষম হয়।

এইদৰে লাহে লাহে মস্কো এৰিবৰ হ'ল। তেনেতে গ্লেবে ক'লে আপোনালোকে সোঁফালেও যাব পাৰে, বাওঁফালেও যাব পাৰে— বাছি লোৱা কাৰ্য আপোনালোকৰ ওপৰত। দুয়োফালে গ'লেই বাছখন পাব আৰু তাৰ পৰা বস্তু-বাহানি লৈ সৌ ৰেলৰ কাউন্টাৰত গৈ চেন্ট পিটাৰ্ছবাৰ্গৰ ৰেলখন পাব। ৰেল ৰৈ আছে। 'আপুনি কিয় আমাক কোনফালে যাব লাগিব বাছি ল'লৈ কৈছে। কোনফালে গ'লে ভাল, আমিটো নাজানো।' তেওঁ হাঁহি হাঁহি ক'লে, 'মই দেখা পালো আপোনালোকৰ মাজত বহুতো বয়স্ক আছে, যি মেট্ৰো চাই খোজ কাঢ়ি কাঢ়ি ভাগৰত আছে। সেয়ে চমু বাটটোও দেখুৱাইছো, দীঘলটোও দেখুৱাইছো। দীঘলটোৱেদি গ'লে কিছু চিত্ৰকলা দেখি যাব।' মস্কো এৰাৰ আগমুহূৰ্ততো তেওঁ আমাৰ ওপৰত যত্ন লোৱা বাবে বেচ মৰম আৰু শ্ৰদ্ধা ওপজিল। যাবৰ সময়ত তেওঁক বহু ধন্যবাদ দি আগতেই গোটাই থোৱা টিপছ্, দি তেওঁৰ পৰা বিদায় ল'লো। চেন্ট পিটাৰ্ছবাৰ্গলৈ বুলেট ট্ৰেইনত আৰোহণ কৰিলো।

এই বুলেট ট্ৰেইনত গৈ থকা অভিজ্ঞতাও আছিল সম্পূৰ্ণ বেলেগ। প্ৰতিঘন্টাত ২৫০ কিঃ মিঃ বেগেৰে চাৰে তিনিঘন্টাত প্ৰায় আঠশ কিঃ কিঃ দূৰত্ব অতিক্ৰম কৰি গ'ল আধুনিক প্ৰাণচঞ্চলা বুলেট ছাপছন ট্ৰেইনখনে। ছাপছন নামটো দ্ৰুতগতিৰে উৰিব পৰা এবিধ চৰাই নামেৰে দিয়া হৈছে। ট্ৰেইনৰ ভিতৰত মাজে মাজে গৰম কফি দি যায়। আমি গৈ পাওঁতে ৰাতি আঠমান বাজিছিল। সেই ঠাইত হৈছিল মুনিচুনি বেলা। সেই সৌন্দৰ্যতাও উপলব্ধি কৰি গৈ আছো। সেইদিন আছিল ২২ জুলাই। আগতেই কৈছো, ঠাইখন চাই কেনে লাগে, সেইখিনি বহু নিৰ্ভৰ কৰে গাইডজনৰ ওপৰত। মস্কোৰ গাইড গ্লেব আছিল গহীন-গম্ভীৰ জনা-বুজা, মহাকাশ বিজ্ঞানৰ পৰা আৰম্ভ কৰি মস্কোত থকা শিল্প-কলা-ভাস্কৰ্যৰ সকলো বিষয়তে জ্ঞান থকা লোক। চেন্ট পিটাৰ্ছবাৰ্গ ষ্টেছনত নামি দেখো প্লেকাৰ্ড লৈ হাঁহি মুখৰ, সুঠাম দেহৰ গাইড লিয়ানা ৰৈ আছে। উচ্চতাত পাঁচ ফুট চাৰি ইঞ্চি মানৰ ২২-২৩ বছৰীয়া লিয়ানাক দেখিয়েই মনটো ভাল লাগি গ'ল। ভাবিলো চেন্ট পিটাৰ্ছবাৰ্গখন চাই ভালেই লাগিব। তাই আমাক সেইদিনা হোটেলখনলৈ লৈ গৈছিল। বাছত গৈ থাকোতে সময় হৈছিল নিশা প্ৰায় ৯-৩০। বাছত উঠি হাতত স্পীকাৰটো লৈ লিয়ানাই অনৰ্গল চহৰখনৰ বৰ্ণনা দি গৈ আছে। তাই কৈছে, 'মোৰ কামেই আপোনালোকক কৈ থকা। শুনি শুনি ভাগৰ লাগিলে ক'ব, মোৰ কিন্তু ভাগৰ নালাগে, চেন্ট পিটাৰ্ছবাগখন আপোনালোকক দেখুৱাবলৈ পাই মই সুখী।' চেন্ট পিটাৰ্ছবাৰ্গ (চে পি) নগৰখনৰ ৰাতিটো বগা, উজ্জ্বল অৰ্থাৎ ইয়াত ৰাতিও প্ৰাকৃতিকভাৱে পোহৰ হৈ থাকে। নিশা মানুহৰ ভিৰ কম যদিও ল'ৰা-ছোৱালী, ডেকা-বুঢ়া যাৰ যি দৰকাৰ ৰাতিও একো সংকোচ নোহোৱাকৈ চলা-ফুৰা কৰি আছে। দেখা পালো আলেকজেণ্ডাৰ লেভ্স্কি, মনেষ্ট্ৰী আদি বহুতো চাই হোটেলত বিশ্ৰাম ল'লো।

পুৱা হোটেলৰ লাউঞ্জত পুৱাৰ আহাৰ খাই ৰৈছো। মনটো ঠাই চাওঁ চাওঁ লাগি আছে। তেনেতে লিয়ানাই মিচিকি হাঁহি মাৰি সম্ভাষণ জনালে। তাইৰ সান্নিধ্যত মনটো বেচ ভাল লাগি গ'ল।

পুৱা গ'লো হাৰমিটেজ মিউজিয়ামলৈ। ইয়াত আছে বিশ্বৰ বিখ্যাত কলা আৰু সংস্কৃতিৰ নিদৰ্শন। ই পৃথিৱীৰ ভিতৰত দ্বিতীয় বৃহৎ মিউজিয়াম। ১৭৭৪তেই ৰাণী কেঠাৰীণে বাৰ্লিনৰ এন্থন সদাগৰৰ পৰা বহুতো আপুৰুগীয়া চিত্ৰ সংগ্ৰহ কৰি আনিছিল, তাৰ পৰাই আৰম্ভ হ'ল আৰু প্ৰতি বছৰৰ ডিচেম্বৰত এই মিউজিয়ামৰ বাৰ্ষিক উৎসৱ পালন কৰে। এই মিউজিয়ামত ছটা বিল্ডিং আছে। এইবোৰ জনসাধাৰণৰ বাবে খোলা থাকে। ইয়াৰে কিছুমান আগৰ ৰজাৰ ৰাজপ্ৰসাদ হিচাপে ব্যৱহাৰ কৰিছিল। মাৰ্বল আৰু গ্ৰেণাইটেৰে সজোৱা প্ৰতিটো খুঁটাও বিভিন্ন কাৰু-কাৰ্যৰে সজ্জিত। ব্ৰঞ্জৰ প্ৰতিমূৰ্তি, প্ৰতিটো কোঠাতে বিশাল শ্বেনডিলীয়াৰ অৰ্থাৎ লাইটেৰে সুশোভিত ছিলিঙত ওলমি থকা এটা পোহৰৰ গুচ্ছ। ইজিপ্ত, গ্ৰীচৰ মাটিৰ বাচন-বৰ্তন, আ-অলংকাৰ, গহনা, খোদিত বাখৰ, কে'বাটাও তৰফৰ পাথৰৰ তৈয়াৰ কৰা নক্সা, ৰোমান মাৰ্বল আদি বহুতো চালে চকু ৰোৱা সংগ্ৰহ আছে।

তাৰ পাছতেই গ'লো বিখ্যাত পিটাৰ আৰু পল দুৰ্গ চাবলৈ। এই দুৰ্গটো কোনো আত্মৰক্ষাৰ বাবে নিৰ্মাণ কৰা হোৱা নাছিল। বৰঞ্চ চেন্ট পিটাৰৰ প্ৰতি সমীহ সদ-ভক্তি আৰু অনুপ্ৰেৰণাৰ প্ৰকল্প আছিল। চেন্ট পিটাৰে নেভা নৈৰ বদ্বীপৰ আৰ্দ্ৰভূমিত প্ৰভুত্বশীল-সাম্যবাদৰ চিনাকি হিচাপে নিৰ্মাণ হৈছিল। চালে চকু ৰোৱা ব্ৰঞ্জৰ প্ৰতিমূৰ্তি, বিভিন্ন আকৃতিৰ চীনামাটিৰে তৈয়াৰী বিতোপন প্ৰদৰ্শিত সামগ্ৰী। দেৱাল, ঘৰৰ চাল, খুঁটাবোৰৰ বিভিন্ন ৰং, প্ৰতিমূৰ্তি, শ্বেন্‌ডিলীয়া, পোহৰেৰে আলোকিত কৰি ৰাখিছে। তাৰ পাছতেই আছে ৰাছিয়াৰ ভিতৰত সৰ্ববৃহৎ কেথেড্ৰেল— চেন্ট আইজাক কেথেড্ৰেলটো চালো, তাতো সেই একে ধৰণৰ কাৰু-কাৰ্য।

বজাৰ কৰিবৰ বাবে এদিন কে'বা ঘন্টা সময় ফ্ৰী দিছিল। এখন ডাঙৰ মলৰ সন্মুখত আমাক এৰি দিলে। বহুতে বজাৰ কৰিছে। আমিও দুই-এপদ স্মৃতিৰ চিনস্বৰূপে, আনক উপহাৰ হিচাপে দিবলৈ বস্তু কিনিলো।

শেষৰ সূচীটো পাহৰিব নোৱৰা বিধৰ। পিটাৰহফলৈ নিছিল। তাতেই যৱেৰ জাৰৰ আগৰ বাসস্থান। ইয়াত Grand Palace চালো, য'ত ভিতৰৰ কাৰু-কাৰ্য মন্ত্ৰমুগ্ধ হোৱা বিধৰ। ৰাছিয়াৰ ৰজাসকল বেচ বিলাসী আছিল। প্ৰায় এশটামান চিৰিয়েদি তললৈ গৈ পোৱা যায় চালে চকু ৰোৱা চোতালখন। বহল চোতাল সদৃশ বাগিচাখনত যি ফোঁৱাৰাৰ মেজিক আছে, সি চাবলগীয়া। কে'বা খলপীয়া ফোঁৱাৰাবিলাক বিভিন্ন আকৃতিৰ ওপৰৰ পৰা তললৈ সজোৱা। এটাৰ পানীৰ চাপত আনটোলৈ পানী নিজে নিজে গৈ থাকে। তাৰ কাষে কাষে ব্ৰঞ্জৰ মূতি, বিভিন্ন প্ৰজাতিৰ ফুল, আৰহ সংগীত, ৰাতি/গধূলি বিভিন্ন ৰঙৰ পোহৰৰ ব্যৱস্থা। কি যে মনোৰম!

মস্কো আৰু চেন্ট পিটাৰ্ছবাৰ্গ ভ্ৰমণৰ অন্তত ভাবিবলৈ বাধ্য হৈছো, এনে এখন বিশাল দেশ এসপ্তাহ ভ্ৰমণ কৰি কোনো মন্তব্য দিয়া উচিত নহয়। এইখন দেশ টলষ্টয়ৰ দেশ, মেক্সিম গৰ্কীৰ দেশ। আনহাতে, লেনিন, ষ্টেলিন, বলশ্বেভিকৰ দেশ।

ফোন ঃ ৯৪৩৫৩৫৭৭৪৭



**ৰাছিয়াৰ মস্কোত মেট্ৰোৰেই হ'ল প্ৰধান চৰকাৰী যাতায়াত। ৰজা-মহাৰজাবিলাকৰ সময়ত ই আৰম্ভ হৈছিল, কিন্তু ১৯৩১ত ষ্টেলিনেহে নতুন ৰূপ দিলে। যদিও ইয়াক সম্পূৰ্ণ থলুৱা লোকসকলে নিৰ্মাণ কৰিছে, তথাপি বিশেষজ্ঞ বিদেশৰ পৰা আনিছিল। দ্বিতীয় মহাসমৰৰ সময়ত ইয়াৰ নিৰ্মাণ কাৰ্যত বাধাগ্ৰস্ত হৈছিল আৰু ইয়াত বিমান আক্ৰমণত ক্ষতিগ্ৰস্ত হোৱা লোকৰ আশ্ৰয় হিচাপে ব্যৱহাৰ হৈছিল। মহাযুদ্ধৰ পাছত ষ্টেলিনে ঘূৰণীয়া লাইন বহুৱালে। বৰ্তমানে মেট্ৰ'লাইন প্ৰতিবছৰে বঢ়াই গৈ আছে। ২০১৬ত দ্বিতীয়টো লাইন বহুৱাবলৈ সক্ষম হয়।**

---

## কটন গৌৰৱ নে অসম গৌৰৱ?

## সাহিত্যাচাৰ্য কটনিয়ান

# অতুল চন্দ্ৰ হাজৰিকা

ড° অৰূপ কুমাৰ হাজৰিকা



**অসমৰ** সাহিত্য জগতত এখন বিশিষ্ট স্থান অধিকাৰ কৰা সৰ্বজন শ্ৰদ্ধেয় ব্যক্তি আছিল অতুল চন্দ্ৰ হাজৰিকা।

সাহিত্য আচাৰ্য অতুল চন্দ্ৰ হাজৰিকাৰ জন্ম হৈছিল গুৱাহাটীৰ উজানবজাৰত ১৯০৩ৰ ন ছেপ্টেম্বৰত। তেওঁৰ পিতৃ আছিল নগাঁৱৰ উৰিয়াগাঁৱৰ ৰমাকান্ত হাজৰিকা আৰু মাতৃ নিৰুপমা হাজৰিকা। অসমীয়া সাহিত্যলৈ কাব্য, নাটক, প্ৰবন্ধ, সাধু আদিৰে বিভিন্ন অবদান যাউতিযুগীয়া স্বাক্ষৰ ৰাখি থৈ যোৱা সাহিত্যিকসকলৰ ভিতৰত নিঃসন্দেহে হাজৰিকাৰ স্থান সবাৰো ওপৰত। লেখকৰ জোখেৰে তেওঁ বহু সংখ্যক পুথি ৰচনা আৰু সম্পাদনা কৰিছিল। অসমীয়া ভাষাত সৰ্বাধিক সংখ্যাত গ্ৰন্থ ৰচনা কৰা আৰু অসম সাহিত্য সভাৰ দ্বাৰা সাহিত্যাচাৰ্য লাভ কৰা তেৱেঁই প্ৰথম অসমীয়া সাহিত্যিক।



গুৱাহাটী মাণিক চন্দ্ৰ মধ্য ইংৰাজী স্কুল আৰু কটন কলেজিয়েট স্কুলত পঢ়ি ১৯২৩ত প্ৰৱেশিকা পৰীক্ষা পাছ কৰে। কটন কলেজৰ পৰা ১৯২৫ত আই এছ চি আৰু ১৯২৮ত বি এ পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯৩৫ত আৰ্ল ল কলেজৰ পৰা বি এল, ১৯৪১ত শ্বিলঙৰ ছেন্ট এডমাণ্টছ কলেজৰ পৰা বিটি আৰু ১৯৪৩ত প্ৰাইভেট পৰীক্ষাৰ্থীৰূপে কলিকতা বিশ্ববিদ্যালয়ৰ পৰা অসমীয়াত এম এ উপাধি লয়। বি এ পাছ কৰি উঠি গুৱাহাটী, বৰপেটা, নগাঁও, ডিব্ৰুগড় আদি ঠাইত কিছুকাল শিক্ষক আৰু স্কুল ইন্সপেক্টৰ ৰূপে কাম কৰি ১৯৪৫ত কটন কলেজত অসমীয়া অধ্যাপকৰূপে অৱসৰ লয়। ১৯৫৪ত গুৱাহাটী বিশ্ববিদ্যালয় বিটি শ্ৰেণীৰো অধ্যাপক আছিল।

১৯৩৪ৰ ১২ ডিচেম্বৰত হাজৰিকাই 'অভিমন্যু বধ' কাব্যৰ ৰচক নলবাৰীৰ ৰমাকান্ত চৌধুৰীৰ নাতিনীয়েক সাবিত্ৰী চৌধুৰীক বিয়া কৰায়। ১৯৮৬ৰ সাত জুনলৈকে সাবিত্ৰী হাজৰিকাৰ লগত সুখে-সন্তোষে দিন কটায় এগৰাকী জীয়াৰী আৰু নাতি-নাতিনীহঁতক এৰি স্বৰ্গধামলৈ গতি কৰে।

জীয়াই থকা কালছোৱাত হাজৰিকাই বিভিন্ন সাহিত্যিক, সামাজিক, সাংস্কৃতিক কামৰ লগত জড়িত আছিল। ১৯৫৩ৰ পৰা তেওঁ ১৯৫৬লৈ অসম সাহিত্য সভাৰ সম্পাদক পদত অধিষ্ঠিত আছিল। ১৯৫৯ত তেওঁ অসম সাহিত্য সভাৰ নগাঁও অধিৱেশনৰ সভাপতি নিৰ্বাচিত হৈ অমূল্য অভিভাষণেৰে অসমীয়া ৰাইজক আপ্যায়িত কৰিছিল। ১৯৬৯ত তেওঁক গ্ৰন্থ 'মঞ্চলেখা'ৰ বাবে সাহিত্য একাডেমীৰ পৰা পুৰস্কৃত কৰা হৈছিল। ১৯৭১ত ভাৰত চৰকাৰে তেওঁক পদ্মশ্ৰী সন্মানেৰে সন্মানিত কৰে। অসম সাহিত্য সভাই ১৯৮২ত তেওঁক 'সাহিত্যাচাৰ্য আখ্যাৰে আখ্যায়িত কৰে।

পোনতে হাজৰিকাই ১৯৩৪ত গুৱাহাটীৰ পৰা অমিয় কুমাৰ দাসৰ সম্পাদনাত ওলোৱা বাঁহী 'চিত্ৰদাস' ছদ্ম নামেৰে কবিতা লিখিবলৈ লৈছিল। পুথি আকাৰে প্ৰকাশ হৈ ওলোৱা তেওঁৰ কবিতাৰ সংকলনকেইখন হ'ল—পঞ্চজন্য, দীপালী, কৌমুদী, মণিমালা, মুকুতামালা, মাণিকী মাধুৰী, ৰুণুক-জুনুক, তপোবন, ৰণহুংকাৰ ৰক্তজবা, গান্ধী-মালিকা, সাহিত্য তীৰ্থ, ৰাংঢালী, মণিকূট, ফেঁহুজালি, অপৰাজিতা, ঐকতান, শৰতৰ সুৰ শতাব্দীৰ অৰ্ঘ্য, গগনাৰ সুৰ, মুক্তি গায়ত্ৰী, সুন্দৰৰ আৰাধনা ঝংকাৰ, জয়তু জননী, কাহুদী, প্ৰকৃতিৰ সুৰ, প্ৰেম পাৰিজাত সন্ধ্যা আৰতি, দূৰৰ পোহৰ পঞ্চশৰ আদি তেওঁৰ কবিতাৰ প্ৰসংগত ড° সত্যেন্দ্ৰ নাথ শৰ্মাই এই মন্তব্য দিছিল। কবি হিচাপে হাজৰিকা সূক্ষ্ম অন্তঃস্পৰ্শী কল্পনা অধিকাৰী নহয়। তেওঁৰ বৰ্ণনা প্ৰতিভা আছে কিন্তু গভীৰ জীৱন জিজ্ঞাসা, অন্তৰ সঞ্চাৰী, কল্পচিত্ৰ আৰু অভিনৱ আলোক সম্পত্তি দৃষ্টিৰ বিশেষ পৰিচয় পোৱা নাযায়। কিন্তু জীৱনৰ সৰু ঘটনা, অৱজ্ঞাতক প্ৰকৃতিৰ শোভা দৃশ্য আৰু পৰিস্থিতিক তেওঁ বহুতো কবিতাত সবল বৰ্ণনাৰে আকৰ্ষণীয় কৰি তুলিছে। স্বদেশপ্ৰেম মাতৃভূমি আৰু একনিষ্ঠ ভক্তি তেওঁৰ কবিতাৰ বৈশিষ্ট্য।

কবিতাতকৈয়ে হাজৰিকা নাট্যকাৰ হিচাপেহে বেছি খ্যাত। তেওঁ লিখা প্ৰথমখন নাটক আছিল 'শুক্লধ্বজ'। ইয়াৰ উপৰি মাতৃ মংগল, বেউলা কনৌজ কুঁৱৰী, নন্দ দুলাল, কুৰুক্ষেত্ৰ, শ্ৰীৰামচন্দ্ৰ, সাবিত্ৰী, নৰকাসুৰ, মৰ্জিয়ানা, কল্যাণী, শকুন্তলা, বণিজ কোঁৱৰ, ছত্ৰপতি শিৱাজী নৰকাসুৰ, কুণ্ডিল কুঁৱৰী, আহুতি, নিৰ্যাতিতা (সীতা), ছেৰচাহ পাণিপথ আদি তেওঁৰ ৰচিত উল্লেখযোগ্য নাটক। উক্ত নাটকবোৰৰ ভিতৰত পৌৰাণিক, বুৰঞ্জীমূলক অনুবাদ আৰু বিবিধ বিষয়লৈ লিখা নাটক দেখিবলৈ পোৱা যায়। শিশুৰ বাবেও হাজৰিকাই এসময়ত কে'বাখনো পাঠ্যপুথি ৰচনা কৰিছিল।

তেওঁৰ গহীন কথা সাহিত্যৰ ভিতৰত 'আনন্দমঠ' ভাষণিকা, মঞ্চলেখা, স্মৃতিৰ পাপৰি, স্মৃতিলেখা, মলিকা আদি উল্লেখযোগ্য।

সাহিত্য ৰচনাৰ ক্ষেত্ৰত তেওঁ নিজে কোৱা মতে, তেওঁৰ ওপৰত ৰবীন্দ্ৰনাথ ঠাকুৰৰ পৰোক্ষ প্ৰভাৱ পৰাৰ উপৰি আনন্দ চন্দ্ৰ আগৰৱালা। ৰঘুনাথ চৌধাৰী, আহমদ হাজৰিকাৰ প্ৰভাৱো পৰিছে। মৃত্যুৰ আগমুহূৰ্তলৈকে কলম চলাই যোৱা এইগৰাকী সাহিত্যিক অসম সাহিত্য সভাৰ স'তে অতি ঘনিষ্ঠভাৱে জড়িত আছিল। তিনিবাৰলৈ ইয়াৰ সাধাৰণ সম্পাদক নিৰ্বাচিত হৈছিল। ১৯৬৯ত অসমীয়া নাট্য জগতৰ বৃহৎ বুৰঞ্জী মঞ্চলেখা গ্ৰন্থৰ বাবে সাহিত্য একাডেমীৰ পুৰস্কাৰ পায়। ভাৰত চৰকাৰে পদ্মশ্ৰী উপাধি প্ৰদান কৰিছিল আজীৱন সাহিত্য কৃতিৰ বাবে ১৯৮২ত অসম সাহিত্য সভাই পোন প্ৰথমবাৰৰ বাবে সূচনা কৰা সাহিত্যাচাৰ্য উপাধিৰে বিভূষিত হৈছিল। এইজনা মহান ব্যক্তিৰ মৃত্যু হয় ৮০ বছৰ বয়সত। *ফোন ঃ ৯৮৬৪০৪৪৪৫৩*



## হৃদৰোগত মৃত্যু টিভি অভিনেতা জাগনুৰ আনেজাৰ

**নিউজ ব্যুৰ' মুম্বাই, ২৪ ছেপ্টেম্বৰ ঃ** মাত্ৰ ৪০ বছৰ বয়সতে হৃদৰোগত আক্ৰান্ত হৈ শেষ নিশ্বাস ত্যাগ কৰিলে টেলিভিছনৰ জনপ্ৰিয় অভিনেতা জাগনুৰ আনেজাই। অলপতে অভিনেতাজনে ভ্ৰমণাৰ্থে ইজিপ্তলৈ গৈছিল আৰু তাতে হঠাতে হৃদৰোগত আক্ৰান্ত হৈ মৃত্যুবৰণ কৰিলে জাগনুৱে। 'এম টিভি লভ স্কুল' অনুষ্ঠানত অংশগ্ৰহণৰ জৰিয়তে জাগনুৱে অভিনেতা হিচাপে আত্মপ্ৰকাশ কৰিছিল আৰু পৰৱৰ্তী সময়ত টিভিৰ জনপ্ৰিয় অভিনেতা হিচাপে পৰিচিত হৈছিল।

## 'বিগ বছ'ৰ ১৪ সপ্তাহত ৩৫০ কোটি টকাৰ পাৰিশ্ৰমিক গ্ৰহণ ছলমানৰ



**নিউজ ব্যুৰ', মুম্বাই, ২৪ ছেপ্টেম্বৰ ঃ** আৰু মাত্ৰ কেইদিনমানৰ অপেক্ষা। অহা দুই অক্টোবৰৰ পৰা টেলিভিছনত প্ৰদৰ্শন আৰম্ভ হ'ব 'বিগ বছ-১৫'ৰ। ইতিমধ্যে 'বিগ বছ'ৰ এই নতুন খণ্ডৰ প্ৰতিযোগীৰ নাম চূড়ান্ত কৰা হৈছে। আনবাৰৰ দৰে এইবাৰো 'বিগ বছ'ৰ ভূমিকাত অৱতীৰ্ণ হ'ব বলিউডৰ মহাতাৰকা অভিনেতা ছলমান খান। প্ৰকাশিত বাতৰি অনুসৰি, 'বিগ বছ-১৫'ৰ বাবে ছলমানে নিজৰ পাৰিশ্ৰমিক যথেষ্ট বৃদ্ধি কৰিছে। ১৪ সপ্তাহৰ ৰিয়েলিটী শ্ব'ৰ বাবে অভিনেতাজনে গ্ৰহণ কৰিছে ৩৫০ কোটি টকাৰ পাৰিশ্ৰমিক। ছলমানে ইমান অধিক পৰিমাণৰ পাৰিশ্ৰমিক গ্ৰহণ কৰাৰ সন্দৰ্ভত সাংবাদিকে প্ৰশ্ন কৰাত জনপ্ৰিয় অভিনেতাজনে কৌশলপূৰ্ণ উত্তৰ দি কয়, 'মই সদায়ে 'বিগ বছ'ৰ নিৰ্মাতাক কৈ আহিছো যে মই ইমান পৰিশ্ৰম কৰো, সেয়েহে মোৰ পাৰিশ্ৰমিক বৃদ্ধি কৰা উচিত। কিন্তু কোনেও মোৰ কথা নুশুনে। ভগৱানৰ ওচৰত মই প্ৰাৰ্থনা কৰিছো যাতে এনে এটা দিন আহে, যিদিনা চেনেলে মোক ক'ব যে তোমাৰ পাৰিশ্ৰমিক বঢ়াই দিয়া হ'ল। তেতিয়া মই ক'ম যে, নাই নাই দৰকাৰ নাই। আপোনালোকে কি ভাবে, এনে এটা দিন আহিব?'

## আমেৰিকাত ছমাহ পূৰ্বে টিকাকৰণ কৰা ব্যক্তিয়ে লাভ কৰিব তৃতীয় পালি



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ২৪ ছেপ্টেম্বৰ ঃ** বিশ্বজুৰি কৰ'না প্ৰতিৰোধী বুষ্টাৰ প্ৰতিষেধক প্ৰদানক লৈ বিতৰ্ক অব্যাহত থকাৰ সময়তে আমেৰিকাত চৰকাৰে নাগৰিকক প্ৰতিষেধকৰ তৃতীয় পালি প্ৰদানৰ বাবে অনুমতি দিলে। প্ৰকাশিত বাতৰি অনুসৰি, দেশখনত ৬৫ বছৰ ঊৰ্ধ্বৰ বয়সৰ আৰু চিকিৎসালয়ত নিয়োজিত ৫৪-৬৫ বছৰ বয়সৰ লোকসকলক কৰ'নাৰ তৃতীয় পালি বুষ্টাৰ প্ৰতিষেধক প্ৰদান কৰা হ'ব। আমেৰিকাৰ ফুড এণ্ড ড্ৰাগ বিভাগে ইয়াৰ বাবে অনুমতি প্ৰদান কৰিছে। সম্পূৰ্ণ টিকাকৰণ কৰোৱাৰ ছমাহ পাছত দেশখনৰ নাগৰিকসকলে কৰ'নাৰ বুষ্টাৰ প্ৰতিষেধক লাভ কৰিব।

## মাৰণ ক্ষমতা হেৰুৱাইছে কৰ'নাই ঃ দাবী অক্সফ'ৰ্ডৰ গৱেষকৰ



**নিউজ ব্যুৰ', লণ্ডন, ২৪ ছেপ্টেম্বৰ ঃ** জিনগত পৰিব্যক্তিৰ কাৰণত কৰ'না ভাইৰাছ ক্ৰমশঃ দুৰ্বল হ'বলৈ ধৰিছে। মাৰণ ক্ষমতা হেৰুৱাইছে এই ঘাতক ভাইৰাছে। এই দাবী কৰিলে প্ৰতিষেধক প্ৰস্তুতকাৰক প্ৰতিষ্ঠান অক্সফ'ৰ্ড-এষ্ট্ৰাজেনেকাৰ গৱেষক ডেম ছাৰা গিলবাৰ্টে। গৱেষকজনৰ দাবী অনুসৰি, কৰ'না ভাইৰাছৰ নতুন প্ৰজাতিসমূহ প্ৰাণঘাটি হোৱাৰ সম্ভাৱনা যথেষ্ট সীমিত। আগন্তুক দিনটো কৰ'না ভাইৰাছ দুৰ্বল হোৱাৰ প্ৰৱণতা অব্যাহত থাকিব বুলি দাবী কৰিলে গিলবাৰ্টে। ব্ৰিটেইনৰ পৰা প্ৰকাশিত এখন সংবাদপত্ৰৰ সাক্ষাৎকাৰত জেনাৰ ইনষ্টিটিউটৰ মুৰব্বী গিলবাৰ্টে কয়, 'শেষ পৰ্যন্ত ই সাধাৰণ জ্বৰৰ ভাইৰাছৰ পৰ্যায়লৈ অৱনমিত হ'ব। জিনৰ পৰিব্যক্তিৰ কাৰণত ভৱিষ্যতে অধিক প্ৰাণঘাতী কৰ'না ভাইৰাছ সৃষ্টিৰ সম্ভাৱনা প্ৰায় নাই বুলি ক'ব পাৰি।'



## প্ৰথমবাৰ পুঁজি বজাৰত ছেনছেক্সে ৬০ হেজাৰৰ সীমা অতিক্ৰম কৰিলে

**নিউজ ব্যুৰ', নতুন দিল্লী, ২৪ ছেপ্টেম্বৰ ঃ** দেশৰ শ্বেয়াৰ বজাৰত চমকপ্ৰদ উত্থান অব্যাহত আছে। আজি পুঁজি বজাৰৰ ছেনছেক্সে পুনৰ এক নতুন ইতিহাস ৰচনা কৰিলে। শুকুৰবাৰে প্ৰথমবাৰৰ বাবে ভাৰতত শ্বেয়াৰ বজাৰৰ ছেনছেক্সে ৬০ হেজাৰৰ সীমা অতিক্ৰম কৰিলে। ইয়াৰ পূৰ্বে বৃহস্পতিবাৰেও ছেনছেক্স আৰু নিফটিয়ে নতুন অভিলেখ ৰচনা কৰিছিল। কৰ'নাৰ ব্যাপক সংক্ৰমণৰ পাছতো ভাৰতীয় শ্বেয়াৰ বজাৰৰ এনে চমকপ্ৰদ উত্থান বাণিজ্যিক জগতৰ বাবে এক আশাৰ বতৰাত পৰিণত হৈছে।

### ভাৰতৰে আমেৰিকাৰ পাৰিবাৰিক বন্ধন আছে, উভয় দেশৰ সম্পৰ্কৰ উন্নতিৰ ক্ষেত্ৰত কাম কৰি যাব হেৰিছে

# ভাৰত-আমেৰিকা প্ৰকৃত বন্ধু ঃ ৱাশ্বিংটন বৈঠকত হেৰিছক বাৰ্তা মোদীৰ



**নিউজ ব্যুৰ' ৱাশ্বিংটন, ২৪ ছেপ্টেম্বৰ ঃ** আমেৰিকা ভ্ৰমণৰ প্ৰথম দিনা ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আমেৰিকাৰ পাঁচজন বিশিষ্ট উদ্যোগপতি, অষ্ট্ৰেলিয়াৰ প্ৰধানমন্ত্ৰী স্কট মৰিছন আৰু আমেৰিকাৰ উপ-ৰাষ্ট্ৰপতি কমলা হেৰিছৰ স'তে বৈঠকত অংশ ল'লে। ভাৰতীয় বংশোদ্ভূত কমলা হেৰিছ উপ-ৰাষ্ট্ৰপতি নিৰ্বাচিত হোৱাৰ পাছত এয়ে প্ৰথমবাৰ মোদীৰ স'তে বৈঠকত মিলিত হ'ল। স্থানীয় সময় অনুসৰি বৃহস্পতিবাৰে গুৰুত্বপূৰ্ণ বৈঠকৰ পাছতে সাংবাদিকৰ সন্মুখীন হৈছিল মোদী আৰু হেৰিছ। মোদীয়ে বৈঠকত হেৰিছক অৱগত কৰি কয় যে আমেৰিকা ভাৰতৰ স্বাভাৱিক মিত্ৰ দেশ আৰু দুই দেশৰ মূল্যবোধৰ যিদৰে সাদৃশ্য আছে, তেনেদৰে উভয় দেশেই এক ভূ-ৰাজনৈতিক ক্ষেত্ৰৰ ধাৰণা পোষণ কৰে। ইফালে, হেৰিছে কয় যে ভাৰতৰ স'তে আমেৰিকাৰ পাৰিবাৰিক বন্ধন আছে আৰু উভয় দেশৰ সম্পৰ্কৰ উন্নতিৰ ক্ষেত্ৰত তেওঁ কাম কৰি যাব। ক'ভিড পৰিস্থিতিত আমেৰিকাই ভাৰতক সহযোগিতা আগবঢ়োৱাৰ বাবেও মোদীয়ে ধন্যবাদ জ্ঞাপন কৰে। ভাৰতীয় মূলৰ হেৰিছক ভাৰত ভ্ৰমণলৈ অহাৰ বাবেও মোদীয়ে বৈঠকত নিমন্ত্ৰণ জনায়।

## দক্ষিণ কোৰিয়াৰে সংঘাতৰ অৱসান ঘটাব উত্তৰ কোৰিয়াই ঃ নৰম হ'ল কীম ভগ্নী



**নিউজ ব্যুৰ', পিয়ংইয়ং, ২৪ ছেপ্টেম্বৰ ঃ** উত্তৰ কোৰিয়াৰ কমিউনিষ্ট শাসক কীম জং উনৰ ভগ্নী কীম য়' জঙে কয় যে দক্ষিণ কোৰিয়াই যদি শত্ৰুতাপূৰ্ণ নীতি আৰু দুমুখীয়া আচৰণ ত্যাগ কৰে, তেন্তে উত্তৰ কোৰিয়াই দেশখনৰ স'তে পুনৰ আলোচনাত অংশ ল'বলৈ প্ৰস্তুত আছে। উল্লেখ্য যে দক্ষিণ কোৰিয়াৰ ৰাষ্ট্ৰপতি মুন জে ইনে যোৱা সপ্তাহত ১৯৫০-৫৩ৰ কোৰিয় সংঘাতৰ অৱসান ঘটাবলৈ আহ্বান জনাইছিল। ইয়াৰ উত্তৰত আজি উত্তৰ কোৰিয়াৰ শাসকৰ ভগ্নীয়ে স্পষ্টভাৱে কয় যে দক্ষিণ কোৰিয়াই উত্তৰ কোৰিয়া বিৰোধী নীতি ত্যাগ কৰিলে নিশ্চিতভাৱে পিয়ংইয়ঙে ছিউলৰ স'তে পুনৰ শান্তি আলোচনা আৰম্ভ কৰিব। পূৰ্বে দক্ষিণ কোৰিয়াৰ বিৰুদ্ধে কীম ভগ্নী য়'য়ে কঠোৰ আচৰণ প্ৰদৰ্শন কৰিছিল যদিও দক্ষিণ কোৰিয়াৰ ৰাষ্ট্ৰপতিৰ সংঘাত অৱসানৰ আহ্বানৰ পাছত কীম ভগ্নীয়ে ছিউল সন্দৰ্ভত নৰম স্থিতি প্ৰদৰ্শন কৰিলে। উল্লেখ্য যে শেহতীয়াভাৱে উত্তৰ কোৰিয়া আৰু দক্ষিণ কোৰিয়াই ক্ষেপণাস্ত্ৰৰ পৰীক্ষণৰ জৰিয়তে পুনৰ কোৰিয় উপদ্বীপত উত্তেজনা বৃদ্ধি কৰিছিল।

## পি এম-কেয়াৰ্ছ পুঁজি চৰকাৰী নহয় ঃ জনালে কেন্দ্ৰই




**নিউজ ব্যুৰ', নতুন দিল্লী, ২৪ ছেপ্টেম্বৰ ঃ** কৰ'না কালত ভাঙি পৰিছিল দেশৰ স্বাস্থ্য খণ্ডৰ আন্তঃগাঁথনিৰ পৰা বিত্তীয় ব্যৱস্থালৈকে সকলো। তদুপৰি আছিল প্ৰাকৃতিক দুৰ্যোগৰ মাধমাৰো। এনে পৰিস্থিতিতে যোৱা বছৰত কেন্দ্ৰীয় চৰকাৰে গঠন কৰিছিল পি এম কেয়াৰ্ছ পুঁজি। জৰুৰীকালীন অৱস্থাত নাগৰিকক সহায় আৰু সাহায্য প্ৰদানৰ বাবে গঠন কৰা হৈছিল প্ৰধানমন্ত্ৰীৰ এই বিশেষ পুঁজি। আইন অনুসৰি, ই এক দাতব্য ন্যাসৰ অধীনস্থ। কিন্তু কেন্দ্ৰীয় চৰকাৰে প্ৰকাশ কৰা অনুসৰি, পি এম কেয়াৰ্ছ পুঁজিৰ ধন ভাৰত চৰকাৰৰ নহয়। অৰ্থাৎ কেন্দ্ৰীয় চৰকাৰৰ যি 'কনচ'লিডেটেড' পুঁজি আছে, পি এম কেয়াৰ্ছ ইয়াৰ অন্তৰ্ভুক্ত নহয়। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ে প্ৰকাশ কৰা অনুসৰি, পি এম কেয়াৰ্ছ ন্যাসে লাভ কৰা সমগ্ৰ পুঁজি অনলাইন পেমেণ্ট, চেক বা ডিমাণ্ড ড্ৰাফটৰ জৰিয়তে লাভ কৰিছিল। প্ৰাপ্ত ধনৰ পৰিমাণ অডিটৰৰ জৰিয়তে অডিট কৰা হয় আৰু ৱেবছাইটত যি পৰিসংখ্যা প্ৰকাশ কৰা হৈছে সেয়া হৈছে এই ন্যাসৰ ব্যয়।

# নাৰী-পুৰুষক আল্লাই পৃথক কৰা নাই, তালিবানে কিয় কৰিব? প্ৰশ্ন আফগান কিশোৰীৰ




**নিউজ ব্যুৰ', কাবুল, ২৪ ছেপ্টেম্বৰ ঃ** আফগানিস্তান নতুনকৈ তালিবানৰ দখললৈ যোৱাৰ পাছৰে পৰা সবাতোকৈ সংশয়ৰ বিষয়টো আছিল নাৰী স্বাধীনতা। আৰম্ভণিতে তালিবানে দাবী কৰিছিল যে তেওঁলোক সলনি হৈছে আৰু শ্বৰীয়ত আইন অনুসৰি মহিলাসকলৰ অধিকাৰ দেশখনত সুৰক্ষিত থাকিব। কিন্তু ক্ৰমে তালিবানৰ প্ৰকৃত স্বৰূপ উন্মোচিত হ'বলৈ ধৰিছে। তালিবান যে সলনি হোৱা নাই সেয়া ইতিমধ্যে স্পষ্ট হৈছে। আফগানিস্তানত বহু ছোৱালীৰ বিদ্যালয় বন্ধ কৰা হ'ল। বিদ্যালয়, মহাবিদ্যালয়ত ছাত্ৰীৰ প্ৰৱেশতো তালিবানে বাধা আৰোপ কৰিছে। ফলত সম্প্ৰতি আফগানিস্তানত ঘৰৰ বাহিৰলৈ ওলাবলৈ শংকাবোধ কৰা হৈছে মহিলাই। এনে পৰিস্থিতিত দেশখনৰ একাংশ যুৱতী-মহিলাই তালিবানৰ বিৰুদ্ধে মাত মতা পৰিলক্ষিত হৈছে। শেহতীয়াভাৱে এগৰাকী আফগান কিশোৰীয়ে সামাজিক মাধ্যমৰ জৰিয়তে তালিবানৰ তীব্ৰ বিৰোধিতা কৰিলে। এক ভিডিঅ'ত ক'লা পোছাক পৰিধান কৰা উক্ত কিশোৰীয়ে তালিবানক উদ্দেশি এইদৰে প্ৰশ্ন কৰে, 'আল্লাৰ দৃষ্টিত নাৰী আৰু পুৰুষ সমান। এনে বৈষম্য সৃষ্টি কৰাৰ কোনো অধিকাৰ নাই তালিবানৰ। আমি নতুন প্ৰজন্মৰ প্ৰতিনিধি। আমি কেৱল খাবলৈ, শুবলৈ বা ঘৰত বহি থাকিবলৈ জন্ম লোৱা নাই। আমি বিদ্যালয়লৈ যাব বিচাৰো। আমি আমাৰ দেশৰ উন্নতিৰ বাবে কিবা কৰিব বিচাৰো।' অৱশ্যে এইগৰাকী প্ৰতিবাদী কিশোৰীৰ পৰিচয় এতিয়াও জানিব পৰা হোৱা নাই। উক্ত ভিডিঅ'ত কিশোৰীৰ কাষত আছিল আন কে'বাজনো আফগান ছাত্ৰ-ছাত্ৰী। তেওঁলোকৰ হাতত থকা প্লেকাৰ্ডত লিখা আছিল 'স্বাধীনতা বিচাৰো।'

## কাবুল বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অপসাৰণ, প্ৰতিবাদত পদত্যাগ ৭০ অধ্যাপকৰ



**নিউজ ব্যুৰ', কাবুল, ২৪ ছেপ্টেম্বৰ ঃ** বিশ্ববিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সহশিক্ষা নিষিদ্ধ কৰাৰ পাছত এইবাৰ তালিবানে কাবুল বিশ্ববিদ্যালয়ৰ উপাচাৰ্য মহম্মদ ওছমান বাবুৰিক পদৰ পৰা অপসাৰণ কৰিলে। এই ঘটনাত প্ৰতিবাদত সোচ্চাৰ হৈ উঠিল কাবুল বিশ্ববিদ্যালয়ৰ অধ্যাপকসকল। তালিবানে বিশিষ্ট শিক্ষাবিদ বাবুৰিক অপসাৰণ কৰি তালিবানৰে ঘনিষ্ঠ মহম্মদ আশ্ৰফ ঘইৰতক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য নিযুক্ত কৰে। এই ঘটনাৰ পাছতে বৰ্তমানলৈকে কাবুল বিশ্ববিদ্যালয়ৰ ৭০ জন অধ্যাপকে প্ৰতিবাদ সাব্যস্ত কৰি পদত্যাগ কৰিছে। বিশ্ববিদ্যালয়ৰ একাধিক বিভাগৰ মুৰব্বীয়েও পদত্যাগ কৰিলে। প্ৰতিবাদী অধ্যাপকসকলৰ অভিযোগ অনুসৰি, পি এইচ ডি ডিগ্ৰীধাৰী বাবুৰিক অপসাৰণ কৰি তালিবানে সাধাৰণ কলা বিভাগৰ স্নাতক ডিগ্ৰীধাৰী ঘইৰতক উপাচাৰ্য নিয়োগ কৰাটো কোনোপধ্যে গ্ৰহণযোগ্য নহয়।



## উত্তৰ প্ৰদেশত নিষাদ পাৰ্টি, অপনা দলৰে প্ৰতিদ্বন্দ্বিতা কৰিব বিজেপিয়ে

**নিউজ ব্যুৰ' লক্ষ্ণৌ, ২৪ ছেপ্টেম্বৰ ঃ** উত্তৰ প্ৰদেশত বিধানসভাৰ আগন্তুক নিৰ্বাচনত বিজেপিয়ে নিষাদ পাৰ্টি আৰু অপনা দলৰ স'তে মৰ্চা গঠনৰে প্ৰতিদ্বন্দ্বিতা কৰিব। আজি লক্ষ্ণৌত বিজেপিয়ে এখন সংবাদমেলত এই কথা ঘোষণা কৰি কয় যে নিষাদ পাৰ্টিৰ স'তে বিজেপিয়ে ৰাজ্যখনত মৰ্চা গঠন কৰিব আৰু যোগী আদিত্যনাথৰ নেতৃত্বত তেওঁলোকে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব।

## ক'ভিডত মৃতকৰ পৰিয়ালক ক্ষতিপূৰণ প্ৰদানত সন্তুষ্টি উচ্চতম ন্যায়ালয়ৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৪ ছেপ্টেম্বৰ ঃ** মাত্ৰ দুসপ্তাহ পূৰ্বে ক'ভিডত মৃতকৰ পৰিয়ালক ক্ষতিপূৰণ নিদিয়াত কেন্দ্ৰীয় চৰকাৰৰ দায়সৰা আচৰণত তীব্ৰ ক্ষোভ প্ৰকাশ কৰিছিল উচ্চতম ন্যায়ালয়ে। যোৱা বুধবাৰে কেন্দ্ৰীয় চৰকাৰে ক'ভিডত মৃতকৰ প্ৰতি পৰিয়ালক ৫০,০০০ টকাৰ ক্ষতিপূৰণ প্ৰদানৰ কথা ঘোষণা কৰিছিল। কেন্দ্ৰৰ এই ঘোষণাৰ পাছতে সৰ্বোচ্চ ন্যায়ালয়ে চৰকাৰক প্ৰশংসা কৰিলে। উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ এম আৰ শ্বাহে আজি কেন্দ্ৰীয় চৰকাৰক প্ৰশংসা কৰি কয়, 'আজি আমি সুখী, ভুক্তভোগীসকলৰ বাবে কিছু হ'লেও সকাহ দিব এই ক্ষতিপূৰণে। আমি সুখী কাৰণ, দুৰ্গতৰ চকুৰ পানী মচিবলৈ অন্ততঃ কিবা এটা কৰা হৈছে। ভাৰতে যি কৰিলে আমি এই বিষয়ত আইনী জাননী জাৰি কৰিম। আন কোনো দেশে এনে পদক্ষেপ গ্ৰহণ কৰা নাই। ইমান বিপুল জনসংখ্যা সত্ত্বেও দেশ হিচাপে ভাৰতে ব্যতিক্ৰমী, অসাধাৰণ কাম কৰিলে।' আজি সৰ্বোচ্চ ন্যায়ালয়ত শপতনামা দাখিল কৰি কেন্দ্ৰীয় চৰকাৰে কয় যে ক'ভিডত আক্ৰান্ত হোৱাৰ ৩০ দিনৰ ভিতৰত কোনো ৰোগীয়ে আত্মহত্যা কৰিলেও তেওঁৰ পৰিয়ালে ক্ষতিপূৰণ লাভ কৰিব।



## ১১৮ খন অৰ্জুন এম কে টেংকৰ অৰ্ডাৰ দিলে প্ৰতিৰক্ষা মন্ত্ৰণালয়ে

**নিউজ ব্যুৰ', নতুন দিল্লী, ২৪ ছেপ্টেম্বৰ ঃ** ৭,৫২৩ কোটি টকাৰ যুদ্ধৰ টেংক ক্ৰয়ৰ প্ৰস্তাৱত অনুমোদন জনালে প্ৰতিৰক্ষা মন্ত্ৰণালয়ে। দেশীয়ভাৱে তৈয়াৰ কৰা ১১৮ খন অৰ্জুন এম কে-১ এ টেংক ভাৰতীয় সেনাই ক্ৰয় কৰিব। চেন্নাইত থকা কেন্দ্ৰীয় অৰ্ডনেন্স কাৰখানা ব'ৰ্ডৰ অধীনস্থ আভাডিৰ কাৰখানাত তৈয়াৰ কৰা হ'ব অত্যাধুনিক প্ৰযুক্তিৰ এই যুঁজাৰু টেংক। ভাৰতীয় সেনাবাহিনীক অধিক শক্তিশালী কৰাৰ লক্ষ্যৰে এই অত্যাধুনিক টেংক ক্ৰয় কৰা হ'ব। প্ৰসংগত উল্লেখ্য যে ভাৰতীয় বায়ুসেনাক সজ্জিত কৰিবলৈ কিছুদিন পূৰ্বে ৩৩,০০০ কোটি টকাৰ এক প্ৰকল্পত প্ৰতিৰক্ষা মন্ত্ৰণালয়ে অনুমোদন জনাইছিল। মন্ত্ৰণালয়ৰ সূত্ৰৰ খবৰ অনুসৰি, বৰ্তমানে ভাৰতীয় সেনাৰ হাতত থকা অৰ্জুন এম কে-১ টেংকৰ নতুন উন্নত সংস্কৰণ হিচাপে অৰ্জুন এম কে-১ এ তৈয়াৰ কৰা হ'ব। চেন্নাইৰ কমবেট ভেহিকেলছ ৰিচাৰ্ছ এণ্ড ডেভেল'পমেণ্ট এষ্টাব্লিছমেণ্ট-এ এই টেংকৰ ডিজাইন তৈয়াৰ কৰিছে। স্বয়ংক্ৰিয়ভাৱে অব্যৰ্থ লক্ষ্য কেন্দ্ৰত ৰিম'ট কন্ট্ৰ'লৰ জৰিয়তে এই টেংকসমূহৰ জৰিয়তে আক্ৰমণ চলাব পৰা যাব।

# পঞ্জাৱ দখলৰ পৰিকল্পনা বিজেপিৰ, অমৰিন্দৰক লৈ দেখিছে আশাৰ ৰেঙনি



**নিউজ ব্যুৰ', চণ্ডীগড, ২৪ ছেপ্টেম্বৰ ঃ** অহা বছৰত পঞ্জাৱত বিধানসভাৰ নিৰ্বাচন অনুষ্ঠিত হ'ব। এই নিৰ্বাচনত ৰাজ্যখনক কংগ্ৰেছ মুক্ত কৰিবলৈ উঠি পৰি লাগিছে বিজেপিয়ে। কিন্তু কৃষক আন্দোলনক লৈ বিজেপি ৰাজ্যখনত যথেষ্ট সমস্যাৰ সন্মুখীন হৈ আহিছে। এনে পৰিস্থিতিতে হঠাতে পঞ্জাৱ কংগ্ৰেছত দেখা দিয়া সংঘাত আৰু কেপ্তেইন অমৰিন্দৰ সিঙৰ মুখ্যমন্ত্ৰীৰ পদ ত্যাগৰ পাছত পঞ্জাৱত বিজেপি শিবিৰে আশাৰ ৰেঙনি দেখা পাইছে। জাতীয়তাবাদ, দেশপ্ৰেমৰ কৌশলৰে আপাদত পঞ্জাৱ জয়ৰ পৰিকল্পনা যুগুত কৰিছে বিজেপিয়ে। এই পৰিকল্পনা সফল কৰিবলৈ পঞ্জাৱত এতিয়া বিজেপিয়ে বিচাৰিছে কেপ্তেইন অমৰিন্দৰৰ সহযোগিতা। মুখ্যমন্ত্ৰী পদ ত্যাগৰ পাছত অমৰিন্দৰে এতিয়ালৈকে দলত্যাগৰ সিদ্ধান্ত লোৱা নাই যদিও তেওঁৰ কেতবোৰ মন্তব্যই এনে এক ইংগিত বহন কৰিছে। একাংশৰ ধাৰণা অনুসৰি, অমৰিন্দৰে নিজা দল গঠন কৰাৰ সম্ভাৱনা আছে। আন একাংশৰ মতে অমৰিন্দৰে বিজেপিত যোগদান কৰিব। বিজেপিয়ে অমৰিন্দৰক আদৰি ল'বলৈ বিচাৰিছে যদিও বৰ্তমানলৈকে সেউজ সংকেত লাভ কৰা নাই। দুদিন পূৰ্বে অমৰিন্দৰে মন্তব্য কৰি কৈছিল যে তেওঁ কোনো পৰিস্থিতিতে নৱজ্যোৎ সিং সিন্ধুক পঞ্জাৱৰ মুখ্যমন্ত্ৰী হ'বলৈ নিদিয়ে। অমৰিন্দৰৰ এই মন্তব্যৰ পাছত বিজেপিয়ে প্ৰাক্তন মুখ্যমন্ত্ৰীজনক দলৰ মজিয়ালৈ অনাৰ বাবে তৎপৰতা প্ৰদৰ্শন কৰিছে। অমৰিন্দৰে বিজেপিত যোগদান কৰিলে নিশ্চিতভাৱে বিধানসভাৰ আগন্তুক নিৰ্বাচনত কংগ্ৰেছে ৰাজ্যখনত বিপুল প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লাগিব।

## বেয়াকৈ কাটিছিল চুলি, মডেলক দুই কোটি টকাৰ ক্ষতিপূৰণ দিব দিল্লীৰ হোটেলে



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৪ ছেপ্টেম্বৰ ঃ** দিল্লীৰ এখন পঞ্চতাৰকা হোটেলৰ হেয়াৰ ষ্টাইলিষ্টে এগৰাকী মডেলৰ চুলি বেয়াকৈ কটাৰ পৰিণতিত উক্ত হোটেলখনে মডেলক ক্ষতিপূৰণ হিচাপে আগবঢ়াব লাগিব দুই কোটি টকা। ৰাষ্ট্ৰীয় উপভোক্তা বিবাদ নিষ্পত্তি আয়োগ (এন চি ডি আৰ চি)-এ এই নিৰ্দেশ দিলে উক্ত পঞ্চতাৰকা হোটেলক। উত্থাপিত অভিযোগ অনুসৰি, মহিলা মডেলগৰাকীয়ে পঞ্চতাৰকা হোটেলৰ পাৰ্লাৰত নিজৰ চুলি কটাইছিল। কিন্তু হোটেলৰ হেয়াৰ ষ্টাইলিষ্টে নিজ ইচ্ছা অনুসৰি জধে-মধে মডেলৰ চুলি কাটি দিয়াৰ ফলত মডেলিং চুক্তিৰ পৰা বাহিৰ হ'ব লগা হৈছিল উক্ত মডেলগৰাকী। পৰিণতিত কে'বা কোটি টকা উপাৰ্জনৰ পৰা বঞ্চিত হৈছিল উক্ত মডেল। মডেলগৰাকীয়ে মানসিক অৱসাদত ভুগি উপভোক্তা আদালতৰ দ্বাৰস্থ হৈছিল আৰু এই অভিযোগৰ বিচাৰ চলাই এন ডি চি আৰ চিৰ বিচাৰক আৰ কে আগৰৱাল আৰু ডাক্তৰ এছ এম কান্তিকাৰে যুৱতীক দুই কোটি টকাৰ ক্ষতিপূৰণ আদায় দিবলৈ পঞ্চতাৰকা হোটেলক নিৰ্দেশ দিয়ে। উল্লেখ্য যে মডেলগৰাকীয়ে নিজৰ দীঘল চুলিৰ জৰিয়তে পূৰ্বে পেন্টিন, ভি এল চি চিৰ পণ্যৰ বিজ্ঞাপনত অংশ লৈছিল। ২০১৮ৰ ১২ এপ্ৰিলতে উক্ত মডেলে পঞ্চতাৰকা হোটেলৰ পাৰ্লাৰত চুলি কটাবলৈ গৈছিল। মডেলগৰাকীয়ে দাবী কৰা অনুসৰি, তেওঁ চাৰি ইঞ্চি চুলি কাটিবলৈ হেয়াৰ ষ্টাইলিষ্টক কৈছিল যদিও হেয়াৰ ষ্টাইলিষ্টে তেওঁৰ চাৰি ইঞ্চি চুলি ৰাখি বাকীখিনি কাটি দিয়ে। ফলত দীঘল চুলি হেৰুৱাই মডেলগৰাকীয়ে বিজ্ঞাপনৰ কামৰ পৰা বঞ্চিত হৈছিল।

## ২৪ ঘণ্টাত দেশত ৩১,৩৮২ জন আক্ৰান্ত, মৃত্যু বৃদ্ধি ৩১৮ জনলৈ



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৪ ছেপ্টেম্বৰ ঃ** একেৰাহে দুদিন ধৰি দেশত ক'ভিডৰ দৈনিক সংক্ৰমণ ৩০ হেজাৰৰ ঊৰ্ধ্বত আছে। যোৱা ২৪ ঘণ্টাত ভাৰতত নতুনকৈ এই ভাইৰাছত আক্ৰান্ত হ'ল ৩১,৩৮২ জন লোক। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি অতিমাৰীৰ সমগ্ৰ পৰ্বটোত বৰ্তমানলৈকে দেশত মুঠ তিনি কোটি ৩৫ লাখ ৯৪ হেজাৰ ৮০৩ জন লোক কৰ'নাত আক্ৰান্ত হ'ল। দৈনিক মৃত্যুৰ সংখ্যাও শুকুৰবাৰে ৩১৮ জনলৈ বৃদ্ধি পালে। ভাৰতত বৰ্তমানলৈকে মুঠ চাৰি লাখ ৪৬ হেজাৰ ৩৬৮ জন লোকৰ প্ৰাণ কাঢ়িলে ক'ভিডৰ সংক্ৰমণে। বৰ্তমানে দেশত তিনি লাখ ১৬২ জন সক্ৰিয় ক'ভিড ৰোগী আছে। কেৰালাত যোৱা ২৪ ঘণ্টাত ১৯,৬৮২ জন লোক আক্ৰান্ত হ'ল। মহাৰাষ্ট্ৰত দৈনিক সংক্ৰমণ চাৰে তিনি হেজাৰৰ তলত আছে। তামিলনাডুত ডেৰ হেজাৰৰ অধিক আৰু কৰ্ণাটকত এহেজাৰৰ তলত আছে আক্ৰান্তৰ সংখ্যা। মিজোৰামত ১,২৫৭ জন আৰু অন্ধ্ৰ প্ৰদেশত ১২০০ জন লোক বিগত এদিনত কৰ'নাত আক্ৰান্ত হ'ল।



তামুলপুৰৰ কুমাৰীকাটাত আলোচনীপন্থী গণ্য সংগ্ৰহ কমাণ্ডাৰৰ মুক্তিৰ দাবীত সমদল, শুকুৰবাৰে

# নগাঁৱত মাটি-বাৰী ক্ৰয়-বিক্ৰয়ৰ অনুমতি প্ৰদানৰ নামত অনিয়ম

## ■ ৰাজহ বিভাগৰ দায়িত্বত থকা সংশ্লিষ্ট বিষয়া-কৰ্মচাৰীৰ বিৰুদ্ধে অভিযোগ

**বিশেষ সংবাদদাতা**

**নগাঁও, ২৪ ছেপ্টেম্বৰ ঃ** নগাঁও জিলাত মাটি কিনা-বেচাক কেন্দ্ৰ কৰি উপায়ুক্ত কাৰ্যালয়ৰ পৰা আৰম্ভ কৰি ৰাজহ চক্ৰ বিষয়া আৰু উপ-পঞ্জীয়কৰ কাৰ্যালয়লৈকে দুৰ্নীতি-অনিয়মে ছানি ধৰিছে।

সমান্তৰালভাৱে ভেটি লোৱাৰ এক ৰমৰমীয়া ব্যৱসায় দীৰ্ঘদিন ধৰি চলি আহিছে। সংশ্লিষ্ট কাৰ্যালয়সমূহৰ বিষয়া-কৰ্মচাৰীয়ে মাটি কিনা-বেচা কৰা আপত্তিবিহীন ফাইলসমূহৰ কাম সময় মতে নকৰাৰ ফলত মাহৰ পাছত মাহ ধৰি ফাইলসমূহ পৰি থকাৰ অভিযোগ উত্থাপিত হৈছে। নগাঁৱৰ ৰাজহ বিভাগৰ দায়িত্বত থকা এগৰাকী অতিৰিক্ত উপায়ুক্তৰ বিৰুদ্ধে ভুক্তভোগী বহু লোকে অভিযোগ উত্থাপন কৰিছে। এইগৰাকী অতিৰিক্ত উপায়ুক্তই নিৰ্দিষ্ট সময়ত মাটি-বাৰী কিনা-বেচনা কৰা ফাইলসমূহ ৰহস্যজনক কাৰণত এৰি নিদিয়াত জিলাখনৰ সৰ্বসাধাৰণ ৰাইজ চৰম সমস্যাৰ সন্মুখীন হৈছে। আপত্তিবিহীন প্ৰমাণপত্ৰ বিচাৰি মাহৰ পাছত মাহ ধৰি সংশ্লিষ্ট কাৰ্যালয়সমূহৰ তাঁতবাটি কৰিও কোনো সুফল নোপোৱাত একাংশ ভুক্তভোগী লোক সংবাদ মাধ্যমৰ কাষ চাপে। সংবাদ মাধ্যমৰ আগত এইসকল ভুক্তভোগীয়ে ক্ষোভেৰে কয়, 'বৰ্তমানৰ চৰকাৰে সাত দিনৰ ভিতৰত মাটি কিনা-বেচা কৰাৰ অনুমতি পত্ৰ বা আপত্তিবিহীন প্ৰমাণপত্ৰ দিবৰ বাবে নিৰ্দেশ দিছে যদিও বিষয়া কৰ্মচাৰীয়ে নিৰ্দিষ্ট সময় উকলি যোৱাৰ পাছতো কামটো কৰি নিদিয়ে। যাৰ বাবে মাটি কিনা-বেচা কৰা লোকসকল সমস্যাৰ সন্মুখীন হ'ব লগা হৈছে।' এজন ভুক্তভোগীয়ে অভিযোগ কৰা মতে, তেওঁৰ শহুৰেকৰ অসুখৰ বাবে শহুৰেকে ২০১৯ৰ ২২ আগষ্টত মাটি বিক্ৰী কৰিবৰ বাবে আবেদন কৰিছিল যদিও মানুহজনে আজিপৰ্যন্ত মাটি বিক্ৰী কৰাৰ অনুমতি পত্ৰ লাভ নকৰিলে। এনেদৰে জিলাখনত উপায়ুক্ত কাৰ্যালয়, চক্ৰ বিষয়া আৰু উপ-পঞ্জীয়কৰ কাৰ্যালয়ৰ একাংশ বিষয়া-কৰ্মচাৰীয়ে মাটি ক্ৰয়-বিক্ৰয় কৰিবলৈ অহা লোকসকলক বিভিন্ন অজুহাতত হাৰাশাস্তি কৰি আহিছে। এই কাৰ্যালয়সমূহত বিশেষকৈ চক্ৰ বিষয়া আৰু উপ-পঞ্জীয়কৰ কাৰ্যালয়ত দালাল অবিহনে কামেই নহয় বুলি একাংশ ভুক্তভোগীয়ে সংবাদ মাধ্যমৰ আগত অভিযোগ উত্থাপন কৰিছে। একাংশ বিষয়া-কৰ্মচাৰীয়ে ভেটি নহ'লে কামেই কৰিব নিবিচাৰে। জিলাখনৰ কলিয়াবৰ, চামগুৰি, ৰূপহী, ধিং, ৰহা, নগাঁও সদৰ, কামপুৰ ৰাজহ চক্ৰৰ কাৰ্যালয়ত মাটি কিনা-বেচা কৰাৰ ক্ষেত্ৰত এক ৰমৰমীয়া ব্যৱসায় চলাই আহিছে। বিজেপি নেতৃত্বাধীন মিত্ৰজোঁটৰ চৰকাৰে ৰাইজক সু-শাসন দিয়াৰ বাবে সকলো বিভাগৰ ফাইলসমূহ দীৰ্ঘদিন ধৰি একে ঠাইতে থাকিবলৈ দিয়া নহ'ব বুলি সকলো বিভাগক সকীয়নি প্ৰদান কৰিছিল। কিন্তু সেই ক্ষেত্ৰত বিষয়া-কৰ্মচাৰীয়ে কোনো ধৰণৰ গুৰুত্ব নিদিয়াৰ অভিযোগ উত্থাপিত হৈছে। চৰকাৰে ফাইলসমূহৰ কাম ক্ষিপ্ৰতাৰে কৰিবলৈ নিৰ্দেশ দিছিল যদিও বিষয়া-কৰ্মচাৰীসকলে ফাইলসমূহৰ কাম পেলাই থোৱাৰ অভিযোগ উত্থাপিত হৈছে।

উল্লেখ্য যে অলপতে ৰাজ্যৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই চক্ৰ বিষয়াৰ স'তে হোৱা এক আলোচনাত অহা পাঁচ অক্টোবৰৰ ভিতৰত মাটি-বাৰী ক্ৰয়-বিক্ৰয়কে ধৰি সকলো ধৰণৰ আপত্তিবিহীন ফাইলৰ কাম সম্পূৰ্ণ কৰাৰ নিৰ্দেশ দিয়াৰ পাছতো নগাঁও জিলা উপায়ুক্ত কাৰ্যালয়ৰ সংশ্লিষ্ট দায়িত্বত থকা বিষয়া-কৰ্মচাৰীয়ে নিৰ্দিষ্ট সময়ত ফাইলৰ কাম সম্পূৰ্ণ কৰা নাই। দায়িত্বশীল বিষয়া-কৰ্মচাৰীয়ে ফাইলসমূহৰ ক্ষেত্ৰত নতুন কৌশল উদ্ভাৱন কৰি ফাইলসমূহ সৰু-সুৰা অজুহাত দেখুৱাই চক্ৰ বিষয়াৰ কাৰ্যালয়লৈ ঘুৰাই পঠাইছে।

এক বিভাগীয় সুত্ৰে জনা মতে, ক'ভিডজনিত কাৰণত ২০১৯ৰ পৰা পৰি থকা মাটি-বাৰী ক্ৰয়-বিক্ৰয়ৰ বাবে মুঠ সাত শতাধিক ফাইলৰ ভিতৰত প্ৰায় পাঁচ শতাধিক ফাইলেই বিনা কাৰণতে দায়িত্বপ্ৰাপ্ত বিষয়া-কৰ্মচাৰীয়ে ঘুৰাই পঠাইছে। মুঠতে নগাঁও জিলাত মাটি-বাৰী ক্ৰয়-বিক্ৰয়ৰ ক্ষেত্ৰত সংঘটিত হোৱা দুৰ্নীতি-অনিয়মৰ কাম-কাজৰ তদন্ত কৰি ইয়াৰ লগত জড়িত বিষয়া-কৰ্মচাৰীসকলৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিবলৈ নগাঁৱৰ সচেতন মহলে দাবী জনাইছে।

# ৰহাত ৰাষ্ট্ৰীয় পোষণ মাহ উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**

**ৰহা, ২৪ ছেপ্টেম্বৰ ঃ** ৰহা সংহত শিশু উন্নয়ন প্ৰকল্পৰ উদ্যোগত ৰাষ্ট্ৰীয় পোষণ অভিযানৰ অন্তৰ্গত মাহজোৰা পোষণ অভিযান উপলক্ষে যোৱা ২০ ছেপ্টেম্বৰত ৰহা পণ্ডিত গোপীনাথ বৰদলৈ বিদ্যাপীঠত দিনজোৰা কাৰ্যসূচীৰে ৰাষ্ট্ৰীয় পোষণ উৎসৱ উদ্‌যাপন কৰা হয়। উৎসৱৰ লগত সংগতি ৰাখি পুৱা ৰহা শিশু উন্নয়ন প্ৰকল্পৰ অন্তৰ্গত কে'বা শতাধিক অংগনৱাড়ী কৰ্মী সহায়িকাৰ উপস্থিতিত পোষণ সম্পৰ্কত বিশাল শোভাযাত্ৰা উলিওৱা হয়। ইয়াৰ পাছতে ৰহা সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়া ডিম্বেশ্বৰ মহন্তৰ সঞ্চালনাত মুকলি সভা অনুষ্ঠিত হয়। সভাত ৰহা সমষ্টিৰ বিধায়ক শশীকান্ত দাসে পোষণ অভিযানৰ গুৰুত্ব আৰু তাৎপৰ্য বৰ্ণনা কৰাৰ লগত অংগনৱাড়ী কৰ্মী সহায়িকাসকলে অতি কম পাৰিশ্ৰমিকৰে কণ কণ শিশুসকলৰ উপৰি মহিলাসকলৰ শাৰীৰিক আৰু মানসিক উৎকৰ্ষ সাধনৰ বাবে আগবঢ়োৱা সেৱাৰ শলাগ লয়। বিধায়কজনে বৰ্তমান চৰকাৰে শিশুসকলৰ সামগ্ৰিক উন্নতিৰ বাবে চৰকাৰে গ্ৰহণ কৰা বিভিন্ন আঁচনিৰ সম্পৰ্কে অৱগত কৰে। মুখ্য সেৱিকা ৰশ্মিৰেখা শইকীয়া আৰু ৰঞ্জিতা দত্তই আঁত ধৰা সভাখনত নগাঁও মহকুমা স্বাস্থ্য বিষয়া লক্ষী দাস, সমাজকৰ্মী সূৰ্য দাসৰ লগতে ৰহা আঞ্চলিক সাংবাদিক সন্থাৰ সভাপতি দীপক কুমাৰ শৰ্মা, সম্পাদক পংকজ বৰা, জ্যেষ্ঠ সাংবাদিক বুলন নাথ, ফুনু শৰ্মাৰ লগতে কে'বাজনো লোক উপস্থিত থাকে। সভাত অংগনৱাড়ী কৰ্মী-সহায়িকাসকলে গীত-মাত, নৃত্য আদি প্ৰদৰ্শন কৰে।

# শিক্ষামন্ত্ৰীলৈ স্মাৰকপত্ৰ অসম চাহ জনজাতি ছাত্ৰ সন্থা বিশ্বনাথ জিলা সমিতিৰ

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ২৪ ছেপ্টেম্বৰ ঃ** একাংশ ছাত্ৰ-ছাত্ৰীৰ মহাবিদ্যালয় উচ্চতৰ মাধ্যমিক বিদ্যালয়ত নামভৰ্তিৰ ক্ষেত্ৰত উদ্ভৱ হোৱা সমস্যাৰ সন্দৰ্ভত অসম চাহ জনজাতি ছাত্ৰ সন্থা বিশ্বনাথ জিলা সমিতিয়ে স্মাৰকপত্ৰ শিক্ষামন্ত্ৰীলৈ প্ৰেৰণ কৰিছে। সমগ্ৰ বিশ্বৰ লগতে অসমতো কৰ'না অতিমাৰীৰ বাবে ছাত্ৰ-ছাত্ৰীসকলৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষা অনুষ্ঠিত কৰিব নোৱাৰি অসম চৰকাৰৰ শিক্ষা বিভাগে সকলো ছাত্ৰ-ছাত্ৰীক এক নিৰ্দিষ্ট নিয়ম বান্ধি উত্তীৰ্ণ কৰি দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰে। সেই সিদ্ধান্ত মৰ্মে বহু সংখ্যক ছাত্ৰ-ছাত্ৰী উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হয়। কিন্তু বৰ্তমান সেই উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তিৰ ক্ষেত্ৰত ব্যাপক অসুবিধাৰ সন্মুখীন হৈছে। যিহেতু বিশ্বনাথ জিলাত একেবাৰে সীমিত সংখ্যক উচ্চ শিক্ষাৰ শিক্ষানুষ্ঠান আছে। মহাবিদ্যালয় আৰু উচ্চ মাধ্যমিক বিদ্যালয়ত সীমিত সংখ্যক আসন থকাৰ বাবে মহাবিদ্যালয় কৰ্তৃপক্ষই সকলো ছাত্ৰ-ছাত্ৰীক নামভৰ্তিৰ সুবিধা প্ৰদান কৰাত ব্যৰ্থ হৈছে। এই ক্ষেত্ৰত বিশেষকৈ চাহ জনগোষ্ঠীয় ছাত্ৰ-ছাত্ৰীসকল সৰ্বাধিক বঞ্চিত হৈছে। অসম চাহ জনজাতি ছাত্ৰ সন্থাই এই ক্ষেত্ৰত উদ্বেগ প্ৰকাশ কৰিছে, ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতক লৈ। সেইবাবে বিষয়টোৰ গুৰুত্ব উপলব্ধি কৰি অতিশীঘ্ৰে মহাবিদ্যালয়সমূহত আসনৰ সংখ্যা বৃদ্ধি কৰি সকলো ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তিৰ ব্যৱস্থা কৰিবলৈ স্মাৰকপত্ৰ দি ইয়াৰ প্ৰতিলিপি প্ৰেৰণ কৰিছে, বিশ্বনাথ জিলাৰ উপায়ুক্ত, তেজপুৰ লোকসভা সমষ্টিৰ সাংসদৰ লগতে গহপুৰ, বিহালী, বিশ্বনাথ আৰু চতিয়া বিধানসভা সমষ্টিৰ বিধায়কসকললৈ।

# খালৈগাঁৱত পথ দুৰ্ঘটনাত নিহত এক

**অগ্ৰদূত বাৰ্তা**

**বেবেজীয়া, ২৪ ছেপ্টেম্বৰ ঃ** বিশ্বকৰ্মা পূজাৰ আনন্দ-উছাহৰ মাজতে নগাঁও জিলাৰ জাজৰি থানাৰ খালৈগাঁৱত ২০ ছেপ্টেম্বৰত সন্ধিয়া সংঘটিত এক পথ দুৰ্ঘটনাত এজন মটৰ চাইকেল আৰোহী নিহত হয়। নগাঁও-মৰিগাঁও সংযোগী পথৰ খালৈগাঁৱত কপাহেৰা অভিমুখে গৈ থকা এখন মটৰ চাইকেল একে দিশেৰে আহি থকা তীব্ৰ বেগী এখন অচিনাক্ত বাহনে পিছফালৰ পৰা খুন্দিওৱাত মটৰ চাইকেলসহ আৰোহী দুজন গুৰুতৰভাৱে আহত হয়। লগে লগে দুয়োকে নগাঁও অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয় যদিও কপাহেৰা নিবাসী তথা কপাহেৰা শংকৰদেৱ বিদ্যা নিকেতনৰ আচাৰ্য পি কে নাথ (৩৮)ৰ চিকিৎসালয়ত মৃত্যু হয়। আহত প্ৰসন্ন গগৈ (৩৪) ক উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ প্ৰেৰণ কৰা হৈছে।

# দৰঙত কাঠফলা কল জব্দ

**অগ্ৰদূত বাৰ্তা**

**দুমুনিচকী, ২৪ ছেপ্টেম্বৰ ঃ** কুৰুৱা বনাঞ্চলিক কাৰ্যালয়ে অলপতে আবেলি দৰং জিলাৰ পাথৰিঘাট ৰাজহচক্ৰ অন্তৰ্গত হেঙালপাৰা আৰু ঘিলাগুৰি গাঁৱত এক অভিযান চলাই দুটা অবৈধ কাঠফলা কল উৎখাত কৰে। তথ্য মতে এক বিশেষ খবৰৰ ভিত্তিত আঞ্চলিক বন বিষয়া চক্ৰপাণি ৰায়ৰ নেতৃত্বত যোৱা বনকৰ্মীৰ দলটোৱে আবেলি প্ৰায় দুই বজাত এটা নদী পাৰত আৰু এটা খেতিপথাৰত অবৈধ কাঠফলা মিল উদ্ধাৰ কৰে। এক অসাধু চক্ৰই এই অবৈধ মিলৰ জৰিয়তে জিলাখনৰ পশ্চিম প্ৰান্তত বন বিভাগৰ অজ্ঞাতে চোৰাং কাঠৰ ব্যৱসায় চলাই আহিছিল বুলি বন বিভাগৰ এক সূত্ৰত প্ৰকাশ।

# তামুলপুৰৰ কুমাৰীকাটাত ইউপিপিএলৰ যোগদান কাৰ্যসূচী

**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ, ২৪ ছেপ্টেম্বৰ ঃ** আসন্ন তামুলপুৰ সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলৰ কুচকাৱাজ আৰম্ভ হৈছে। তামুলপুৰ সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে ইউপিপিএলয়ে কঁকালত টঙালি বান্ধিছে। যোৱা ২১ ছেপ্টেম্বৰত তামুলপুৰ সমষ্টিৰ কুমাৰীকাটা দুৰ্গা মন্দিৰত দৰংগাজুলি ব্লক ইউপিপিএলৰ উদ্যোগত এক যোগদান কাৰ্যসূচী আৰম্ভ হয়। দৰংগাজুলি ব্লক ইউপিপিএলৰ সভাপতি কমলেশ্বৰ নাৰ্জাৰীৰ সভাপতিত্বত অনুষ্ঠিত যোগদান সভাত তামুলপুৰ জিলা বিপিএফৰ প্ৰাক্তন সভাপতি কেশৱ ৰাজবংশীয়ে ৪৫ গৰাকী বিপিএফ কৰ্মীসহ ইউপিপিএলত যোগদান কৰাৰ উপৰি অন্যান্য দল সংগঠনৰ পৰা আহি ১৩ গৰাকী লোকে যোগদান কৰে। কুমাৰীকাটা দুৰ্গা মন্দিৰ প্ৰাংগণত অনুষ্ঠিত যোগদান অনুষ্ঠানত বিটিআৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ ই এম দাওবৈছা বড়োই কয়, 'আজি ইউপিপিএলৰ বাবে সৌভাগ্যৰ দিন কিয়নো বিপিএফৰ শক্তিশালী নেতা কেশৱ ৰাজবংশীৰ লগতে বিপিএফৰ ৪৫ গৰাকী লোক দলত যোগদান কৰিছে। বিটিআৰত এতিয়া শান্তি প্ৰতিষ্ঠা হৈছে, কিন্তু তথাপিও একাংশ লোকে ইয়াক বিপথে পৰিচালিত কৰিবলৈ অহৰহ চেষ্টা অব্যাহত ৰাখিছে। ইউপিপিএলে মাথোঁ সাতমাহ শাসন কৰিয়েই কে'বাটাও দিশত উন্নয়ন কৰিছে। এতিয়াই ইমান পোৱা-নোপোৱাৰ হিচাপ নকৰি ইউপিপিএলৰ লগত সহযোগিতা কৰি যাবলৈ তেওঁ ৰাইজলৈ আহ্বান জনায়। যোগদান কাৰ্যসূচীত কেন্দ্ৰীয় নেতা মুজিব আলী আহমেদ, সুশীল দাস, ৰাফেল দৈমাৰী, তামুলপুৰৰ প্ৰাক্তন বিধায়ক চণ্ডী বসুমতাৰী, তামুলপুৰ জিলা ইুপিপিএলৰ সভাপতি সম্পাদক ক্ৰমে বিপুল বসুমতাৰী, ফণীন্দ্ৰ নাৰ্জাৰী, গয়বাৰী, ব্লক ইউপিপিএলৰ সম্পাদক কবিন চন্দ্ৰ বসুমতাৰী, তামুলপুৰ পৌৰসভাৰ অধ্যক্ষ প্ৰফুল্ল চন্দ্ৰ মহন্ত, ইউপিপিএলৰ নেতা জলেন দৈমাৰীসহ বহুসংখ্যক নেতা-কৰ্মী উপস্থিত থাকে।

# নৰ্থ কামৰূপ কলেজত ছইচ বেচড ক্ৰেডিট ছিষ্টেম বিষয়ক কৰ্মশালা সম্পন্ন

**পাটাছাৰকুছি, ২৪ ছেপ্টেম্বৰ ঃ** বজালী জিলাৰ উচ্চ শিক্ষাৰ শিক্ষানুষ্ঠান বাঘমাৰাস্থিত নৰ্থ কামৰূপ কলেজৰ শৈক্ষিক কোষৰ উদ্যোগত 'ছইছ বেচড ক্ৰেডিট ছিষ্টেম' বিষয়ক এখন কৰ্মশালা যোৱা ১৬ ছেপ্টেম্বৰত অনুষ্ঠিত হৈ যায়। শৈক্ষিক কোষৰ সমন্বয়ক ডঃ জগদীশ চন্দ্ৰ কলিতাই অনুষ্ঠানৰ আৰম্ভণিতে বিষয় সম্পৰ্কে চমু আলোকপাত কৰে। অনুষ্ঠানত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ অৰ্থনীতি বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ডঃ সমীৰণ শৰ্মাই। বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়ৰ ষাণ্মাসিক পদ্ধতিত প্ৰৱৰ্তিত ছইছ বেচড ক্ৰেডিট ছিষ্টেম সম্পৰ্কে তেওঁ মনোগ্ৰাহী বক্তৃতা প্ৰদান কৰে। এই পদ্ধতিৰ ইতিবাচক আৰু নেতিবাচক বিভিন্ন দিশ সম্পৰ্কে তেওঁ আলোচনা আগবঢ়ায়। ছইছ বেচড ক্ৰেডিট ছিষ্টেম পদ্ধতিৰ সফল ৰূপায়ণৰ বাবে মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰী অনুযায়ী শিক্ষকৰ অনুপাত আৰু সবল আন্তঃগাঁথনি অপৰিহাৰ্য বুলি তেওঁ গুৰুত্বপূৰ্ণ মত পোষণ কৰে। অনুষ্ঠানৰ আৰম্ভণিতে আদৰণি ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ জ্যোতিৰাজ পাঠকে। অনুষ্ঠানত মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপিকা ডঃ লীনা গোস্বামী আৰু ইতিহাস বিভাগৰ সহযোগী অধ্যাপিকা অৰ্চনা তহবিলদাৰে সমল ব্যক্তিৰূপে অংশগ্ৰহণ কৰি বিষয় সম্পৰ্কে বিভিন্ন মন্তব্য দাঙি ধৰে। অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়াই আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সমন্বয়ক পংকজ কলিতাই।

# পূৰ্ব-ডোকৰা জৰেগাঁও মধ্য ইংৰাজী বিদ্যালয় চৌহদ পৰিষ্কাৰ

**অগ্ৰদূত বাৰ্তা**

**গৰুভাষা, ২৪ ছেপ্টেম্বৰ ঃ** পূৰ্ব ডোকৰা জৰেগাঁও মধ্য ইংৰাজী বিদ্যালয় চৌহদ কালি পৰিষ্কাৰ-পৰিচ্ছন্ন কৰাৰ লগতে চৌহদত বৃক্ষৰোপণ কৰা হয়। বিদ্যালয়ৰ প্ৰধান শিক্ষক জগদীশ চন্দ্ৰ ৰায়ে আঁত ধৰা অনুষ্ঠানত আমন্ত্ৰিত অতিথি, বিদ্যালয় পৰিচালনা সমিতি, মাতৃগোট, ছাত্ৰ-ছাত্ৰীৰ অভিভাৱক-অভিভাৱিকাৰ উপৰি শিক্ষক-শিক্ষয়িত্ৰী একাংশ ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।



ধলপুৰৰ উচ্ছেদৰ বিৰুদ্ধে আমছুৰ লাহৰীঘাটত প্ৰতিবাদ, শুকুৰবাৰে।

# মানুহ শিক্ষিত হ'লেও পূৰ্বৰ তুলনাত সামাজিক পৰিৱেশ বিনষ্ট হৈছে

## ■ গোসাঁইগাঁৱৰ ভোমৰাবিলত সামাজিক সমস্যাৰ সজাগতা সভা সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**গোসাঁইগাঁও, ২৪ ছেপ্টেম্বৰ ঃ** '১৯৩৪ত গোসাঁইগাঁও মহকুমাৰ দুই নম্বৰ পলাশগুৰি গাঁৱত স্থাপিত ৪৭০ নম্বৰ পলাশগুৰি প্ৰাথমিক বিদ্যালয়খনতে শৈশৱত ময়ো পঢ়িছিলো। বিদ্যালয়খনৰ তদানীন্তন প্ৰধান শিক্ষক প্ৰয়াত আব্দুল আজিজ ছাৰৰ ঘৰত ৰাতি থাকি পঢ়া-শুনা কৰিছিলো। সুন্দৰ শৈক্ষিক তথা সামাজিক পৰিৱেশ আছিল তেতিয়া। এতিয়া সমাজত বহু শিক্ষানুষ্ঠান গঢ় লৈ উঠিল, মানুহ আগতকৈ বহু শিক্ষিত হ'ল যদিও পূৰ্বৰ তুলনাত সামাজিক পৰিৱেশ বিনষ্ট হৈছে। শিক্ষিত হ'লেও ল'ৰা-ছোৱালীৰ প্ৰতিযোগিতামূলক পৰীক্ষাত বহাৰ মন-কাণ নাই, নাই মানসিকতা।

প্ৰতিযোগিতামূলক পৰীক্ষাত বহাৰ মন তথা মানসিকতা গঢ়ি তুলি এক শৈক্ষিক তথা ভাল সামাজিক পৰিৱেশ গঢ়ি তোলাৰ বাবে চেষ্টা চলাই যাব লাগিব। তাৰ বাবে লাগিব সকলোৰে সমূহীয়া প্ৰচেষ্টা।' মহকুমাটোৰ ভোমৰাবিলৰ সমূহীয়া ভৱনত অনুষ্ঠিত অসম চিভিল ছ'চাইটিৰ যোৱা ১৯ ছেপ্টম্বৰত এক সজাগতামূলক সভাত এনেদৰে কয় অৱসৰপ্ৰাপ্ত উপায়ুক্ত তথা অসম চিভিল ছ'চাইটিৰ সাধাৰণ সম্পাদক আব্দুৰ ৰহিম শ্বেখে। সংগঠনটোৰ গোসাঁইগাঁও জিলা সমিতিৰ সভাপতি আব্দুল হাই মিঞাৰ অধ্যক্ষতাত অনুষ্ঠিত সভাখনৰ উদ্দেশ্য ব্যাখ্যাৰ লগতে পৰিচয় পৰ্বৰ আঁত ধৰে অধিবক্তা তথা সংগঠনটোৰ জিলা সমিতিৰ সাধাৰণ সম্পাদক মাফিজুৰ ৰহমানে। সভাত জ্যেষ্ঠ অধিবক্তা তথা অসম চিভিল ছ'চাইটিৰ উপ-সভাপতি নুৰুল ইছলাম চৌধুৰীয়ে সংখ্যালঘু সমাজৰ বিভিন্ন সমস্যা আৰু তাৰ নিৰাময়ৰ ওপৰত ভাষণ আগবঢ়ায়। অভিভাৱকসকলে তেওঁলোকৰ সন্তানসকলক বিশেষকৈ প্ৰশাসনীয় বিষয়া হোৱাৰ বাবে উৎসাহিত কৰাৰ পোষকতা কৰাৰ বাবে আহ্বান জনায় আৰু লগতে প্ৰয়োজনতকৈ বেছি সম্পত্তি আহৰণৰ দৰকাৰ নাই বুলি কয়। তেওঁ গো-সুৰক্ষা বিধেয়ক আৰু চৰকাৰৰ ভূমি নীতি সন্দৰ্ভত ক্ষুৰধাৰ সমালোচনা কৰাৰ লগতে নিজৰ সমস্যা নিজে সমাধান কৰিব লাগিব বুলি উল্লেখ কৰি জন্ম নিয়ন্ত্ৰণৰ ওপৰত গুৰুত্ব দিবলৈ কয়। নিজৰ সন্তানৰ নাম যাতে কম্পিউটাৰত সোমাব পাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি শুদ্ধ নাম ৰাখিবলৈ আহ্বান জনায়। সভাত সাপটগ্ৰাম মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা ডঃ পদ্ম গুহ আগৰৱালায়ো শৈক্ষিক, সাংস্কৃতিক, অৰ্থনৈতিকভাৱে নামনি অসম যথেষ্ট পিছপৰি থকাৰ কথা উল্লেখ কৰে আৰু বাল্য বিবাহ, বহু বিবাহ, শিশু শ্ৰমিক আদি সমস্যাসমূহৰ ওপৰত তত্ত্বগধুৰ ভাষণ প্ৰদান কৰে। তেওঁ লগতে নাৰী সমাজক অৱজ্ঞা নকৰি তেওঁলোককো সমিলমিলেৰে আগবঢ়াই নিলেহে সকলোৰে উন্নতি হ'ব বুলি কয়। সভাত অঞ্চলটোৰ বহুসংখ্যক শিক্ষিত, সচেতন তথা সমাজকৰ্মী ব্যক্তি উপস্থিত থাকে।

# আটাইতকৈ সহজ ভাষাত বাতৰি লিখিব পৰাটোহে প্ৰকৃত সাংবাদিকৰ লক্ষণ

## ■ তামুলপুৰ প্ৰেছ ক্লাবৰ অষ্টম দ্বি-বাৰ্ষিক অধিবেশনৰ সামৰণি

**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ, ২৪ ছেপ্টেম্বৰ ঃ** তামুলপুৰ প্ৰেছ ক্লাবৰ দুদিনীয়া কাৰ্যসূচীৰে আয়োজিত অষ্টম দ্বি-বাৰ্ষিক অধিবেশনৰ ১৯ ছেপ্টেম্বৰত সামৰণি পৰে। কাৰ্যসূচী অনুসৰি দ্বিতীয় দিনা পুৱাৰ ভাগত ক্লাবৰ পতাকা উত্তোলন কৰে তামুলপুৰ প্ৰেছ ক্লাবৰ সভাপতি খগেন বৈশ্যই। স্মৃতি তৰ্পণ কাৰ্যসূচী ৰূপায়ণ কৰে তামুলপুৰ প্ৰেছ ক্লাবৰ উপ-সভাপতি চক্ৰেশ্বৰ ডেকাই। দুপৰীয়া তামুলপুৰ প্ৰেছ ক্লাবৰ সভাপতি খগেন বৈশ্যৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভা উদ্বোধন কৰে সদৌ অসম ছাত্ৰ সন্থাৰ ক্ৰীড়া সম্পাদক পূৰ্ণ ডেকাই। ডেকাই কয় যে তামুলপুৰ প্ৰেছ ক্লাবৰ সাংবাদিকসকলৰ স'তে তামুলপুৰ আঞ্চলিক ছাত্ৰ সন্থাৰ এক নিবিড় সম্পৰ্ক আছে। বিভিন্ন সময়ত সাংবাদিকসকলে সন্মুখীন হোৱা সমস্যাৰ ক্ষেত্ৰত যৌথভাৱে কাম কৰি অহা হৈছে। তেওঁ পুনৰ কয় যে ম'বাইল নোহোৱাৰ আগৰ সাংবাদিক আৰু এতিয়াৰ সাংবাদিকৰ মাজত পাৰ্থক্য আছে। নিৰ্ভীক আৰু সত্যনিষ্ঠ বাতৰি পৰিৱেশনৰ ক্ষেত্ৰত সাংবাদিকসকলে যাতে কোনো সমস্যাৰ সন্মুখীন হ'ব নালাগে তাৰ বাবে ছাত্ৰ সন্থাই পূৰ্ণ সহযোগ আগবঢ়াই আহিছে। সভাত ভাষা-সাহিত্য, সংস্কৃতিৰ আলোচনী 'বাৰ্তা পখিলী'ৰ সম্পাদক ব্ৰজেন্দ্ৰ নাথ ডেকাই কয় যে সাংবাদিকসকল সমাজৰ মেৰুদণ্ড স্বৰূপ। ভাৰতীয় গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ সাংবাদিকসকল নিৰ্ভীক, সত্যনিষ্ঠ আৰু নিৰপেক্ষ হোৱা উচিত। হালধীয়াৰূপী সাংবাদিকসকল সমাজৰ বোজাস্বৰূপ। সভাত তামুলপুৰ প্ৰেছ ক্লাবৰ প্ৰতিষ্ঠাপক সভাপতি কামেশ্বৰ দাসে কয় যে অসমীয়া সংবাদ জগতৰ ১৫০ বছৰীয়া ইতিহাস গৰকিলেও সংবাদ মাধ্যম ৫০ বছৰ পিছুৱাই গৈছে। সাংবাদিকসকল বিভিন্ন সা-সুবিধাৰ পৰা বঞ্চিত হৈ আহিছে। ৰূপান্তৰেহে সংবাদ জগতৰ পৰিৱৰ্তন আনিব পাৰিব। ৰঙিয়া প্ৰেছ ক্লাবৰ উপ-সভাপতি, প্ৰতিভাসম্পন্ন কবি মুস্তাফা কামাল আহমেদে কয় যে তামুলপুৰ মিনি অসম। বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকৰ সমন্বয়ৰ থলী তামুলপুৰ। জ্যোতিপ্ৰসাদ আগৰৱলাৰা নাট 'নিমাতী কইনা'ক বড়ো নাট্য ৰূপ নিমাতী কইনাৰে অসমৰ ৰংগমঞ্চত আলোড়নৰ সৃষ্টি কৰিছিল তামুলপুৰৰ শিল্পী সমাজে। তেওঁ পুনৰ কয় যে সাংবাদিকৰ ক্ষেত্ৰত দুই ধৰণৰ প্ৰত্যাহ্বানৰ সৃষ্টি হয়। সেয়া ভিতৰৰ আৰু বাহিৰৰ পৰা অহা ভাবুকি। সমাজত সাংবাদিকসকল সুৰক্ষিত নহয়। সাংবাদিকতাৰ আচৰণ, সামাজিক দায়িত্ববোধ পালন আৰু আটাইতকৈ সহজ ভাষাত বাতৰি লিখিব পৰাটোহে প্ৰকৃত সাংবাদিকৰ লক্ষণ। মৰ্যাদাসম্পন্ন সাংবাদিক থাকিলেহে সংবাদ মাধ্যমৰ মৰ্যাদা বাঢ়িব। সংবাদ মাধ্যমত সংকটৰ সৃষ্টি হৈছে। সভাত তামুলপুৰ মহকুমা আৰক্ষী বিষয়া ৰূপজ্যোতি কলিতাই কয় যে সমাজত সংবাদ মাধ্যমে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। ভাৰতীয় গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ সাংবাদিকসকলে সত্যৰ ওপৰত প্ৰতিষ্ঠিত নিৰপেক্ষ বাতৰি পৰিৱেশন কৰা উচিত। প্ৰবীণ সাংবাদিকসকলে নতুন প্ৰজন্মৰ সাংবাদিকসকলক প্ৰেৰণা দিয়া উচিত। সভাত তামুলপুৰৰ প্ৰাক্তন সাংবাদিক মুকুন্দ দাস, কন্দৰ্প কলিতাৰ উপৰি ভালেকেইগৰাকী বক্তাই ভাষণ প্ৰদান কৰে। তামুলপুৰ প্ৰেছ ক্লাবৰ সাধাৰণ সম্পাদক ৰজনী বৰ্মনে আঁত ধৰা মুকলি সভাত বিভিন্ন ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে অঞ্চলটোৰ ১১ গৰাকী বিশিষ্ট ব্যক্তিক গামোচা আৰু মানপত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সভাত সদৌ অসম শৰণীয়া কছাৰী ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক দীপজ্যোতি শৰণীয়া, সদৌ বাঙালী যুৱ ছাত্ৰ ফেডাৰেছনৰ সাধাৰণ সম্পাদক অধীৰ আৰ্য, বাগ্‌সা জিলা ছাত্ৰ সন্থাৰ সভাপতি গোবিন্দ শৰণীয়া, বাগ্‌সা জিলা ছাত্ৰ সন্থাৰ প্ৰতিষ্ঠাপক সভাপতি সোণেশ্বৰ কলিতা, তামুলপুৰ আঞ্চলিক এবছুৰ অজিত বড়ো আৰু বানেশ্বৰ বড়ো, তামুলপুৰ আঞ্চলিক আৰছুৰ পূৰ্ণ ৰাভা, ছাত্ৰ নেতা অনুপ কলিতা, প্ৰাঞ্জল দাস, বিপুল দাস, ধজেন ডেকা, চাহ জনগোষ্ঠী ছাত্ৰ সন্থাৰ জিচাই বাগ, কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ মানসজ্যোতি ৰাজবংশী, কলিতা জনগোষ্ঠী সন্মিলনৰ ৰজনী কলিতা, ভূপেন কলিতাৰ উপৰি অঞ্চলটোৰ বিভিন্ন সংগঠনৰ সভাপতি, সম্পাদক আৰু বিশিষ্ট ব্যক্তিসকলে অংশগ্ৰহণ কৰে। ইয়াৰ আগতে ১৮ ছেপ্টেম্বৰৰ নিশা অনুষ্ঠিত প্ৰেছ ক্লাবৰ গুৰুত্বপূৰ্ণ প্ৰতিনিধি সভাত দীপক কুমাৰ পাঠকক সভাপতি আৰু গুণজিৎ দাসক সাধাৰণ সম্পাদক হিচাপে লৈ ২০২১-২২ৰ বাবে নতুন কাৰ্যনিৰ্বাহক সমিতিখন গঠন কৰা হয়।

# মাজপাথৰিত উন্মোচন হ'ল কৃষ্ণ বৰুৱাৰ ৰচনা সম্ভাৰ

**বিশেষ সংবাদদাতা**

**নগাঁও, ২৪ ছেপ্টেম্বৰ ঃ** দুটাকৈ শতিকাক সাক্ষী কৰি গল্প, কবিতা, উপন্যাস, ভ্ৰমণ কাহিনী, অনুবাদ সাহিত্য, লোক সাহিত্য আৰু আত্মজৈৱনিক ৰচনাৰে অসমীয়া সাহিত্যৰ পাঠকক মন্ত্ৰমুগ্ধ কৰি অহা কৃষ্ণ বৰুৱা ২০১৯ত কৰ্কট ৰোগত আক্ৰান্ত হয়। সম্প্ৰাতি চিকিৎসাধীন বৰুৱাৰ সুযোগ্য জীয়ৰী মনচুন বৰুৱাই কবি নীলাভ সৌৰভ আৰু মদাৰজ্যোতিৰ সহযোগত কঠিন ব্যস্ততাৰে সম্পাদনা কৰা আৰু অসমৰ অগ্ৰণী প্ৰকাশন গোষ্ঠী ক্ৰান্তিকালে প্ৰকাশ কৰা 'কৃষ্ণ বৰুৱাৰ ৰচনা সমগ্ৰ' শীৰ্ষক গ্ৰন্থখন কালি নগাঁও জিলাৰ মাজপাথৰিস্থিত লিখকৰ বাসগৃহত উন্মোচন কৰা হয়। সৰুমা বৰুৱা, তুলসী শইকীয়া, নিৰঞ্জন বৰুৱা, লক্ষীপ্ৰসাদ শইকীয়া, শ্ৰীমন্ত ভূঞা, সতৰাম বৰুৱা, ভাস্কৰ শইকীয়া, অতুল চন্দ্ৰ বৰুৱা, অৱন্তী শইকীয়া, যুৱ কবি ৰূপম নাথ, দীপাঞ্জলি বৰুৱা, গৌৰজ্যোতি বৰুৱা আদিৰ উপস্থিতিত অনুষ্ঠিত হয় গ্ৰন্থ উন্মোচনী সভা। উল্লেখ্য যে ক্ৰান্তিকাল প্ৰকাশনৰ স্বত্বাধিকাৰ কৈলাস কুমাৰ ৰাজখোৱা, লিখক কৃষ্ণ বৰুৱা, বিশিষ্ট শিল্পী গোলাপ বৰা, প্ৰাক্তন শিক্ষাসেৱী প্ৰিয়ম্বদা কাকতি, বিশিষ্ট কবি দুৰ্গেশ্বৰ বৰকটকী, যাত্ৰা আলোচনীৰ অন্যতম সম্পাদক চন্দন গোস্বামীয়ে উন্মোচন কৰা গ্ৰন্থ উন্মোচনী সভাখনৰ আঁত ধৰে মদাৰজ্যোতি আৰু নীলাভ সৌৰভে।

# কৃষি সা-সামগ্ৰী বিক্ৰেতাসকলৰ বাবে ১৫দিনীয়া প্ৰশিক্ষণ কাৰ্যসূচী আৰম্ভ

**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ২৪ ছেপ্টেম্বৰ ঃ** যোৰহাটৰ কৃষি বিশ্ববিদ্যালয় আৰু শোণিতপুৰ জিলাৰ কৃষি বিজ্ঞান কেন্দ্ৰৰ যুটীয়া উদ্যোগত যোৱা ২০ ছেপ্টেম্বৰত নপামস্থিত কৃষি বিজ্ঞান কেন্দ্ৰ চৌহদত কৃষি সা-সামগ্ৰী বিক্ৰেতাসকলৰ বাবে ১৫ দিনীয়া এক প্ৰশিক্ষণ কাৰ্যসূচী উদ্বোধন কৰা হয়। কৃষি বিজ্ঞান কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত বিষয়া ডঃ আৰিফা মমতাজে প্ৰশিক্ষণ কাৰ্যসূচীত উপস্থিত থকা বিশিষ্ট ব্যক্তিসকলৰ লগতে কৃষি সা-সামগ্ৰী বিক্ৰেতাসকলক সম্ভাষণ জনায়। শোণিতপুৰ জিলাৰ উপায়ুক্ত ভূপেশ চন্দ্ৰ দাসে কৃষি কাৰ্যত সা-সামগ্ৰী ব্যৱহাৰৰ লাভালাভৰ বিষয়ে সচেতনতা সৃষ্টিৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব প্ৰদান কৰাৰ বাবে আহ্বান জনায়। কৃষি বিভাগৰ উপ-সঞ্চালক হৰেশ্বৰ দাসে শস্য উৎপাদনত বতৰৰ প্ৰভাৱ, গোলকীয় উষ্ণতা আৰু বিভিন্ন আদৰ্শ কৃষি কৰ্মৰ ওপৰত ব্যাখ্যা আগবঢ়ায়। মহকুমা কৃষি বিষয়া দিগন্ত থাপাই বিক্ৰেতাসকলক এই ১৫দিনীয়া প্ৰশিক্ষণ কাৰ্যসূচীৰ পৰা তেওঁলোকে লাভ কৰিব পৰা সুবিধাসমূহৰ বৰ্ণনা কৰে। ২৫গৰাকী কৃষি সা-সামগ্ৰী ব্যৱসায়ী উপস্থিত থকা প্ৰশিক্ষণ কাৰ্যসূচীত কৃষি পৰিদৰ্শক বিবেক শইকীয়াই শস্য উৎপাদন আৰু বিভিন্ন কৃষি কাৰ্যত ব্যৱহাৰ হোৱা সা-সঁজুলিৰ বিষয়ে বৰ্ণনা কৰে। প্ৰশিক্ষণ কাৰ্যসূচীৰ প্ৰথম দিনৰ কাৰিকৰী আলোচনাচক্ৰত ৰাজ্যখনৰ কৃষি পৰিৱেশৰ পৰ্যালোচনা, কৃষি-পৰিৱেশগত পৰিস্থিতিৰ বাবে উপযুক্ত শস্যৰ ব্যৱস্থা আদিৰ ওপৰত বক্তব্য দাঙি ধৰে ডঃ নমিতা দত্তই। সংযুক্তা শইকীয়াই সম্পাদন কৰা আলোচনাচক্ৰত অসমৰ কৃষি পৰিৱেশ সংমণ্ডল আৰু এই সংমণ্ডলসমূহত উৎপাদন হোৱা গুৰুত্বপূৰ্ণ শস্য আৰু এনে শস্যত হোৱা ৰোগ নিয়ন্ত্ৰণৰ বাবে ল'বলগীয়া ব্যৱস্থা আদিৰ বিষয়ে আলোকপাত কৰে।

## কমলপুৰত বিজেপিৰ মহিলা মৰ্চাৰ সেৱা আৰু সমৰ্পণ

অগ্ৰদূত বাৰ্তা
**কমলপুৰ, ২৪ ছেপ্টেম্বৰ ঃ** দেশৰ প্ৰধানমন্ত্ৰীৰ ৭১ সংখ্যক জন্মদিনৰ লগত সংগতি ৰাখি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে কমলপুৰতো বিজেপিয়ে বিভিন্ন কাৰ্যসূচীত ৰূপায়ণ কৰিছে। কালি উত্তৰ কামৰূপ জিলা মহিলা মৰ্চাৰ উদ্যোগত কমলপুৰ মণ্ডলৰ সহযোগত কমলপুৰ মণ্ডল কাৰ্যালয়ত এক স্বচ্ছ আৰু ফলমূল বিতৰণ কাৰ্যসূচী ৰূপায়ণ কৰে। মৰ্চাই স্বচ্ছ অভিযান, বৃক্ষৰোপণ, ফলমূল বিতৰণ কৰা কাৰ্যসূচীত উপস্থিত থাকে ৰাজ্যিক বিজেপিৰ মহিলা মৰ্চাৰ সংবাদ কোষৰ সহ আহ্বায়িকা নীপামণি ঠাকুৰীয়া, উত্তৰ কামৰূপ জিলাৰ মহিলা মৰ্চাৰ সভানেত্ৰী নমিতা চৌধুৰী কলিতা, কমলপুৰ মণ্ডল মহিলা মৰ্চাৰ সভানেত্ৰী চন্দনা বৰুৱা প্ৰমুখ্যে জিলা, মণ্ডলৰ বিষয়ববীয়াসকল।

## গলবিলেনী উন্মোচন

অগ্ৰদূত বাৰ্তা
**ঘগ্ৰাপাৰ, ২৪ ছেপ্টেম্বৰ ঃ** জাপাৰকুছিৰ বৰনামঘৰৰ সমীপৰ নিবেদিতা হাজৰিকাৰ বাসগৃহত অনুষ্ঠিত এখন সভাত কালি চম্পক তালুকদাৰৰ দ্বাৰা সম্পাদিত আৰু সাঁকোৰ দ্বাৰা প্ৰকাশিত কাব্য সংকলন 'গলবিলেনী' উন্মোচন কৰা হয়। কবি, অনুবাদক স্মৃতিৰেখা সোণোৱালে উক্ত সংকলনখন উন্মোচন কৰি কয় যে নলবাৰীৰ পৰা কেৱল নাৰী কবিৰ দ্বাৰা ৰচিত কবিতাৰে সংকলিত এই সংকলনখনে এক নতুন বাৰ্তা বহন কৰিছে। ভাষণ প্ৰসংগত তেওঁ কয় যে নলবাৰীৰ কাব্য ইতিহাস বৰ চহকী। গ্ৰন্থ উন্মোচন অনুষ্ঠানৰ লগত সংগতি ৰাখি কবি, নাট্যকাৰ অজিত মহন্তৰ সঞ্চালনাত অনুষ্ঠিত কবিতা সন্ধিয়াত নৰজ্যোতি পাঠক, শান্তনু শৰ্মা, নিতুল কুমাৰ দত্ত, ৰীতা শৰ্মা, দ্বীপ শালৈ, জয়চন্দ্ৰ শৰ্মা, ৰমেন ৰাজবংশী আদি কবিয়ে কবিতা পাঠ কৰে।

## সমাজক সমৃদ্ধ কৰাত কৃষিখণ্ডৰ গুৰুত্ব অনস্বীকাৰ্য

### ■ কৃষি বিজ্ঞানীয়ে প্ৰস্তুত কৰিব প্ৰকল্পৰ প্ৰতিবেদন

বিশেষ সংবাদদাতা
**পাঠশালা, ২৪ ছেপ্টেম্বৰ ঃ** কৃষি খণ্ডৰ উৎপাদন বৃদ্ধিয়ে এখন সমাজ অথবা ৰাজ্য এখনক অকল সমৃদ্ধিশালীয়ে নকৰে, কাৰ্যতঃ অৰ্থনৈতিকভাৱে, সাংস্কৃতিকভাৱে আৰু সামাজিক সম্প্ৰীতিৰ ভাৰসাম্যৰে যোগাত্মক দিশত বাস্তৱিকতেই সমাজ সমৃদ্ধ কৰে। সমাজৰ শ্ৰীবৃদ্ধি আৰু সৱল পুষ্টিৰ বাবে যথাৰ্থতে কৃষিখণ্ডৰ আছে অনস্বীকাৰ্য গুৰুত্ব। কৃষিখণ্ডত কৰা আত্মনিয়োগে ব্যক্তিৰ মন, মানসিকতাৰ পৰিৱৰ্তন সাধন কৰে অনন্য ৰূপত।' এই মন্তব্য বজালীৰ উপায়ুক্ত ভাৰত ভূষণ দেৱ চৌধুৰীৰ। কৃষিখণ্ডৰ উৎপাদন বৃদ্ধিৰ প্ৰসংগত অনুষ্ঠিত গুৰুত্বপূৰ্ণ এক বৈঠকত উল্লিখিত ধৰণে স্বঅভিমত আগবঢ়াই উপায়ুক্ত চৌধুৰী কয় যে কৃষি বিপ্লৱৰ জৰিয়তে বজালীৰ অৰ্থনীতিৰ বুনিয়াদ নিৰ্মাণ কৰাৰ লগতে সামাজিক সমতা, সমন্বয় আৰু সম্প্ৰীতিও বৃদ্ধি কৰিব লাগিব। ক'ভিডকালীন সময়ত দেখা গৈছিল বহু লোকে কৃষিখণ্ডত আত্মনিয়োগ কৰিছিল আৰু বজাৰত বিক্ৰীৰ বাবে নহ'লেও ঘৰুৱা প্ৰয়োজন পূৰণ কৰাৰ উপৰি সামাজিকভাৱে এই ব্যৱস্থাৰ জৰিয়তে ইজনৰ লগত সিজনৰ আত্মিক সম্পৰ্ক গঢ়ি উঠিছিল আৰু এনেদৰেই অবসাদগ্ৰস্ততা দূৰ কৰাৰ উপৰিও সমাজত এক কথাত সংহতিৰ পৰিৱেশ ৰচনা হৈছিল। কৃষি কৰ্মই বৃদ্ধি কৰে সমাজৰ সাংস্কৃতিক ঐক্য আৰু সভ্যতাক কৰি তোলে মহীয়ান। এনে এক প্ৰেক্ষাপটত পৰীক্ষামূলকভাৱে বজালীত নব্য ৰূপত কৃষি বিপ্লৱৰ সূচনা কৰিবলৈ জ্যেষ্ঠ কৃষি বিজ্ঞানী ড° অৰূপ কুমাৰ ডেকাক এই সম্পৰ্কীয় প্ৰকল্পৰ প্ৰতিবেদন প্ৰস্তুত কৰিবলৈ বজালীৰ উপায়ুক্ত দেৱ চৌধুৰীয়ে নিৰ্দেশ দিছে। আশা কৰা হৈছে এই প্ৰকল্পই বজালীৰ কৃষি অৰ্থনীতিৰ লগতে সমাজ জীৱনতো লক্ষ্যণীয় প্ৰভাৱ পেলাব যাৰ দ্বাৰা অনাগত দিনত সামাজিক, সাংস্কৃতিক আৰু অৰ্থনৈতিকভাৱে বজালী ঐতিহ্যশালী হৈ উঠিব।

## বংগীয় মেৰুকৰণেৰে সুধাকণ্ঠক অসন্মান কৰাত নাট্য সন্মিলনৰ প্ৰতিক্ৰিয়া

### ■ ভূপেন্দ্ৰ সংগীতক ৰবীন্দ্ৰ সংগীত হিচাপে প্ৰচাৰ

অগ্ৰদূত বাৰ্তা
**হাউলী, ২৪ ছেপ্টেম্বৰ ঃ** ভাৰত ৰত্ন ড০ ভূপেন হাজৰিকাক বংগীয় মেৰুকৰণেৰে অসন্মান কৰি ভূপেন্দ্ৰ সংগীতক চৰম অপমান কৰা কাৰ্যত অসন নাট্য সন্মিলনে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। অসম নাট্য সন্মিলনৰ সভাপতি কুমাৰ দীপক দাস, প্ৰধান সম্পাদক গিৰিধৰ ৰায় আৰু প্ৰচাৰ সম্পাদক যুগান্ত বায়নে কলকাতাৰ মেৰুকৰণেৰে ড০ হাজৰিকাৰ শিল্পী সত্ত্বাক অপমান কৰা কাৰ্যক ভাষাৰে গৰিহণা দিছে। সুধাকণ্ঠৰ 'ডুগ ডুগ ডুগ ডুগ ডম্বৰু মেঘে বজায় ডম্বৰু' শীৰ্ষক গীতটোক বাংলা ভাষালৈ অনুবাদ কৰি কলকাতাৰ এইহ এম ভিৰ ইউটিউবৰ প্ৰতিষ্ঠান 'সা ৰে গা মা বাংলা কি কাৰৱানে' গীতটো ৰবীন্দ্ৰ সংগীতৰূপে উপস্থাপন কৰা কাৰ্য অতি নিন্দনীয়। অসম নাট্য সন্মিলনে ইতিমধ্যে চাৰি লাখৰো অধিক শ্ৰোতাই পছন্দ কৰা 'ডুগ ডুগ ডুগ ডুগ ডম্বৰু মেঘে বজায় ডম্বৰু' শীৰ্ষক গীতটো ৰবীন্দ্ৰ সংগীত বুলি প্ৰচাৰ কৰি অকল সুধাকণ্ঠকে অপমান কৰা নাই বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰকো অপমান কৰা হৈছে। নাট্য বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰক নমুষ্য ব্যক্তি বুলি অভিহিত কৰি এই সমগ্ৰ বিষয়টোৰ ক্ষেত্ৰত অসম বা বংগ দেশত থকা ৰবীন্দ্ৰনাথ ঠাকুৰ বিষয়ক ব্যক্তিসকলক এক জনমত গঠন কৰিবলৈ আহ্বান জনাইছে।

### ■ তথাকথিত ফটোগ্ৰাফাৰৰ জঘন্য কাণ্ডক গৰিহণা

## সাংবাদিকক চৰকাৰীভাৱে স্বীকৃত 'প্ৰেছ জেকেট' প্ৰদানৰ দাবী 'জুৱা'ৰ

ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ২৪ ছেপ্টেম্বৰ ঃ** দৰং জিলাৰ ছিপাঝাৰৰ ধলপুৰত বৃহস্পতিবাৰে এক উচ্ছেদ অভিযানকালীন গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈ মাটিত ঢলি পৰা এজন বৃদ্ধ লোকৰ ওপৰত এজন ফটোগ্ৰাফাৰে জঁপিয়াই পৰাৰ দৰে অমানৱীয় আৰু ভয়াৱহ কাৰ্যক তীব্ৰ গৰিহণা দিয়ে জাৰ্ণেলিষ্ট ইউনিয়ন অৱ আসাম (জুৱা)-এ। এক বিবৃতিত জুৱাৰ সভাপতি বেদব্ৰত লহকৰ, কাৰ্যকৰী সভাপতি চেমিম চুলতানা আহমেদ আৰু সাধাৰণ সম্পাদক ধনজিৎ কুমাৰ দাসে কয় যে এই ঘটনা সন্দৰ্ভত ভাইৰেল হৈ পৰা ভিডিঅ' তথা পৰৱৰ্তী পৰ্যায়ত লাভ কৰা তথ্যত নিশ্চিত হয় যে দুষ্কৃতিকাৰী যুৱকজন সাংবাদিক নহয়। দৰং জিলা প্ৰশাসনে তেওঁক ফটো সংগ্ৰহৰ বাবে নিয়োগ কৰিছিল। সাংবাদিক বুলি বিভ্ৰান্তিৰ সৃষ্টি কৰা ফটোগ্ৰাফাৰজনৰ জঘন্য কাৰ্যৰ বিৰুদ্ধে চৰকাৰে কঠোৰ ব্যৱস্থা ল'ব লাগে। এই প্ৰসংগতে জুৱাই চৰকাৰীকভাৱে স্বীকৃতিপ্ৰাপ্ত 'প্ৰেছ জেকেট' সাংবাদিকসকলক প্ৰদানৰ বাবে অসম চৰকাৰক দাবী জনায় যাতে প্ৰকৃত সাংবাদিকসকলক অনায়াসে চিনাক্ত কৰিব পাৰি। উল্লেখ্য যে বিভিন্ন জিলা প্ৰশাসনে সন্দেহজনক অহৰ্তাসম্পন্ন ফটোগ্ৰাফাৰ বিভিন্ন সময়ত নিয়োগ কৰাটো দৃষ্টিগোচৰ হৈছে। সেয়ে স্পৰ্শকতাৰ ঘটনাৰ ফটো সংগ্ৰহৰ বাবে নিয়োগৰ পূৰ্বে এইক্ষেত্ৰত তেনে লোকৰ বিশ্বাসযোগ্যতা নিশ্চিত কৰিবলৈ জুৱাই অনুৰোধ জনায়।

## লাহৰীঘাটত বজাৰ গৃহ উদ্বোধন

অগ্ৰদূত বাৰ্তা
**লাহৰীঘাট, ২৪ ছেপ্টেম্বৰ ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট বজাৰত ২০১৯-২০ৰ সাংসদ অঞ্চল উন্নয়ন পুঁজিৰে নিৰ্মাণ কৰা বজাৰ গৃহ যোৱা ২৩ ছেপ্টেম্বৰত উদ্বোধন কৰে কলিয়াবৰ লোকসভা সমষ্টিৰ সাংসদ তথা লোকসভাৰ বিৰোধী দলৰ উপ-দলপতি গৌৰৱ গগৈয়ে। ভাষণ প্ৰসংগত সাংসদজনে শাসনাধিষ্ঠ বিজেপি চৰকাৰৰ মূল্যবৃদ্ধি নিয়ন্ত্ৰণ কৰাৰ ক্ষেত্ৰত সম্পূৰ্ণ ব্যৰ্থ হৈছে বুলি কয়। শেহতীয়াকৈ দৰং জিলাৰ গুৰুখুঁটিত উচ্ছেদ কৰিবলৈ গৈ প্ৰতিবাদকাৰী আৰু আৰক্ষীৰ মাজত হোৱা সংঘৰ্ষৰ কাৰণে চৰকাৰক দোষাৰোপ কৰে সাংসদ গগৈয়ে। কিয়নো ন্যায়ালয়ে মহামাৰীৰ সময়ত উচ্ছেদ অভিযান স্থগিত ৰখা সত্ত্বেও ৰাজ্য চৰকাৰে অমানৱীয়ভাৱে নিৰীহ সংখ্যালঘু লোকক উচ্ছেদ কৰিবলৈ যোৱাৰ ফলত এই সংঘৰ্ষৰ সৃষ্টি হোৱা বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰে।

## মধ্য যোৰহাট খণ্ড শিক্ষা বিষয়াৰ কাৰ্যালয়ত কৰ্মচাৰীৰ অভাৱ

অগ্ৰদূত বাৰ্তা
**লাহদৈগড়, ২৪ ছেপ্টেম্বৰ ঃ** অসম চৰকাৰৰ উচ্চ প্ৰাথমিক শিক্ষা বিভাগৰ অন্তৰ্গত মধ্য যোৰহাট খণ্ড শিক্ষা বিষয়াৰ কাৰ্যালয়ত কৰ্মচাৰীৰ অভাৱত শিক্ষা বিভাগৰ কাম স্থবিৰ হৈ পৰিছে। মধ্য যোৰহাট খণ্ড শিক্ষা বিষয়া কাৰ্যালয়ত জ্যেষ্ঠ সহায়ক, কনিষ্ঠ সহায়ক আৰু পৰিসংখ্যা বিষয়াৰ পদ খালী হৈ থকাত শিক্ষা বিভাগৰ কাম সময় মতে নোহোৱাত মধ্য যোৰহাট শিক্ষকসকলৰ সমস্যাৰ সন্মুখীন হৈছে। মধ্য যোৰহাট খণ্ড শিক্ষা বিষয়া কাৰ্যালয়টো শিক্ষা বিষয়া আৰু চতুৰ্থ শ্ৰেণীৰ এজন কৰ্মচাৰীয়ে চলাই আছে। অসম চৰকাৰৰ শিক্ষামন্ত্ৰীয়ে মধ্য যোৰহাট খণ্ড শিক্ষা বিষয়াৰ কাৰ্যালয়ত কৰ্মচাৰীৰ পদত নিযুক্তি দি শিক্ষকৰ সমস্যা সমাধানৰ বাবে ৰাইজে আহ্বান জনাইছে।

### ■ কুম্ভকৰ্ণ নিদ্ৰাত অসম চৰকাৰ, মাজুলী জিলা প্ৰশাসন আৰু মাজুলীৰ সুৰক্ষাৰ দায়িত্বৰত ব্ৰহ্মপুত্ৰ ব'ৰ্ড ■ ছাত্ৰ সন্থাৰ প্ৰতিক্ৰিয়া ■ কোটি কোটি টকা ব্যয়েৰেও নহ'ল প্ৰতিৰোধ

# উজনি মাজুলীৰ শালমৰাত ব্যাপক খহনীয়া



অগ্ৰদূত বাৰ্তা
**কমলাবাৰী, ২৪ ছেপ্টেম্বৰ ঃ** ১৯৭৪ৰ পৰা ধাৰাবাহিকভাৱে বিগত সময়ছোৱাত ব্যাপক গৰাখহনীয়াত পতিত হৈ শালমৰা গাঁৱৰ বহু পৰিয়ালে নিজৰ গৃহ হেৰুৱালে, মাটি হেৰুৱালে আৰু গাঁওখনৰ পৰা বহু পৰিয়ালে বিভিন্ন স্থানলৈ স্থানান্তৰিত হৈ গ'ল আৰু এতিয়াও অঞ্চলটোৰ ছশ পৰিয়াল খহনীয়াত পতিত হোৱাৰ আশংকা দেখা দিছে। কিন্তু ব্ৰহ্মপুত্ৰ ব'ৰ্ড নামৰ কেন্দ্ৰীয় সংস্থাটোৰ উপযুক্ত ব্যৱস্থাৰ অভাৱত এনে অৱস্থা হোৱাটো অতি লজ্জাজনক বুলি অঞ্চলবাসীয়ে মন্তব্য কৰিছে। ব্ৰহ্মপুত্ৰ ব'ৰ্ড নামৰ কোম্পানীটোক মাজুলীৰ দায়িত্ব দিয়াৰ কালৰে পৰা কোটি কোটি টকা চৰকাৰে আবন্টন দিলে সেই টকাৰ এক শতাংশও সৎ ভাৱে ব্যৱহাৰ নহ'ল। মাজুলী জিলা প্ৰশাসনেও নীৰৱ ভূমিকা পালন কৰি আহিছে পূৰ্বৰে পৰা। চৰকাৰে ফুলজাৰি মৰা বহু কথাই কৈ যায় কিন্তু কামৰ নামত কোনো দিন প্ৰযোজ্য নহয়।

কিয় এনে পৰিস্থিতিৰ সৃষ্টি হৈছে সেই বিষয়ত পূব মাজুলী আঞ্চলিক ছাত্ৰ সন্থাই সন্দেহ প্ৰকাশ কৰিছে। পূব মাজুলী আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি যদুমণি হাজৰিকাই কয় যে মাজুলীৰ খহনীয়া কেৱল হোৱা সমস্যা নহয়। এই বিপদ পূৰ্বৰে পৰা হৈ আহিছে কিন্তু কোনো ফলপ্ৰসূ ব্যৱস্থা লোৱা নাই চৰকাৰ আৰু জিলা প্ৰশাসনে। চপৰা-চপৰে খহিছে নদীৰ পাৰ, জিঅ' বেগ ব্ৰহ্মপুত্ৰৰ বুকুত বিলীন হৈ গৈছে তথাপি জিলা প্ৰশাসন নীৰৱ কিয়? আনহাতে, সম্পাদক দীপাংকৰ ৰাজখোৱাই কয় নে ব্ৰহ্মপুত্ৰ ব'ৰ্ড, মাজুলী জিলা প্ৰশাসনৰ এক গোপন মিতিৰালি আছে যাৰ বাবে ইমান খহনীয়াৰ পাছতো প্ৰশাসন নীৰৱ। প্ৰশাসনৰ গোপন বুজাবুজি নথকা হ'লে ব্ৰহ্মপুত্ৰ ব'ৰ্ড নামৰ কোম্পানীটোক খহনীয়া প্ৰতিৰোধ হোৱাকৈ ব্যৱহাৰ কৰিলেহেঁতেন। সদৌ মাজুলী জিলা ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক কাকুমণি কলিতাই কয় যে ইতিমধ্যে ২৩৭ কোটি টকা ব্ৰহ্মপুত্ৰ ব'ৰ্ড নামৰ এই অকৰ্মণ্য কোম্পানীটোৱে অবাধ দুৰ্নীতিৰে আত্মসাং কৰিলে। দায়িত্ব গ্ৰহণৰ কালৰে পৰা ব্ৰহ্মপুত্ৰ ব'ৰ্ড নামৰ এই কোম্পানীটোৱে মাজুলীক সুৰক্ষা দিয়াত বিফল হৈছে। কিন্তু ইমান হোৱাৰ পাছতো কিয় বাৰে বাৰে এই কোম্পানীটোক দায়িত্ব দিছে সিও সন্দেহজনক। লগতে আৰু কিয় যে অসম চৰকাৰৰ জলসম্পদ বিভাগো ইতিমধ্যে মাজুলী সুৰক্ষাৰ ক্ষেত্ৰত বিফল হৈছে।

কালি শালমৰা গাঁও শেষ হ'বলৈ গৈ আছে আৰু বৰ্তমান মাজুলী জিলাৰ উপায়ুক্তজনে শীত-তাপ নিয়ন্ত্ৰিত কোঠাত বহি খহনীয়া অঞ্চল পৰিদৰ্শন নকৰাটো এক ৰহস্য বুলি অভিযোগ উত্থাপিত কৰে জাতীয় সংগঠনটোৱে। তাৎক্ষণিকভাৱে যদি অসম চৰকাৰ, মাজুলী জিলা প্ৰশাসন আৰু ব্ৰহ্মপুত্ৰ ব'ৰ্ডে ফলপ্ৰসূভাৱে খহনীয়া প্ৰতিৰোধৰ কাম নকৰে তেনেহ'লে পূব মাজুলী আঞ্চলিক ছাত্ৰ সন্থাই বৃহৎ আন্দোলনৰ কাৰ্যসূচী ৰূপায়ণ কৰিব বুলি সভাপতি-সম্পাদকে অসম চৰকাৰ, মাজুলী জিলা প্ৰশাসন আৰু ব্ৰহ্মপুত্ৰ ব'ৰ্ডক সকীয়াই দিয়ে। কাৰণ নৈপৰীয়া মানুহৰ জীয়াই থকাৰ শেষ আশাকণো নিঃশেষ হ'বলৈ গৈছে বিজেপি চৰকাৰৰ কাৰ্যকালত। শেহতীয়াকৈ অসমৰ জলসম্পদ মন্ত্ৰীজনে দিয়া আশ্বাস এতিয়া ভেঁকোভাওনাত পৰিণত হৈছে মাজুলীত। বছৰটোত বানৰ উপদ্ৰৱ নাই যদিও ঠায়ে ঠায়ে খহনীয়াই কালৰূপ ধাৰণ কৰিছে।

## নাগাৰা নামৰ পাঠক কৈলাশ তালুকদাৰৰ গৃহত সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামী

অগ্ৰদূত বাৰ্তা
**ঘগ্ৰাপাৰ, ২৪ ছেপ্টেম্বৰ ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ বাঘমাৰা গাঁৱৰ বিশিষ্ট পাঠক কৈলাশ তালুকদাৰৰ বাসগৃহত আজি বিয়লি মাজুলীৰ শ্ৰীশ্ৰী আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰী ড° পীতাম্বৰ দেৱ গোস্বামী উপস্থিত হয়।



বিভিন্ন ৰোগত অসুস্থ হৈ থকা বিশিষ্ট পাঠক তালুকদাৰৰ খা-খবৰ কৰাৰ লগতে হৰি নামৰ সম্পৰ্কত কেতবোৰ আলোচনাত মিলিত হয় সত্ৰাধিকাৰজনে। ইফালে, সত্ৰাধিকাৰ গোস্বামীয়ে সংবাদ মাধ্যমৰ আগত অসম চৰকাৰে ড্ৰাগছ আৰু দালাল চক্ৰৰ বিৰুদ্ধে যি ব্যৱস্থা লৈছে সেয়া আদৰণীয় বুলি সদৰী কৰে। তেওঁ চৰকাৰ প্ৰশাসনে উচ্ছেদ অভিযান চলোৱা কাৰ্যক প্ৰশংসা কৰে যদিও সাধাৰণ মানুহ বা নিৰ্দোষী লোক যাতে হাৰাশাস্তিৰ সন্মুখীন নহয় তাৰ বাবে চৰকাৰক লক্ষ্য ৰাখিবলৈ আহ্বান জনায়। লগতে গোস্বামীয়ে নাগাৰা নামৰ বিশিষ্ট পাঠক তালুকদাৰক চৰকাৰ তথা মুখ্যমন্ত্ৰীয়ে উন্নত চিকিৎসাৰ ক্ষেত্ৰত বিশেষ ব্যৱস্থা ল'বলৈ আহ্বান জনায়। অনুষ্ঠানত বিশিষ্ট পাঠক তালুকদাৰ পত্নী তথা নাগাৰা নামৰ পাঠিকা বৈজয়ন্তী তালুকদাৰে সত্ৰাধিকাৰজনক গামোচাৰে সম্বৰ্ধনা জনায়।

## ভক্তৰডবাত পোষণ মাহৰ সজাগতা সভা

অগ্ৰদূত বাৰ্তা
**কয়াকুছি, ২৪ ছেপ্টেম্বৰ ঃ** সৰুক্ষেত্ৰী সমষ্টিৰ কয়াকুছিস্থিত পাকা বেতবাৰী সংহত শিশু উন্নয়ন প্ৰকল্পৰ অধীনত ভক্তৰডবা চক্ৰৰ ৰাষ্ট্ৰীয় পোষণ মাহৰ সজাগতা সভা আজি ৮১২ নম্বৰ নলীগাঁও প্ৰাথমিক বিদ্যালয়ত থকা ৯২ নম্বৰ দক্ষিণ নলীগাঁও অংগনৱাড়ী কেন্দ্ৰত অনুষ্ঠিত হয়। সজাগতা সভাৰ কাৰ্যসূচীৰ অংশ হিচাপে বৃক্ষৰোপণ কৰে পাকা বেতবাৰী সংহত শিশু উন্নয়ন প্ৰকল্পৰ উন্নয়ন বিষয়া কমল কুমাৰ শৰ্মাই। সভাত বিভিন্ন পুষ্টিকৰ আহাৰৰ প্ৰদৰ্শনী কৰে ভক্তৰডবা চক্ৰৰ অংগনৱাড়ীসকলে। ৮১২ নম্বৰ নলীগাঁও প্ৰাথমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক আব্দুছ ছামাদৰ সভাপতিত্বত অনুষ্ঠিত সভাত পাকা বেতবাৰী সংহত শিশু উন্নয়ন বিষয়া কমল কুমাৰ শৰ্মা, পোষণ সমন্বয়ক সৌৰভ কুমাৰ দাস, পোষণ সহায়ক ননী গোপাল গোস্বামী, ভক্তৰডবা চক্ৰৰ মুখ্য সেৱিকা জুৰি দাস, ভক্তৰডবা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ এ এন এম ৰমেনা খাতুন, ভক্তৰডবা চক্ৰৰ ৩০ গৰাকীকৈ অংশগ্ৰহণ কৰে। প্ৰকল্প বিষয়াই পোষণ মাহ উপলক্ষে কৰ্মী তথা সহায়িকাসকলে গৰ্ভৱতী, শিশুসকলৰ মাজত খাদ্য সম্পৰ্কে সজাগতা আনিবলৈ আহ্বান জনোৱাৰ লগতে সকলো কৰ্মী তথা সহায়িকাসকলক দায়িত্ব সঠিকভাৱে পালন কৰিবলৈ আহ্বান জনায়।

## নয়াবস্তিত পোষণ হুইল পালন

অগ্ৰদূত বাৰ্তা
**বাগানপাৰা, ২৪ ছেপ্টেম্বৰ ঃ** ৰাষ্ট্ৰীয় পোষণ মাহ উপলক্ষে ধমধমা সংহত শিশু উন্নয়ন প্ৰকল্প ধমধমাৰ উদ্যোগত পৰহি পোষণ হুইল কাৰ্যসূচী পালন কৰা হয়। নয়াবস্তি কাৰ্যালয় প্ৰাংগণত অনুষ্ঠিত কাৰ্যসূচীত প্ৰকল্প বিষয়া ললিতা দেৱী, সেৱিকা মালৱিকা ঠাকুৰীয়া আদি উপস্থিত থাকে। ধমধমা খণ্ড উন্নয়ন বিষয়া ভাস্কৰ চক্ৰৱৰ্তীয়ে উদ্বোধন কৰা অনুষ্ঠানটোত অংগনৱাড়ী কৰ্মী-সহায়িকাসকলে অংশগ্ৰহণ কৰি বিভিন্ন গীত মাত, নৃত্যৰে চলন্ত পোষণ শীৰ্ষক বাছখন আদৰি আনে।

### ■ বোকাখাতত মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ অধীনত ধনাদেশ প্ৰদান

## চৰকাৰী আঁচনিৰ জৰিয়তে যুৱক-যুৱতীক স্বাৱলম্বী হ'বলৈ আহ্বান

অগ্ৰদূত বাৰ্তা
**বোকাখাত, ২৪ ছেপ্টেম্বৰ ঃ** বোকাখাত মহকুমা প্ৰশাসন আৰু জিলা পশুপালন আৰু জিলা পশু চিকিৎসা বিভাগ, গোলাঘাটৰ সৌজন্যত কালি মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ অধীনত হাঁহ-কুকুৰা, গৰু ছাগলী তথা গাহৰি পালনৰ বাবে আত্মসহায়ক গোটৰ মাজত ধনাদেশ বিতৰণ কৰা হয়। বোকাখাতৰ নাট্যমন্দিৰত অনুষ্ঠিত এই ধনাদেশ বিতৰণ কাৰ্যসূচীত মুখ্য অতিথি হিচাপে উপস্থিত থাকে কৃষি, পশুপালন আৰু পশু চিকিৎসা মন্ত্ৰী তথা বোকাখাত বিধানসভা সমষ্টিৰ বিধায়ক অতুল বৰাই। উক্ত ধনাদেশ বিতৰণ কাৰ্যসূচীত ৩০টা আত্মসহায়ক গোটলৈ প্ৰথম কিস্তিৰ চেক বিতৰণ কৰা হয়। আনহাতে, পৰৱৰ্তী পৰ্যায়ত বাকী থকা আত্মসহায়ক গোটসমূহকো চেক প্ৰদানৰ ব্যৱস্থা কৰা হ'ব। উল্লেখ্য যে চলিত বৰ্ষৰ ২৬ ফেব্ৰুৱাৰীত কৃষি, পশুপালন মন্ত্ৰী অতুল বৰাই এই আঁচনিৰ আৰম্ভ কৰিছিল। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি কৃষি-পশুপালন মন্ত্ৰী বৰাই ৰাজ্যৰ নিবনুৱা যুৱক-যুৱতীসকলৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা চৰকাৰী আঁচনি তথা অনুদানৰ সদ্ব্যৱহাৰেৰে আৰ্থিকভাৱে স্বাৱলম্বী হ'বলৈ আহ্বান জনায়। আনহাতে, কৃষি পশুপালনৰ দ্বাৰাহে এখন দেশ তথা ৰাজ্যৰ অৰ্থনৈতিক উত্তৰণ সম্ভৱপৰ বুলিও কৃষি মন্ত্ৰীজনে উল্লেখ কৰে। ইয়াৰ লগতে পশুপালন বিভাগত হিতাধিকাৰীসকলক যথাসম্ভৱ সহায়-সহযোগিতা আগবঢ়াবলৈয়ো আহ্বান জনায়। উক্ত অনুষ্ঠানত মহকুমাধিপতি ডাঃ নেহা যাদৱে সকলো আত্মসহায়ক গোটকে চৰকাৰী এই অনুদানৰ সদ্ব্যৱহাৰ কৰি স্বাৱলম্বী হ'বলৈ আহ্বান জনায়। ইয়াৰ লগতে মহকুমাধিপতিয়ে চৰকাৰী অনুদানৰ যাতে অপচয় নহয় সেয়া সুনিশ্চিত কৰিবলৈ পৰামৰ্শ দিয়ে। উক্ত অনুষ্ঠানত পশুপালন বিভাগৰ সঞ্চালক ইন্দিৰা আৰ কলিতা, অতিৰিক্ত সঞ্চালক ডাঃ দিলীপ ভূঞা, জিলা পশুপালন আৰু পশু চিকিৎসা বিষয়া ডাঃ সত্য দত্ত চৌধুৰী প্ৰমুখ্যে পশুপালন আৰু চিকিৎসা বিভাগৰ বিষয়া-কৰ্মচাৰী আৰু বোকাখাত মহকুমাৰ বিভিন্ন অঞ্চলৰ আত্মসহায়ক গোটসমূহ উপস্থিত থাকে।

## সৰবৰহী মহিলা কল্পনা বৰুৱাৰ বিয়োগ

অগ্ৰদূত বাৰ্তা
**নলবাৰী, ২৪ ছেপ্টেম্বৰ ঃ** নলবাৰী জিলাৰ কমাৰকুছিৰ ব্যৱসায়ী প্ৰয়াত চন্দ্ৰধৰ বৰুৱাৰ দ্বিতীয় বোৱাৰী তথা ধৰ্মপ্ৰাণা, সৰবৰহী মহিলা কল্পনা বৰুৱাৰ (৬৮) কালি পুৱতি নিশা গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত পৰলোকপ্ৰাপ্তি হয়। উল্লেখ্য যে বৰ্তমান গুৱাহাটী চান্দমাৰি নিবাসী ধৰ্মপ্ৰাণা মহিলাগৰাকীৰ মৃত্যুত চান্দমাৰিৰ লগতে জিলাখনৰ কমাৰকুছি গাঁৱতো শোকৰ ছাঁ পৰিছে। তেওঁ এসময়ৰ অৰুণাচল প্ৰদেশৰ প্ৰাক্তন বন বিষয়া প্ৰয়াত মনমোহন বৰুৱাৰ সহধৰ্মিণী আছিল। মৃত্যুৰ সময়ত তেওঁ তিনিজন পুত্ৰ, বোৱাৰী, নাতি-নাতিনী এৰি যায়।

### ■ কলিয়াপানী উন্নয়ন খণ্ডৰ পঞ্চায়তত ব্যাপক অনিয়ম

## দুবছৰে সম্পূৰ্ণ নহ'ল প্ৰধানমন্ত্ৰী আৱাস



অগ্ৰদূত বাৰ্তা
**জাঁজী, ২৪ ছেপ্টেম্বৰ ঃ** কলিয়াপানী উন্নয়ন খণ্ডৰ অন্তৰ্গত গাঁও পঞ্চায়তসমূহৰ বিভিন্ন আঁচনিত অনিয়ম হোৱাৰ উপৰি প্ৰধানমন্ত্ৰী আৱাস গৃহ নিৰ্মাণত বহুকেইটা পঞ্চায়তত অনিয়মেৰে ধন আত্মসাৎ কৰাৰ অভিযোগ উত্থাপিত হৈছে। আছুৰ অভিযোগ অনুসৰি, ভগামুখ গাঁও পঞ্চায়তৰ অন্তৰ্গত বহতীয়া চাপৰিচুকৰ নিবাসী ইন্দিৰা বৰা নামৰ মহিলাগৰাকীৰ নামত ২০১৯ৰ মে'তেই এটা প্ৰধানমন্ত্ৰী আৱাস গৃহ আবন্টিত হৈছিল। পৰিতাপৰ বিষয় যে আজি দুবছৰ চাৰি মাহ হোৱাৰ পাছতো আজিও গৃহটো সম্পূৰ্ণ হৈ নুঠিল। ছাত্ৰ সন্থাৰ এটি প্ৰতিনিধি দল গৈ হিতাধিকাৰীগৰাকীৰ ঘৰত উপস্থিত হোৱাত হিতাধিকাৰীগৰাকীয়ে সমগ্ৰ বিষয়টো প্ৰতিনিধি দলটোক অৱগত কৰা মতে ভগামুখ গাঁও পঞ্চায়তৰ জি আৰ এছ লুকুমণি বৰাই নিৰ্মাণৰ দায়িত্বৰে ইন্দিৰা বৰাক লগত লৈ ঘৰ নিৰ্মাণৰ সামগ্ৰী ক্ৰয় কৰাৰ বাবদ বেংকৰ পৰা সমুদায় টকা উলিয়াই ঠিকাদাৰৰূপী লুকুমণি বৰাই আত্মসাৎ কৰে। উল্লেখ্য যে আজি দীৰ্ঘদিন ধৰি এক প্ৰকাৰৰ লুণ্ঠন চলাই অহা কলিয়াপানী উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়াক সম্পূৰ্ণ তথ্যসহ বিষয়টো অৱগত কৰাৰ পাছতো বিষয়াজনে বিষয়টোৰ পৰা ফালৰি কাটি নীৰৱ ভূমিকা গ্ৰহণ কৰে। প্ৰধানমন্ত্ৰী আৱাসৰ ধন আত্মসাত কৰা বিষয়টো যোৰহাট জিলা পৰিষদৰ কাৰ্যকৰী বিষয়াক জনোৱাত তেওঁ তদন্ত কৰি ব্যৱস্থা লোৱা হ'ব বুলি মতপোষণ কৰে যদিও সেয়া কেতিয়া হৈ উঠিব তাক লৈয়ো চিন্তিত দৰিদ্ৰতাই কোঙা কৰা ইন্দিৰা বৰা। বিবৃতিত শিমলুগুৰি মৌজা আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি দেৱব্ৰত শইকীয়া, সাধাৰণ সম্পাদক পবিত্ৰ বৰাই কলিয়াপানী উন্নয়ন খণ্ডত বিভিন্ন আঁচনি আৰু আৱাসগৃহত হোৱা দুৰ্নীতিৰ তদন্ত কৰি ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনায়। ঠিকাদাৰ ৰূপী জি আৰ এছ গৰাকীৰ বিৰুদ্ধে আদালতৰ কাষ চপাৰ সিদ্ধান্ত কৰে ছাত্ৰ সন্থাই।

### ■ মৰিয়নিত মেজিকৰ দ্ৰুত চলাচলৰ বাবে যিকোনো মুহূৰ্ততে দুৰ্ঘটনাৰ আশংকা

## বিদ্যালয়ৰ সন্মুখত অবৈধ পাৰ্কিং



অগ্ৰদূত বাৰ্তা
**মৰিয়নি, ২৪ ছেপ্টেম্বৰ ঃ** মৰিয়নি নগৰৰ মাজমজিয়াত গঢ় লৈ উঠা একাধিক অবৈধ পাৰ্কিং ষ্টেণ্ডে যাতায়াতৰ সমস্যা বৃদ্ধি কৰাৰ লগতে জনজীৱন বিঘ্নিত কৰিছে। মৰিয়নিৰ আৰক্ষী আৰু মৰিয়নি পৌৰসভাৰ নিৰ্লিপ্ততাৰ সুযোগ লৈ গঢ় লৈ উঠা এনে অবৈধ পাৰ্কিং আস্থানসমূহৰ বাবেই ব্যাপক যানজঁট হোৱাৰ উপৰি একাধিক দুৰ্ঘটনা সংঘটিত হৈছে। মৰিয়নিৰ অগ্ৰণী শিক্ষানুষ্ঠান 'আগৰৱালা স্কুল' নামেৰে জনাজাত, মহাদেৱ আগৰৱালা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সন্মুখতে এতিয়া গঢ়ি উঠিছে এক অবৈধ পাৰ্কিং আস্থান। মৰিয়নি আৰক্ষী থানাৰ নাতিদূৰৈত আৰু মৰিয়নি পৌৰসভা কাৰ্যালয়ৰ প্ৰায় সন্মুখতে গঢ় লৈ উঠা এই অবৈধ পাৰ্কিং আস্থানৰ বাবেই ভয়াবহ দুৰ্ঘটনা সংঘটিত হোৱাৰ আশংকাও বৃদ্ধি পাইছে। উল্লেখ্য যে মৰিয়নি আমগুৰিৰ মাজত চলাচল কৰা মেজিকসমূহৰ লগতে মৰিয়নি দেৰেৰাপাৰ চাৰিআলিৰ মাজত চলাচল কৰা এপেসমূহ দীৰ্ঘ সময় ধৰি আগৰৱালা স্কুলৰ প্ৰায় সন্মুখতে ৰখাই থোৱা হয়। উক্ত ঠাইডোখৰ অতি স্পৰ্শকাতৰ অঞ্চল হিচাপে বিবেচিত হৈ আহিছে। বিদ্যালয়খনৰ সন্মুখতে আছে মৰিয়নিৰ ৰাজহুৱা প্ৰেক্ষাগৃহটো। তাৰ কাষতে সামাজিক-সাংস্কৃতিক অনুষ্ঠান কিংশুক অৱস্থিত। সেই স্থানৰ কিছু দাঁতিতে ইংৰাজী মাধ্যমৰ শিক্ষানুষ্ঠান চেইণ্ট এন্থনী হাইস্কুল অৱস্থিত। সন্মুখত মৰিয়নি আমগুৰি আৰু মৰিয়নি দেবেৰাপাৰৰ মাজত চলাচল কৰা মেজিক আৰু এপে ষ্টেণ্ড। কাষতে মৰিয়নি পৌৰসভাৰ কাৰ্যালয়। পুৱা বিদ্যালয় আৰম্ভ হোৱাৰ সময়ত আৰু বিয়লি ছুটীৰ সময়ত ব্যাপক যানজঁটৰ সৃষ্টি হয় এই স্থানত। স্বাভাৱিকতে এই স্থানত জনসমাগম বেছি হয়। লক্ষ্যণীয় যে মৰিয়নি নগৰৰ মাজমজিয়াত মেজিক আৰু এপেসমূহ ৰাখিবৰ বাবে এটা ট্ৰেন্সপ'ট টাৰ্মিনাছ ডেভেলপমেণ্ট কমিটী নামেৰে এটা অনুষ্ঠানে এটা মেজিক আস্থানৰ ব্যৱস্থা কৰি দিছে যদিও আমগুৰি-দেবেৰাপাৰলৈ যোৱা এপে আৰু মেজিকসমূহ সেই আস্থানত নাৰাখি অবৈধভাৱে পথৰ কাষতে ৰাখি থয়। তদুপৰি একাংশ মেজিক আৰু এপে পথৰ দুয়োকাষে ৰাখি যান-জঁট বৃদ্ধি কৰি আহিছে। ফলত যিকোনো মুহূৰ্ততে দুৰ্ঘটনাৰ আশংকা কৰা হৈছে। ইতিমধ্যে একাধিক দুৰ্ঘটনা সংঘটিত হৈছে। শেহতীয়াকৈ মৰিয়নিৰ আৰক্ষীয়ে জব্দ কৰা তিনিখন কয়লা বোজাই ট্ৰাকো আগৰৱালা স্কুলৰ গেটৰ নিচেই কাষতে কে'বাদিনো ধৰি ৰখাই থোৱাত বিদ্যালয় কৰ্তৃপক্ষ যথেষ্ট সমস্যাৰ সন্মুখীন হৈছে। বৰ্তমানে বিদ্যালয়ৰ পাঠদান আৰম্ভ হোৱাৰ পৰিপ্ৰেক্ষিতত বিদ্যালয়লৈ ছাত্ৰ-ছাত্ৰীৰ আগমনো হৈছে।

# কোকৰাঝাৰ দূৰদৰ্শন কেন্দ্ৰ অতীত হ'ব ঃ বড়োভূমিত প্ৰতিক্ৰিয়া

অগ্ৰদূত বাৰ্তা

**কোকৰাঝাৰ, ২৪ ছেপ্টেম্বৰ ঃ** প্ৰসাৰ ভাৰতী ডিজি দূৰদৰ্শনে দেশৰ ১৫২খন দূৰদৰ্শন কেন্দ্ৰৰ ভিতৰত অসমৰ ১৪ খনৰ স'তে নামনি অসমৰ একমাত্ৰ উচ্চ ক্ষমতাসম্পন্ন কোকৰাঝাৰ দূৰদৰ্শন কেন্দ্ৰ ২০২২ৰ ৩১ মাৰ্চত বন্ধ কৰাৰ এক বিভাগীয় নিৰ্দেশনাই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে বড়োভূমিত। ফলত কোকৰাঝাৰৰ পৰা সম্প্ৰসাৰিত হোৱা দূৰদৰ্শন কেন্দ্ৰটো আগন্তুক নতুন বৰ্ষতে অতীত হোৱাৰ উপক্ৰম হৈছে। উল্লেখ্য যে কোকৰাঝাৰ চহৰৰ মাজমজিয়াৰ ভাড়াঘৰত ১৯৯৮ত স্থাপিত কোকৰাঝাৰ দূৰদৰ্শন কেন্দ্ৰটো উন্নতকৰণ কৰি বিগত ২০১০ তে ১০ কিল'ৱাট উচ্চ পাৱাৰ ক্ষমতা সম্পন্ন কেন্দ্ৰটো কোকৰাঝাৰ চহৰৰ নাতিদূৰৈৰ ভোটগাঁও কাশিপাৰালৈ স্থানান্তৰ কৰা হৈছিল। কিন্তু চাৰিদিন পূৰ্বে কেন্দ্ৰীয় চৰকাৰৰ তথ্য আৰু প্ৰচাৰ মন্ত্ৰণালয়ৰ পৰা এক নিৰ্দেশনাই দেশৰ আন প্ৰান্তৰ লগতে নামনি অসমৰ একমাত্ৰ দূৰদৰ্শন কেন্দ্ৰটো বন্ধ হোৱাৰ উপক্ৰম হোৱাত জোঁকাৰি গৈছে বিটিআৰতে। ফলত কোকৰাঝাৰ দূৰদৰ্শন কেন্দ্ৰটোৰ কৰ্মৰত কাৰিকৰী সাতগৰাকী কৰ্মচাৰীৰ মাজতো হাহাকাৰ সৃষ্টি কৰিছে।

# ছয়গাঁৱত আঁচনিভুক্ত কৰ্মচাৰীৰ প্ৰতিবাদী কাৰ্যসূচী

**ছয়গাঁও, ২৪ ছেপ্টেম্বৰ ঃ** দেশ তথা ৰাজ্যৰ অন্য প্ৰান্তৰ লগতে দক্ষিণ কামৰূপৰ ছয়গাঁৱতো আঁচনিভুক্ত কৰ্মচাৰীসকলে আজি প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। সদৌ অসম মধ্যাহ্ন ভোজন কৰ্মচাৰী ইউনিয়ন, অসম ৰাজ্যিক আশা ইউনিয়ন, অসম ৰাজ্যিক অংগনৱাড়ী কৰ্মী আৰু সহায়িকা সন্থাৰ স'তে চি আই টি ইউৰ সহযোগত দক্ষিণ কামৰূপ জিলা ভিত্তিত ছয়গাঁৱত প্ৰতিবাদী কাৰ্যসূচী অনুষ্ঠিত হয়। আঁচনিভুক্ত সকলো কৰ্মচাৰীক সংশ্লিষ্ট বিভাগৰ নিয়মীয়া কৰ্মচাৰীৰ স্বীকৃতি প্ৰদান মাননিৰ সলনি মজুৰী প্ৰদান, সকলো আঁচনিভুক্ত শ্ৰমিকক ন্যূনতম দৰমহা মাহিলি ২১ হেজাৰ টকা পেঞ্চন প্ৰদান কৰা, মধ্যাহ্ন ভোজন কৰ্মচাৰীসকলক উচিত মজুৰি প্ৰদানৰ ব্যৱস্থা কৰা আদি দাবীৰে শ শ মহিলাই বিভিন্ন শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। ছয়গাঁও গৰু বজাৰৰ পৰা ১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথেৰে প্ৰতিবাদকাৰীসকলে ছয়গাঁও ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ত উপস্থিত হৈ কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰলৈ এক দাবী সম্বলিত স্মাৰকপত্ৰ প্ৰেৰণ কৰে।




## ■ বৰ্হমপুৰ সমষ্টিৰ ঐতিহাসিক স্থান পৰ্যটকৰ স্থল হিচাপে সমল থকা সত্ত্বেও অৱহেলা ■ কামপুৰৰ ৰাম মন্দিৰ, ৰত্নাৱলী থান আজিও অৱহেলিত ■ নামঘৰৰ মণিকূটৰ সিংহাসনত আছে ৰত্নাৱলী পুথি

# পৰ্যটনৰ প্ৰচুৰ সম্ভাৱনা সত্ত্বেও অৱহেলিত চাপানলা



বিশেষ সংবাদদাতা

**নগাঁও, ২৪ ছেপ্টেম্বৰ ঃ** ৰাজ্যৰ পৰ্যটন বিভাগৰ দৃষ্টিৰ নিৰন্ধৰ পৰা সদায়েই নিলগত আছে পৰ্যটনৰ বিৰল আনন্দৰ বিচৰণ ভূমি চাপানলা। নগাঁও চহৰৰ পৰা ২২ কিলোমিটাৰ পূবত অৱস্থিত চাপানলা এখন পাহাৰীয়া ঠাই। এই চাপানলা বিখ্যাত চম্পাৱতী জলপ্ৰপাতৰ কাৰণে। জনশ্ৰুতি অনুসৰি, এসময়ত এই অঞ্চলত হংসধ্বজ ৰজাই ৰাজত্ব কৰিছিল। ৰজা হংসধ্বজৰ হেনো চম্পাৱতী নামৰ এগৰাকী অপৰূপা ৰাজকুঁৱৰী আছিল। তেওঁৰ ৰূপত ভোলগৈ ব্ৰহ্মাৰ পুত্ৰ ব্ৰহ্মপুত্ৰই প্ৰেমত পৰিছিল। সেই প্ৰেমে সাৰ্থক ৰূপ ল'বলৈ নাপাওঁতেই যশোদা নন্দন শ্ৰীকৃষ্ণই চম্পাৰ পাণি গ্ৰহণ কৰিব বিচাৰিছিল, কিন্তু তাৰ আগতেই চম্পা শিল হৈ গৈছিল। সেই শিলৰ বুকুৰেদি বৈ অহা জলধাৰেই হেনো চম্পাৱতী জলপ্ৰপাত নামে পৰিচিত। জনশ্ৰুতি অনুসৰি, এই চম্পাৱতীৰ হেনো এদিন ব্ৰহ্মপুত্ৰৰ লগত বিয়া হ'ব। সেইদিনা ব্ৰহ্মপুত্ৰই গতি সলাব আৰু শিলঘাটৰ দুইমুনি শিলৰ মুক্তি হ'ব। তদুপৰি এই চাপানলা আৰু চম্পাৱতী জলপ্ৰপাতক কেন্দ্ৰ কৰি জিলাখনৰ ৰাইজৰ মুখে মুখে বাগৰি আহিছে অনেক লোককথা। অপৰূপ সৌন্দৰ্য সমাহাৰেৰে ৰাইজক হাতবাউল দি মাতি থকা চম্পাৱতী আজিও ৰাজ্যৰ পৰ্যটন বিভাগৰ সুদৃষ্টিৰ পৰিসৰৰ বাহিৰত। জিলাখনৰ বৰ্হমপুৰ সমষ্টিৰ বহু পুৰণি ঐতিহাসিক ঠাই আৰু পৰ্যটন স্থলী থকাৰ পাছতো অৱহেলিত হৈ আছে। কামপুৰৰ ৰাম মন্দিৰ, কামপুৰৰ ঐতিহাসিক ৰত্নাৱলী থান আজিও পৰ্যটন স্থলী হৈ নুঠিল। কপিলী উপত্যকাৰ কামপুৰৰ পৰা দক্ষিণ দিশত কপিলী নদীৰ সমীপত নাৰিকলি বৰ্তমানৰ পশ্চিম ঘিলানীত অৱস্থিত শ্ৰীশ্ৰী ৰত্নাৱলী থান। উল্লেখ্য যে মোৱামৰীয়া বিদ্ৰোহৰ সময়ত গোলাঘাটৰ নুগুৱা সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰী ব্ৰজনন্দন গোস্বামীয়ে বিদ্ৰোহত শংকিত হৈ পত্নী-পুত্ৰ তথা সত্ৰত থকা পুথিপাজিসমূহ লগত লৈ নাৱেৰে ভটিয়াই আহি নগাঁও জিলাৰ দক্ষিণ দিশে কপিলী নদীৰ পাৰত নাৰিকলি অঞ্চলত বৰ্তমান পশ্চিম ঘিলানী নামে ঠাইডোখৰত জিৰণি লয়। ১৮৮২ত এইজনা ডেকা সত্ৰাধিকাৰে এঠাইত গোট হৈ লগত লৈ অনা ধৰ্মীয় পুথিসমূহৰ ভিতৰত অন্যতম পুথি মাধৱদেৱে সাঁচিপাতত অনুবাদ কৰা 'ভক্তি ৰত্নাৱলী' পুথিখন থাপন কৰি ৰত্নাৱলী থান নামেৰে নামকৰণ কৰে। আজিও নামঘৰৰ মণিকূটৰ সিংহাসনত থাপিত কৰা আছে ৰত্নাৱলী পুথিখন। ভক্তি ৰত্নাৱলী পুথিখনৰ ৰচক শ্ৰীশ্ৰী মাধৱদেৱ হোৱা বাবে কোনো কোনোৱে ৰত্নাৱলী থানখন মাধৱদেৱে নিজে প্ৰতিষ্ঠা কৰা বুলি ক'ব বিচাৰে। সেই তেতিয়াৰে পৰাই ভক্তপ্ৰাণ ৰাইজে এই থানাখনত পৱিত্ৰ ভূমি হিচাপে পূজা-অৰ্চনা কৰি আহিছে। নগাঁও চহৰৰ পৰা পূবে বামুণী-কঠিয়াতলি পথেৰে ২৩ কিলোমিটাৰ নিলগত কন্দলী অঞ্চলত অৱস্থিত বাদুলি খোৰোং ইতিহাস প্ৰসিদ্ধ তথা কিংবদন্তি বিজড়িত কন্দলী ৰাজ্যক প্ৰাক-শংকৰী যুগৰ বিশিষ্ট কবি মাধৱ কন্দলীৰ জন্মস্থান বুলি কোৱা নিবুকালি নামৰ ঠাইখিনিৰ পৰা দুই কিলোমিটাৰ দূৰত্বৰ গাঁৱলীয়া পথ অতিক্ৰম কৰাৰ পাছত গছ-লতিকা, শিলেৰে আবৰা কন্দলী পাহাৰৰ পাদদেশ পোৱা যায়। এই পাহাৰৰ নামনিতে ২০০১ৰ পৰা এখন মেলা অনুষ্ঠিত হৈ আহিছে। নাম বাদুলি খোৰোং মেলা বিভিন্ন প্ৰান্তৰ পৰা অহা হেজাৰ হেজাৰ দৰ্শনাৰ্থীৰ ইয়াত সমাগম হয়। প্ৰত্যেক বছৰৰ শিৱৰাত্ৰিৰ এদিনৰ পাছতে পৰা তিনিদিনীয়াকৈ অনুষ্ঠিত হয় এই মেলা। নগাঁও জিলাৰ দক্ষিণ দিশত কামপুৰ মৌজাৰ অন্তৰ্গত বুন্দুৰাত পোৱা যায় শ্ৰীশ্ৰী ৰাম আৰু হনুমান মন্দিৰ। ২০০৮ত এই মন্দিৰ স্থাপন কৰে বুন্দুৰা আৰু দেৱ নাৰিকলি কিচামত প্ৰাচীন গোভা ৰাজ্য অৱস্থিত। দশম শতিকাত কামপুৰৰ পৰা ছয় কিলোমিটাৰ পশ্চিমে আৰু কপিলী নদীৰ দক্ষিণ পাৰত গোভা ৰজাই ৰাজত্ব কৰিছিল। গোভা ৰজাৰ ৰাজত্বত এক প্ৰাচীৰ সভ্যতা গঢ়ি উঠিছিল। এই সভ্যতাৰ নজিৰ আজিও বুন্দুৰা গাঁৱৰ আশে-পাশে সিঁচৰতি হৈ আছে। ইয়াত পোৱা শিলৰ ভাস্কৰ্য স্থাপত্যবোৰ আজিও প্ৰাচীন সভ্যতাৰ নিদৰ্শন দাঙি ধৰিছে। প্ৰাচীন কালৰে পৰা যুগ যুগ ধৰি বুন্দুৰা ধনতোলা থানত আৰু ব্ৰামণী গোসাঁই থানত মন্দিৰৰ ভগ্নাৱশেষ প্ৰকৃতিৰ বুকুত অৱহেলিত হৈ পৰি আছে আৰু প্ৰাচীনতম বুৰঞ্জীৰ সমলসমূহ আজি বিলুপ্তিৰ পথত।

# কলিয়াবৰত বন্যহস্তীৰ উপদ্ৰৱ

## ঘৰ-দুৱাৰ ভাঙি তহিলং

অগ্ৰদূত বাৰ্তা

**কলিয়াবৰ, ২৩ ছেপ্টেম্বৰ ঃ** কলিয়াবৰত দিনক দিনে বন্যহস্তীৰ ত্ৰাস বৃদ্ধি পাইছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ সমীপৱৰ্তী কলিয়াবৰৰ সোণাৰী কামাখ্যা পাহাৰৰ পৰা অহা কেইটামান হাতীয়ে খাদ্যৰ সন্ধানত কলিয়াবৰৰ জনাঞ্চলত সোমাই আজি কিছু দিনৰ পৰা ৰাইজৰ নিদ্ৰা হৰিছে। যোৱা নিশা দলিবাৰী গাঁৱত ত্ৰাসৰ সৃষ্টি কৰে। এজনীয়া হাতীয়ে গাঁৱৰ সিদ্ধেশ্বৰ শৰ্মাৰ বাসগৃহ ভঙাৰ লগতে তোযেশ্বৰ বৰাৰ ভঁৰাল ভাঙি ক্ষতিসাধন কৰে। কলিয়াবৰত কেইটমান হাতীয়ে আজি কিছুদিনৰ পৰা কামাখ্যা গাঁও, সোণাৰি গাঁও, মিৰিভেটি, বৰভকতি, দুলাল মাধৱ, সৰুভগীয়া, ঢেকীয়াল, শাকমুঠি আদি বিভিন্ন অঞ্চলৰ গাঁৱত সোমাই ঘৰ-দুৱাৰ, ভঁৰাল ভাঙি তহিলং কৰাৰ লগতে মানুহৰ জীৱনৰ নিৰাপত্তা নোহোৱা হৈ পৰিছে। ৰাইজে বন বিভাগক এই ক্ষেত্ৰত যথোচিত পদক্ষেপ গ্ৰহণ কৰি ৰাইজৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তা সুনিশ্চিত কৰিবলৈ দাবী জনাইছে।

# জামুগুৰিহাটত কৰ'নাৰ সংক্ৰমণ হ্ৰাস

## বৰ্তমান চিকিৎসাধীন হৈ আছে ৩১ গৰাকী ক'ভিড ৰোগী

অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ২৪ ছেপ্টেম্বৰ ঃ** জামুগুৰিহাটতো হ্ৰাস পাইছে কৰ'নাৰ সংক্ৰমণ। কৰ'নাৰ দ্বিতীয় লহৰত জামুগুৰিহাটতো কৰ'নাই ভয়াৱহ ৰূপ ধাৰণ কৰিছি যদিও পৰৱৰ্তী সময়ত নিয়ন্ত্ৰণাধীন অৱস্থালৈ আহে ইয়াৰ সংক্ৰমণ। উত্তৰ জামুগুৰি চিকিৎসালয়ৰ অন্তৰ্গত জামুগুৰি পৰিপূৰক স্বাস্থ্য কেন্দ্ৰ আৰু ৰঙাচকুৱা স্বাস্থ্য কেন্দ্ৰৰ অধীনত বৰ্তমান কৰ'নাত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ থকা ৰোগীৰ সংখ্যা হৈছে ৩১ গৰাকী। অঞ্চলটোত সম্প্ৰতি কৰ'নাৰ পজিটিভিটিৰ হাৰ হ'ল ০.৮০ শতাংশ। কৰ'নাৰ দ্বিতীয়টো লহৰত এতিয়ালৈকে বৃহত্তৰ জামুগুৰিহাট অঞ্চলটোত ২০৯৬ গৰাকী ব্যক্তি কৰ'নাত আক্ৰান্ত হোৱাৰ বিপৰীতে ২০৪৪ গৰাকী ইতিমধ্যে সুস্থ হৈ উঠিছে। কৰ'নাত এই পৰ্যন্ত মৃত্যু হৈছে ১৯ গৰাকীকৈ ব্যক্তিৰ।

# নলবাৰীত শিশু মংগল কাৰ্যসূচী ৰূপায়ণ

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ২৪ ছেপ্টেম্বৰ ঃ** নলবাৰী শিশু উন্নয়ন প্ৰকল্পৰ অধীনৰ জাপাৰকুছি চক্ৰৰ সকলো কৰ্মী-সহায়িকাৰ সহযোগত ৰাষ্ট্ৰীয় পোষণ মাহৰ কাৰ্যসূচীৰ আধাৰত আজি শিশু মংগল কাৰ্যসূচী ৰূপায়ণ কৰে। ৰাষ্ট্ৰীয় পোষণ মাহৰ আঁত ধৰি এই অনুষ্ঠানত এখন পোষণ মেলাৰ লগতে হিতাধিকাৰী আৰু মাতৃসকলৰ উপস্থিতিত সজাগতা সভা অনুষ্ঠিত কৰে। অনুষ্ঠানত দ্বাৰ উন্মোচন কৰে বৰভাগ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত ভাৰপ্ৰাপ্ত অধ্যক্ষ ফণীধৰ ডেকাই। অনুষ্ঠানত সভাপতিত্ব কৰে অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰিয় তালুকদাৰে। অনুষ্ঠানত কৰ্মী-সহায়িকাসকলে আকৰ্ষণীয় শোভাযাত্ৰা উলিয়াই ৰাইজক পোষণৰ বিষয়ে সজাগতা কৰে। সভাত জিতেন কলিতা, মুখ্য সেৱিকা মমী কৌশিকী, পোষণ খণ্ড সমন্বয়ক বিভা বৈশ্যৰ লগতে মালিকুছিৰ ৰাইজ উপস্থিত থাকে।

# পোষণ মাহৰ কাৰ্যসূচী তেজপুৰত

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ২৪ ছেপ্টেম্বৰ ঃ** পোষণ মাহৰ অংশ হিচাপে কালি তেজপুৰ নগৰ সংহত শিশু উন্নয়ন প্ৰকল্পৰ অধীনত শিশু মংগল দিৱসৰ আয়োজন কৰা হয়। স্থানীয়ভাৱে উপলব্ধ পুষ্টিকৰ খাদ্যবস্তু আৰু পৰিপূৰক খাদ্যৰ বিষয়ে ৰাইজৰ মাজত সজাগতা সৃষ্টি কৰাৰ উদ্দেশ্যে তেজপুৰৰ শিক্ষক ভৱনত আয়োজন কৰা এই অনুষ্ঠানৰ বন্তি প্ৰজ্বলনৰে আৰম্ভ কৰে উপায়ুক্ত ভূপেশ চন্দ্ৰ দাসে। উদ্বোধনী অনুষ্ঠানত সদৰ মহকুমাধিপতি তথা সমাজ কল্যাণ বিষয়া দিপ্তী মৰাং, তেজপুৰ ৰাজহ চক্ৰ বিষয়া পংকজ বৰা, তেজপুৰ নগৰ সংহত শিশু উন্নয়ন প্ৰকল্পৰ চিডিপিঅ', ইউনিচেফৰ জিলা সমন্বয়ক প্ৰতিম গোস্বামী, তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ পুষ্টিবিজ্ঞানী আৰু পোষণ অভিযানৰ লগত জড়িত বিষয়ববীয়া উপস্থিত থাকে।

# ২৬ ছেপ্টেম্বৰত শাশ্বত কবি চক্ৰৰ ৰূপালী জয়ন্তীৰ অধিবেশন

## ■ ২৫ গৰাকীলৈ বঁটা আৰু সন্মান ■ উন্মোচন হ'ব ১০খনতকৈও অধিক গ্ৰন্থ

অগ্ৰদূত বাৰ্তা

**পলাশবাৰী, ২০ ছেপ্টেম্বৰ ঃ** অসম কবি সন্মিলনৰ অন্যতম শাখা সংগঠন তথা দক্ষিণ কামৰূপৰ কাব্য চৰ্চাৰ ক্ষেত্ৰখনত বিশেষ ভূমিকা গ্ৰহণ কৰি অহা শাশ্বত কবি চক্ৰই এইবেলি ৰূপালী জয়ন্তী বৰ্ষ উপলক্ষে অহা ২২ ছেপ্টেম্বৰত কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হোৱাৰ লগতে ২৬ ছেপ্টেম্বৰত অধিৱেশন অনুষ্ঠিত হ'ব। ২২ ছেপ্টেম্বৰত পতাকা উত্তোলন, ছহিদ তৰ্পণ আৰু দুপৰীয়া বিষয় বাছনিসভা অনুষ্ঠিত হয়। পুৱাৰে পৰা কবি সন্মিলন, গ্ৰন্থ উন্মোচনৰ লগতে ২৫ গৰাকী লোকক বঁটা আৰু সন্মান প্ৰদান কৰা কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। এই কবি সন্মিলনত অসমৰ নবীন-প্ৰবীণ কবিসকলক আমন্ত্ৰণ জনোৱাৰ লগতে ড° চিত্তৰঞ্জন দাস, এডৱাৰ্ড ষ্টেডি এন চাংমা, ড° গণেশ্বৰ চহৰীয়া, কমলজিৎ কলিতা, মায়াৰাম দাস, লৱন দাস আদিকে ধৰি কে'বাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকিব। শাশ্বত কবি চক্ৰৰ স্মৃতিগ্ৰন্থ কিশোৰ কুমাৰ কলিতাৰ সম্পাদনাৰে 'শাশ্বত সুবাস', কাব্য সংকলন মিন্টু দাসৰ সম্পাদনাৰে 'কবিতা কাকলি', মুখপত্ৰ সুশীল মালীৰ সম্পাদনাৰে 'ঝঞ্ঝা'ৰ লগতে দক্ষিণ কামৰূপৰ কে'বাগৰাকীও কবিৰ ১০খনতকৈও অধিক গ্ৰন্থ উন্মোচন কৰা হয়। এই ৰূপালী জয়ন্তী উপলক্ষে সাহিত্যৰ জগতত দিৰ্ঘদিন ধৰি বৰঙণি আগবঢ়োৱা ২৫ গৰাকী বিশেষ ব্যক্তিক বঁটা আৰু সন্মান প্ৰদান কৰা হ'ব বুলি ৰূপালী জয়ন্তী বৰ্ষ উদ্‌যাপন সমিতিয়ে জানিবলৈ দিছে।

# টিহুত বিজেপি নেতা খগেন দাসক স্মৰণ

অগ্ৰদূত বাৰ্তা

**টিহু, ২৪ ছেপ্টেম্বৰ ঃ** টিহুৰ নান্নাট্ৰাৰী গাঁও নিবাসী, অসম আন্দোলনৰ এগৰাকী আগশাৰীৰ কৰ্মী, ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ প্ৰবীণ নেতা তথা বিজেপিৰ টিহু মণ্ডলৰ প্ৰতিষ্ঠাপক সভাপতি খগেন দাসক আজি ৰাজহুৱাভাৱে স্মৰণ কৰা হয়। উল্লেখ্য যে অসম আন্দোলনৰ এগৰাকী আগশাৰীৰ কৰ্মী হোৱা সূত্ৰে বিভিন্ন সময়ত নিৰ্যাতিত হোৱা দাসে পৰৱৰ্তী সময়ত বিজেপিত যোগ দি দলটোৰ টিহু মণ্ডল সমিতিৰ প্ৰতিষ্ঠাপক সভাপতিৰূপে দায়িত্ব লৈ দীৰ্ঘদিন কাম কৰি দলটোক শক্তিশালী কৰোতে আগভাগ লৈছিল। আজি তেওঁৰ বাসগৃহ প্ৰাংগণত আয়োজিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আৰম্ভণিতে প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে সহধৰ্মিণী চিত্ৰলেখা দাসে আৰু মাল্যাৰ্পণ কৰে পাটাছাৰকুছিৰ বিধায়ক তথা পঞ্চায়ত আু গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে। তাৰ পাছত গুৱাহাটী বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° হীৰকজ্যোতি শৰ্মাই আঁত ধৰা অনুষ্ঠানত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী দাসে তেওঁৰ কৰ্মৰাজিৰ বিষয়ে ৰোমন্থন কৰে। দাসৰ মৃত্যুত বিজেপিৰ বৃহৎ ক্ষতি হোৱা বুলি দোহাৰে। অনুষ্ঠানত ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ অসম ক্ষেত্ৰৰ ক্ষেত্ৰ সহায়ক ডাঃ উমেশ চক্ৰৱৰ্তী, নলবাৰী জিলা ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ বিভাগৰ কাৰ্যবাহী নিৰঞ্জন বৰ্মন, বজালী জিলা বিজেপিৰ সভাপতি নগেন চৌধুৰী, টিহু বজালী সংগ্ৰামী সতীৰ্থ মঞ্চৰ কাৰ্যকৰী সভাপতি ড° ফটিক শৰ্মা, উপ-সভাপতি হৰেকৃষ্ণ মেধি, বৰপেটাৰ মাধৱ চৌধুৰী কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° সুৰেশ চন্দ্ৰ শৰ্মা আৰু মৃতকৰ একমাত্ৰ পুত্ৰ কৌশিক দাসে প্ৰয়াত দাসৰ কৰ্মজীৱনৰ বিষয়ে আলোকপাত কৰে।

# বাসবাৰীত স্বাস্থ্য পৰীক্ষা-টিকাকৰণ শিবিৰ



অগ্ৰদূত বাৰ্তা

**দোতমা, ২৪ ছেপ্টেম্বৰ ঃ** দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৭১ সংখ্য জন্মদিন উপলক্ষে ৰাজ্যিক বিজেপিৰ সেৱা আৰু সমৰ্পণ অভিযানৰ অংশৰূপে বিজেপিৰ গুমা মণ্ডল সমিতিয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনাৰে আজি গোসাঁইগাঁও মহকুমাৰ বাসবাৰী মানিক সৰেন এম ই স্কুলত স্বাস্থ্য পৰীক্ষা শিবিৰৰ লগতে টিকাকৰণ শিবিৰ অনুষ্ঠিত কৰা। পুৱা ১০ বজাৰ পৰা অনুষ্ঠিত কাৰ শিবিৰত স্থানীয় ৰাইজে আহি স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে ক'ভিড প্ৰতিষেধক গ্ৰহণ কৰে। এই সন্দৰ্ভত মণ্ডল সভাপতি নিলেশ্বৰ ৰায়ে কয় যে বিজেপি মানৱ সেৱাৰ লগত জড়িত, মানৱ সেৱাৰ বাবে বিজেপিয়ে কাম কৰি আছে আৰু কৰি যাব। তেওঁ সকলোকে প্ৰতিষেধক গ্ৰহণ কৰি কৰ'না সংক্ৰমণ ৰোধ কৰিবলৈ আহ্বান জনায়। এই কাৰ্যসূচীত মণ্ডল সভাপতি নিলেশ্বৰ ৰায়, উপ-সভাপতি দেৱজিৎ সিংহ, সাধাৰণ সম্পাদক শেমল দত্ত, ৰঞ্জিত অধিকাৰী, সম্পাদক লক্ষ্মীৰাম টুডু, বাবুবিল ভিচিডিচিৰ অধ্যক্ষ গৌতম ৰায় লগতে মণ্ডল কৰ্মকৰ্তা আৰু স্বাস্থ্য কৰ্মীসকল উপস্থিত থাকে।

# তেজপুৰত বাণিজ্য উৎসৱত ৰপ্তানিকাৰীৰে বৈঠক সম্পন্ন

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ২৪ ছেপ্টেম্বৰ ঃ** দেশৰ স্বাধীনতাৰ অমৃত মহোৎসৱ উপলক্ষে শোণিতপুৰ জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰই শোণিতপুৰ জিলা প্ৰশাসন আৰু তেজপুৰ বিশ্ববিদ্যালয়ৰ সহযোগত আজি শোণিতপুৰ জিলা পৰিষদৰ সভাকক্ষত বাণিজ্য উৎসৱৰ আয়োজন কৰে। এই উপলক্ষে শোণিতপুৰ জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰই শোণিতপুৰ জিলাৰ চাহ, হস্ততাঁত আৰু বস্ত্ৰ শিল্প, বাঁহ উদ্যোগ, কৃষিজাত সামগ্ৰী, খাদ্য সংসাধন উদ্যোগৰ ৰপ্তানিকাৰীসকলৰ এক বৈঠক আৰু কাৰিকৰী কৰ্মশালা অনুষ্ঠিত কৰে। শোণিতপুৰ জিলাৰ উপায়ুক্ত ভূপেশ চন্দ্ৰ দাসে বন্তি প্ৰজ্বলন কৰে। এই বাণিজ্য উৎসৱৰ ৰপ্তানিকাৰীৰ বৈঠকৰ উদ্বোধনী অনুষ্ঠানত তেজপুৰ বিশ্ববিদ্যালয়ৰ অধ্যাপকদ্বয় ড° স্বৰ্ণলতা মহন্ত আৰু ড° পি পি দত্ত, ভাৰতীয় চাহ ব'ৰ্ডৰ সহকাৰী সঞ্চালিকা ড° অমৃত চক্ৰৱৰ্তী, মাইশূৰৰ স্পাইছ প্ৰছেছিং টেকন'লজি এণ্ড কোৱালিটিৰ জ্যেষ্ঠ প্ৰধান বিজ্ঞানী ড° বি বি বসু আৰু কলিকতাস্থিত ইণ্ডিয়ান ইনষ্টিটিউত অৱ পেকেজিঙৰ উপ-সঞ্চালক বিধানসভা প্ৰমুখ্যে কাৰিকৰী বিশেষজ্ঞসকলে অংশগ্ৰহণ কৰে। ৰপ্তানিকাৰীৰ বৈঠকত আদৰণি ভাষণ প্ৰদান কৰে শোণিতপুৰ জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ মহাপ্ৰৰন্ধক ৰঞ্জন কুমাৰ ভট্টাচাৰ্যই। অৰ্ধশতাধিক উদ্যোগীয়ে অংশগ্ৰহণ কৰা বৈঠকত জিলা উপায়ুক্তই এখন সহায়ক পুথি উন্মোচন কৰে। সভাত অনুসূচিত জাতিৰ চাৰি উদ্যোগী যুৱকক ৰাজ্যিক বাঁহ উন্নয়ন এজেন্সীৰ ফালৰ পৰা সা-সৰঞ্জাম প্ৰদান কৰে শোণিতপুৰৰ উপায়ুক্তই।

# সকীয়নিৰ পাছত তিনিচুকীয়া জিলা পৰিবহণ কাৰ্যালয়ৰ দালালৰ অন্তৰ্ধান

অগ্ৰদূত বাৰ্তা

**তিনিচুকীয়া, ২৪ ছেপ্টেম্বৰ ঃ** অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মাটি দালালৰ সমান্তৰালভাৱে পৰিবহণ বিভাগৰ কাৰ্যালয়সমূহৰ দালালৰ প্ৰতিও ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি সকীয়নি দিয়াৰ পাছতে শংকিত হৈ পৰিছে। তিনিচুকীয়াৰ বৰগুৰিস্থিত জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়ৰ বাহিৰে-ভিতৰে দীৰ্ঘদিনৰ পৰা সক্ৰিয় হৈ থকা দালালসকল হঠাৎ অন্তৰ্ধান হৈছে। অৱশ্যে কাৰ্যালয়ৰ সমীপৰ পৰাহে বিভাগটোৰ একাংশ কৰ্মচাৰীৰ নিৰ্দেশ মতে আটক হোৱাৰ ভয়ত নোহোৱা হৈছে যদিও কাম পূৰ্বৰ দৰে দূৰৈৰ পৰা চলাই নিয়া বুলি জানিব দিছে একাংশ সচেতন লোকে। উল্লেখ্য যে তিনিচুকীয়া জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়ৰ বাহিৰে-ভিতৰে বহু দালাল পিতপিতাই ঘূৰি ফুৰাৰ লগতে কাৰ্যালয়ৰ সন্মুখৰ পদপথত মুকলিকৈ লেপটপ, কম্পিউটাৰৰ টেবুল লৈ বহু ঘাটি গঢ়ি তুলিছিল আৰু দাদাল চক্ৰ সক্ৰিয় হৈ পৰিছিল। নিয়ম অনুসৰি বাহন চলোৱাৰ অনুজ্ঞাপত্ৰ উলিয়াবলৈ প্ৰায় ১৫ শ টকা খৰচ হয় যদিও দালালসকলে ১২ হেজাৰ পৰা ১৫ হেজাৰ টকা লৈ বিনা পৰিশ্ৰমত উলিয়াই দিয়ে আৰু উক্ত টকাৰ ভাগ কাৰ্যালয়ৰ প্ৰতিখন টেবুলৰ অংশ সংযোগ হৈ থাকে। কিন্তু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কোৱাৰ লগে লগেই সেই সমূহ টেবুল অথবা দালাল ৰহস্যজনকভাৱে নোহোৱা হৈ পৰা বিষয়টোৱে বিশেষ তাৎপৰ্য বহন কৰিছে। হঠাৎ এইবোৰ ক'লৈ গ'ল? সাম্প্ৰতিক পৰিস্থিতিত এইবোৰেই যে দালালিৰ যে পোহাৰ মেলিছিল সেই কথা স্পষ্ট কৰি তুলিছে। ইফালে, তিনিচুকীয়া জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়ে দীৰ্ঘদিন ধৰি এই ক্ষেত্ৰত কোনো ব্যৱস্থা গ্ৰহণ নকৰা বিষয়টোৱে ভৱাই তুলিছে। এতিয়া মুখ্যমন্ত্ৰীয়ে সকীয়াই দিয়াৰ পাছত দালাল চক্ৰৰ থৰকাছুটি হেৰাইছে। পৰৱৰ্তী সময়তো জিলা পৰিবহণ বিভাগৰ কাৰ্যালয়তো স্থায়ীভাৱে দালালৰাজ নাইকিয়া হ'ব নে কিছুদিনৰ পাছতে পুনৰ গঢ়ি উঠিব সেয়া লক্ষ্যণীয় হ'ব।

# অৱসৰপ্ৰাপ্ত কৰ্মচাৰী শ্ৰীধৰ কলিতাৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**গৌৰীসাগৰ, ২৪ ছেপ্টেম্বৰ ঃ** শিৱসাগৰ জিলাৰ গৌৰীসাগৰৰ নিৱাসী, নামাচাৰ্য তথা গড়কাপ্তানী বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী শ্ৰীধৰ কলিতা (৮৬)ৰ কালি বিয়লি নিজ বাসগৃহত বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয়। ১৯৯৮ৰ ২৮ ফেব্ৰুৱাৰীত অৱসৰ গ্ৰহণ কৰা কলিতাই পাঁচ দশকৰ পূৰ্বে ৰূপহীমুখৰ পৰা আহি গৌৰীসাগৰত নিগাজীকৈ থাকি গৌৰীসাগৰৰ সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ স'তে ওতঃপ্ৰোতভাৱে জড়িত হৈ পৰিছিল। সৰৱৰহী, অমায়িক, ধৰ্মপৰায়ণ ব্যক্তি কলিতাৰ মৃত্যুত গৌৰীসাগৰ বৰ নামঘৰ সমাজ, নামদাং কুমাৰ গাঁও বৰনামঘৰ পৰিচালনা সমিতি, ত্ৰিলোচন সাংস্কৃতিক মঞ্চ, গৌৰীসাগৰ, শিৱসাগৰ জিলা কুমাৰ সন্মিলনকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোকপ্ৰকাশ কৰিছে। কলিতাই মৃত্যুৰ সময়ত পত্নীৰ উপৰি দুজন পুত্ৰ আৰু দুগৰাকী বিবাহিতা কন্যাৰ লগতে বহু আত্মীয়-স্বজনক ইহসংসাৰত এৰি গৈছে।

# সৰুক্ষেত্ৰীত শিশুৰ সলিল সমাধি

অগ্ৰদূত বাৰ্তা

**কয়াকুছি, ২৪ ছেপ্টেম্বৰ ঃ** বৰপেটা জিলাৰ সৰুক্ষেত্ৰী মৌজাৰ গড়ৰতাৰিত আজি পুৱা এটি ডেৰ বছৰীয়া শিশুৰ সলিল সমাধি ঘটে। মৃত শিশুটো গড়ৰতাৰি গাঁৱৰ ৰাজিবুল ইছলামৰ কন্যা ৰাশিদা বেগম। ঘটনা সন্দৰ্ভত পৰিয়ালৰ লোকে জানিবলৈ দিয়া মতে, ডেৰ বছৰীয়া শিশুটোক ঘৰৰ চৌহদত খেলিবলৈ দি পৰিয়ালৰ লোকে ঘৰুৱা কামত ব্যস্ত হৈ পৰে। কিছু সময় পাছত শিশুটোক দেখা নাপাই পৰিয়ালৰ লোকে বিচাৰ-খোচাৰ কৰি থকা অৱস্থাত ঘৰৰ সমীপৰ পুখুৰীৰ পৰা শিশুটোক উদ্ধাৰ কৰি গহিয়া ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ভৰ্তি কৰায় যদিও শিশুটোৰ মৃত্যু হোৱা বুলি চিকিৎসকে ঘোষণা কৰে। উল্লেখ্য যে নতুনকৈ খোজ কাঢ়িবলৈ আৰম্ভ কৰা শিশুটো খেলি থকা অৱস্থাত কিবা প্ৰকাৰে পুখুৰীৰ পানীত পৰি সলিল সমাধি ঘটে বুলি আশংকা প্ৰকাশ কৰা হৈছে। শিশুটোৰ আকস্মিক মৃত্যুত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে।

## ■ কৰ্মচাৰীয়ে ব্যৱহাৰ কৰিবলৈ নাই শৌচাগাৰ-প্ৰস্ৰাৱগাৰ ■ বিধায়িকাৰ অৱহেলা

# এখন ভগ্ন টিনৰ চালিত চলি আছে পূৰ্ণখুমদুম উপ-স্বাস্থ্য কেন্দ্ৰ

অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ২৪ ছেপ্টেম্বৰ ঃ** কামৰূপ গ্ৰাম্য জিলাৰ হাজো সমষ্টিৰ কঞা বৰপুল্লা গাঁও পঞ্চায়তৰ অন্তৰ্গত পূৰ্ণখুমদুম উপ-স্বাস্থ্য কেন্দ্ৰটোৰ অৱস্থা দেখিলে সকলোৰে পুতৌ জন্মিব। এখন ভগ্ন টিনৰ চালি। ভেটিটো কেঁচা। এক কদৰ্যময় পৰিৱেশ। তাতে চলে প্ৰসূতি অথবা অন্য ৰোগীৰ চিকিৎসা সেৱা। কে'বাখনো গাঁৱক সামৰি স্থাপন হৈছে উক্ত উপ-স্বাস্থ্য কেন্দ্ৰটো উল্লেখ্য যে চৰকাৰে স্বাস্থ্যৰ ক্ষেত্ৰত ব্যাপক উন্নয়নৰ ঢাকঢোল বজালেও উক্ত উপ-স্বাস্থ্য কেন্দ্ৰটো দেখিলে প্ৰকৃত উন্নয়নৰ ছবি স্পষ্ট হৈ পৰে। উপ-স্বাস্থ্য কেন্দ্ৰটোৰ পৰিৱেশ



একেবাৰে অস্বাস্থ্যকৰ। স্বাস্থ্য কেন্দ্ৰটোত ৰোগীটো বাদে কৰ্মচাৰীসকলে ব্যৱহাৰ কৰিবলৈ কোনো প্ৰস্ৰাৱ অথবা শৌচাগাৰৰ ব্যৱস্থা নাই। কষ্টৰে কৰ্তব্য সম্পাদন কৰে উপ-স্বাস্থ্য কেন্দ্ৰটোৰ কৰ্মচাৰীয়ে। তথাপি কাণসাৰ নাই সমষ্টিটোৰ বিধায়িকাগৰাকীৰ। সুদৃষ্টি পৰা নাই কামৰূপ গ্ৰাম্য জিলা যুটীয়া স্বাস্থ্য সঞ্চালকৰ। আনকি ৰঙিয়া প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ মহকুমা স্বাস্থ্য বিষয়া তথা দায়িত্বপ্ৰাপ্ত বিষয়া-কৰ্মচাৰীও উপ-স্বাস্থ্য কেন্দ্ৰটোৰ প্ৰতি অৱহেলা কৰাৰ অভিযোগ স্থানীয় ৰাইজৰ। ৰাইজে উপ-স্বাস্থ্য কেন্দ্ৰটো অনতিপলমে বিজ্ঞানসন্মতভাৱে নিৰ্মাণ কৰাৰ দাবী জনাইছে।








পুৰণি সতীৰ্থ এতিয়াৰ প্ৰতিপক্ষ! আইপিএলৰ মেচত কলকাতাৰ স্পীনাৰ হৰভজন সিং আৰু মুম্বাই দলৰ পৰামৰ্শদাতা শচীন তেণ্ডুলকাৰ, আবু ঢাবিত বৃহস্পতিবাৰে।

# খেলৰত্নৰ বাবে যোগ্য নহ'ব ড'প অভিযুক্ত

## বিতৰ্কৰ হাত সৰাৰ বাবেই সিদ্ধান্ত সলনি কৰিলে ক্ৰীড়া মন্ত্ৰণালয়ে

**নিউজ ব্যুৰ'**

**নতুন দিল্লী, ২৪ ছেপ্টেম্বৰ ঃ** ড'প কেলেংকাৰিত শাস্তিপ্ৰাপ্ত বা অভিযুক্ত কোনো ক্ৰীড়াবিদেই ধ্যানচান্দ খেলৰত্ন বঁটা বা অৰ্জুন বঁটাৰ দৰে দেশৰ কোনো ক্ৰীড়াবঁটাৰ বাবে যোগ্য নহ'ব। কেন্দ্ৰীয় ক্ৰীড়া মন্ত্ৰণালয়ে পূৰ্বৰ নিৰ্দেশনা বাহাল ৰাখি নতুনকৈ দিয়া নিৰ্দেশনাক সম্প্ৰতি বাতিল কৰিছে। অন্তত চলিত বৰ্ষৰ কোনো ড'প পৰীক্ষাত অনুত্তীৰ্ণ ক্ৰীড়াবিদে কোনো সন্মানীয় বঁটা লাভ কৰিব নোৱাৰিব। এক সৰ্বভাৰতীয় সংবাদ মাধ্যমে এই তথ্য সদৰী কৰিছে।

উল্লেখ্য যে যোৱা ১৯ মে'ত কেন্দ্ৰীয় ক্ৰীড়া মন্ত্ৰণালয়ে নিৰ্দেশনা জাৰি কৰিছিল যে ড্ৰাগ্‌ছ বা নিষিদ্ধ দ্ৰব্য সেৱন কৰি ধৰা পৰা বা শাস্তি ভোগ কৰা কোনো ক্ৰীড়াবিদে তেওঁলোকৰ শাস্তিৰ ম্যাদ অন্ত পৰিলে খেলৰত্ন বা অৰ্জুন বঁটাৰ বাবে আবেদন জনাব পাৰিব। সম্প্ৰতি কেন্দ্ৰই উক্ত নিৰ্দেশনা সাময়িকভাৱে প্ৰত্যাহাৰ কৰিছে। অৰ্থাৎ ড্ৰাগ্‌ছ বা নিষিদ্ধ দ্ৰব্য সেৱনৰ অভিযোগত শাস্তিপ্ৰাপ্ত কোনো ক্ৰীড়াবিদ অন্ততঃ এই বছৰ ক্ৰীড়াবঁটাৰ বাবে যোগ্য নহ'ব। সূত্ৰই জনোৱা মতে, এই সময়ত বিষয়টোক কেন্দ্ৰ কৰি কোনো বিতৰ্কৰ সূত্ৰপাত হোৱাটো কেন্দ্ৰই বিচৰা নাই।



# বিশ্ব আৰ্চাৰীৰ দুটাকৈ দলগত শাখাৰ ফাইনেলত ভাৰতীয় দল

## ব্যক্তিগত শাখাতো পদকৰ আশা তিনি খেলুৱৈ

**নিউজ ব্যুৰ'**

**য়াংকটন, ২৪ ছেপ্টেম্বৰ ঃ** আমেৰিকাৰ য়াংকটনত চলি থকা হোণ্ডাই ৱৰ্ল্ড আৰ্চাৰী চেম্পিয়নশ্বিপৰ দুটাকৈ দলগত শাখাত ভাৰতীয় আৰ্চাৰে ফাইনেলত প্ৰৱেশ কৰিছে। ভাৰতৰ কম্পাউণ্ড মহিলা দল আৰু মিক্সড্ দলটোৱে ফাইনেলত প্ৰৱেশৰে স্বৰ্ণপদকৰ সম্ভাৱনা উজ্জ্বল কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে ইয়াৰ পূৰ্বে ভাৰতীয় আৰ্চাৰে এই প্ৰতিযোগিতাত চাৰিবাৰ ফাইনেল খেলিছিল যদিও এই পৰ্যন্ত স্বৰ্ণপদক জয় কৰিব পৰা নাই।

বিশ্বৰ সপ্তম ৰেংকিংপ্ৰাপ্ত ভাৰতৰ ভি জ্যোতি সুৰেখা, প্ৰিয়া গুৰজাৰ আৰু মুস্কান কিৰাৰেৰে গঠিত দলটোৱে আজিৰ ছেমিফাইনেলত ঘৰুৱা দল আমেৰিকাক হৰুৱাই অঘটন ঘটায়। ফাইনেলত দলটোৰ বিপক্ষে খেলিবলগীয়া কলম্বিয়াই ছেমিফাইনেলত ফ্ৰান্সক পৰাজিত কৰে। আনহাতে, মিক্সড্ টীম কম্পাউণ্ড ইভেণ্টত ভাৰতৰ অভিযেক বাৰ্মা আৰু জ্যোতিয়ে কোৰিয়াৰ কিম য়ুনহি আৰু কিম জংহ'ক পৰাজিত কৰে। ইপিনে, ভাৰতৰ তিনি মহিলা খেলুৱৈ অংকিতা ভকত, অভিযেক আৰু জ্যোতিয়ে ব্যক্তিগত ইভেণ্টৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰি পদকৰ সম্ভাৱনা সজীৱ কৰি ৰাখিলে।



বিশ্ব আৰ্চাৰীৰ দলগত প্ৰতিযোগিতাত ভাৰতৰ ভি জ্যোতি সুৰেখা।

# আইপিএলৰ মেচত মুম্বাইৰ পৰাজয়ৰ বাবে মধ্যক্ৰমক দূষিলে ৰোহিতে

**আবু ঢাবি, ২৪ ছেপ্টেম্বৰ ঃ** চলিত আইপিএলৰ দ্বিতীয় পৰ্বত ক্ৰমাগত দ্বিতীয় পৰাজয়ৰ সন্মুখীন হ'ল মুম্বাই ইণ্ডিয়ানছ। যোৱা নিশা কলকাতা নাইট ৰাইডাৰ্ছৰ বিপক্ষে দলটো পৰাজিত হয়।এই পৰাজয়ে অৱশ্যে বিশেষ চিন্তিত কৰা নাই অধিনায়ক ৰোহিত শৰ্মাক। কিয়নো আইপিএলৰ অন্তিম ক্ষণত উভতি থিয় দিয়াৰ নজিৰ আছে মুম্বাই দলৰ। তথাপি যোৱা নিশাৰ পৰাজয়ৰ বাবে দলৰ বেটিং বিভাগৰ মধ্যক্ৰমকে দোষ দিলে অধিনায়কে।

পৰাজয়ৰ পাছত সংবাদ মাধ্যমৰ আগত ৰোহিতে কয়, 'পইণ্ট তালিকা যিকোনো প্ৰকাৰে মূৰত থাকেই। অৱশ্যে এতিয়াও আমি লীগ তালিকাৰ মাজভাগতে আছো। দ্ৰুত প্ৰত্যাৱৰ্তন ঘটাই প্লে-অফৰ যুঁজলৈ উভতি অহাৰ চেষ্টা কৰিম। অৱশ্যে তাৰ বাবে আমি পৰৱৰ্তী একাংশ খেলত বিজয়ী হ'ব লাগিব।' অধিনায়কজনে লগতে কয় যে দলে সুন্দৰভাৱে আৰম্ভণি ঘটাইছিল যদিও শেষৰ ফালে সেই ধাৰা অব্যাহত ৰাখিব নোৱাৰিলে। 'বেটিঙৰ বাবে পীটছ অত্যন্ত ভাল আছিল যদিও আমি পাছৰফালে তাৰ সুবিধা গ্ৰহণ কৰিব নোৱাৰিলো। ভুলৰ পৰা শিক্ষা লৈ আমি আগুৱাব লাগিব। ভাল আৰম্ভণিৰ পাছত আমাক সৰু সৰু যুটিৰ প্ৰয়োজন আছিল, কিন্তু আমি ইটোৰ পাছত সিটো উইকেট হেৰুৱালো।' ৰোহিতে কয়।

# টিহুত প্ৰাইজমানি ফুটবল

**অগ্ৰদূত বাৰ্তা**

**টিহু, ২৪ ছেপ্টেম্বৰ ঃ** টিহুৰ নাথকুছিত বাসন্তী ক্ৰীড়া সন্থাৰ উদ্যোগত অহা দুই অক্টোবৰত বাসন্তী হাইস্কুল খেলপথাৰত এখন প্ৰাইজমানি ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। সন্থাৰ সভাপতি গুণধৰ দাস, সম্পাদক বিনোদ দাস, প্ৰতিযোগিতা পৰিচালনা সমিতিৰ সভাপতি ণজিৎ দাস, উপ-সভাপতি ফটিক কলিতা তথা সম্পাদকত্ৰয় সীমান্ত দাস, হীৰক দাস আৰু বিকাশ দাসে এই কথা জনাইছে। প্ৰতিযোগিতাৰ ভৰ্তি মাচুল ৭৫১ টকা। প্ৰতিটো দলত ১১জন খেলুৱৈ, খেলুৱৈৰ বুট আৰু জাৰ্ছি পৰিধান বাধ্যতামূলক আৰু প্ৰতিটো দলে নিজাববীয়াকৈ এটা ফুটবল লগত আনিব লাগিব বুলি আয়োজকে জনাইছে। প্ৰতিযোগিতাৰ চেম্পিয়ন দলক ১০,০০১ টকা, ৰাণাৰ্ছআপ দলক ৭,০০১ টকা আৰু তৃতীয় স্থানপ্ৰাপ্ত দলক ৩,০০১ টকা প্ৰদান কৰা হ'ব। ইচ্ছুক দলে সবিশেষ জানিবৰ বাবে ৭৮৯৬৫-৬২০৫৩, ৮৬৩৮১-১৬৯০৬, ৭৮৯৬৬-৭৯৮০৯ আৰু ৬০০২২-৮০২৭৪ নম্বৰত যোগাযোগ কৰিব পাৰিব বুলিও আয়োজকে জনাইছে।



সাগৰতীৰত উষ্ণতা বৃদ্ধি কৰিছে জাপানৰ টেনিছ তাৰকা নাওমি অ'ছাকাই।

# হাৰিভাঙাত ল'ৰা-ছোৱালীৰ ফুটবল প্ৰশিক্ষণ

**অগ্ৰদূত বাৰ্তা**

**টিহু, ২৪ ছেপ্টেম্বৰ ঃ** টিহুৰ হাৰিভাঙাত স্থানীয় কামাখ্যা একাদশ ক্লাবৰ উদ্যোগত এক ফুটবল প্ৰশিক্ষণ শিবিৰৰ আয়োজন কৰা হৈছে। হাৰিভাঙা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অহা ২৮ ছেপ্টেম্বৰৰ পৰা এই ১৫ দিনীয়া শিবিৰ আৰম্ভ হ'ব। ষষ্ঠ শ্ৰেণীৰ পৰা উচ্চ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে এই প্ৰশিক্ষণ শিবিৰত অংশ ল'ব পাৰিব বুলি ক্ৰীড়া সংগঠক পৰেশ চন্দ্ৰ শৰ্মাই জনাইছে। নিতৌ বিয়লি তিনি বজাৰ পৰা আৰম্ভ হ'বলগীয়া এই শিবিৰত প্ৰশিক্ষকৰূপে থাকিব এনআইএছ প্ৰশিক্ষক সঞ্জীৱ কুমাৰ মিশ্ৰ। ইচ্ছুক প্ৰশিক্ষাৰ্থীয়ে ৯৭০৬৫-৬৩৯৪৬ নম্বৰত যোগাযোগ কৰিব পাৰিব বুলি আয়োজকে জনাইছে।

# ড্ৰ খেলিলে বাৰ্চিলোনাই

**নিউজ ব্যুৰ'**

**বাৰ্চিলোনা, ২৪ ছেপ্টেম্বৰ ঃ** স্পেনিছ লা লিগাত পুনৰ ড্ৰ খেলি প্ৰতিপক্ষৰ স'তে পইণ্ট ভগাই ল'বলৈ বাধ্য হয়। একেৰাহে দুখন খেলত দলটোৱে ড্ৰ খেলিবলৈ বাধ্য হ'ল। কেডিজৰ বিপক্ষে কালিৰ বাৰ্চিলোনাৰ মেচখন গ'ল শূন্যভাৱে সমাপ্ত হয়। উল্লেখ্য যে দুজনকৈ খেলুৱৈক ৰঙা কাৰ্ড প্ৰদৰ্শনৰ বাবে বাৰ্চিলোনাই এটা সময়ত নজন খেলুৱৈৰে খেলিবলৈ বাধ্য হৈছিল। লক্ষ্যণীয়ভৱে লিয়নেল মেছিহীন বাৰ্চিলোনাক কালিৰ খেলখনত অত্যন্ত নিষ্প্ৰভ দেখা যায়। তুলনামূলকভাৱে দুৰ্বল প্ৰতিপক্ষ কেডিজৰ বিপক্ষে বাৰ্চিলোনাৰ খেলুৱৈসকলে গ'ললৈ লক্ষ্য কৰি মাত্ৰ ছটা শ্বট লৈছিল। ইয়াৰ বিপৰীতে কেডিজৰ খেলুৱৈয়ে বাৰ্চিলোনাৰ গ'ললৈ লক্ষ্য কৰি ১২টা শ্বট লৈছিল যদিও গ'ল দিয়াত ব্যৰ্থ হয়।

# কলকাতাৰ বিপক্ষে হেজাৰ ৰাণৰ বিশেষ অভিলেখ গঢ়িলে ৰোহিতে

**নিউজ ব্যুৰ'**

**আবু ঢাবি, ২৪ ছেপ্টেম্বৰ ঃ** আইপিএলৰ ইতিহাসত নতুন নজিৰ স্থাপন কৰিলে ৰোহিত শৰ্মাই। আইপিএলৰ কোনো বেটছমেনৰূপে এটা বিশেষ দলৰ বিপক্ষে এহেজাৰ ৰাণ সংগ্ৰহৰ অভিলেখ গঢ়ে মুম্বাই ইণ্ডিয়ানছৰ অধিনায়কজনে। যোৱা নিশা কলকাতা নাইট ৰাইডাৰ্ছৰ বিপক্ষে ৰোহিতে এই কৃতিত্ব স্থাপন কৰে। মেচত ইনিংছ মুকলি কৰি ৰোহিতে খেলৰ চতুৰ্থ অভাৰত নাইট ৰাইডাৰ্ছৰ বিপক্ষে হেজাৰ ৰাণ সম্পূৰ্ণ কৰে। পাছত দশম অভাৰত ৩৩ ৰাণত তাৰকা বেটছমেনজন আউট হয়। উল্লেখ্য যে আইপিএলত কোনো বিশেষ ৰাণ সংগ্ৰহৰ তালিকাত দ্বিতীয় স্থানত আছে ছানৰাইজাৰ্ছ হায়দৰাবাদৰ তাৰকা অপেনাৰ ডেভিদ ৱাৰ্ণাৰ। পঞ্জাৱ কিংছৰ বিৰুদ্ধে ৱাৰ্ণাৰে এই পৰ্যন্ত ৯৪৩ ৰাণ সংগ্ৰহ কৰিছে। ৱাৰ্ণাৰে নাইট বিৰুদ্ধে হৈ পৰ্যন্ত সংগ্ৰহ কৰিছে ৯১৫ ৰাণ। এই তালিকাৰ তৃতীয় স্থানত থকা ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৰ অধিনায়ক বিৰাট কোহলিয়ে এই পৰ্যন্ত দিল্লী কেপিটেলছৰ বিপক্ষে ৯০৯ ৰাণ সংগ্ৰহ কৰিছে।



# ছহিদ ফুটবলত জাংগিলা-চৌমখৌৰ-লাবডাংগুৰীৰ জয়

**অগ্ৰদূত ব্যুৰ'**

**বঙাইগাঁও, ২৪ ছেপ্টেম্বৰ ঃ** চিৰাং জিলাৰ পাণবাৰীৰ বডোফা উপেন্দ্ৰ নাথ ব্ৰহ্ম খেলপথাৰত ২২ ছেপ্টেম্বৰৰ পৰা অনুষ্ঠিত হৈছে ছহিদ সোঁৱৰণী ফুটবল ট্ৰফী। আজি প্ৰতিযোগিতাৰ তিনিখন মেচ অনুষ্ঠিত হয়। এই খেলসমূহত জয়ী হৈ জাংগিলা ক্লাব, চৌমখোৰ মানস চেন্ট্ৰেল লাইবেৰৰী এণ্ড ক্লাব আৰু এল বৰ্ক লাবডাংগুৰী ক্লাবে পৰৱৰ্তী ৰাউণ্ডলৈ অগ্ৰগতি অৰ্জন কৰে। এই খেলসমূহত জাংগিলাই আমলাইগুৰী দাওগালু ক্লাবক ৭-২, চেংমখৌৱে অলংবাৰ ক্লাবক ৬-০ আৰু লাবডাংগুৰীয়ে থাইকৰাও ফাইভ ষ্টাৰ ক্লাবক টাইব্ৰেকাৰৰ জৰিয়তে ৫-৪ গ'লত পৰাজিত কৰে। বঙাইগাঁও শোধনাগাৰৰ উদ্যোগত আয়োজিত প্ৰতিযোগিতাৰ কাইলৈও তিনিখন খেল অনুষ্ঠিত হ'ব।

# মুম্বাই ইণ্ডিয়ান্‌ছৰ বিপক্ষে নাইট ৰাইডাৰ্ছৰ জয়

**নিউজ ব্যুৰ'**



**আবু ঢাবি, ২৪ ছেপ্টেম্বৰ ঃ** চলিত আইপিএলত প্লে-অফলৈ যোগ্যতা অৰ্জনৰ আশা সজীৱ কৰি ৰাখিলে কলকাতা নাইট ৰাইডাৰ্ছে। আইপিএলৰ প্ৰথম পৰ্বত দলটোৰ প্ৰদৰ্শন বিশেষ আশাপ্ৰদ নাছিল। অৱশ্যে যোৱা নিশা দ্বিতীয় পৰ্বৰ প্ৰথমখন মেচতে কলকাতাই শক্তিশালী মুম্বাই ইণ্ডিয়ান্‌ছক সাত উইকেটত পৰাজিত কৰে।

প্ৰথমে বেটিং কৰি মুম্বাই দলে ছয় উইকেটত ১৫৫ ৰাণ সংগ্ৰহ কৰিছিল। প্ৰত্যুত্তৰত নতুন অপেনাৰ ভেংকটেশ আয়াৰ আৰু ৰাহুল ত্ৰিপাঠীৰ অৰ্ধশতকৰ সহায়েৰে নাইট ৰাইডাৰ্ছে ১৫.১ অভাৰতে তিনি উইকেটৰ বিনিময়ত জয়ৰ লক্ষ্যত উপনীত হয়। আয়াৰে ৩০টা বলত ৫৩ ৰাণ কৰি আউট হোৱাৰ বিপৰীতে ত্ৰিপাঠী ৪২টা বলত ৭৪ ৰাণত অপৰাজিত হৈ ৰয়। মুম্বাইৰ যশপ্ৰীত বুমৰাহে দুটা উইকেট পায়। ইয়াৰ পূৰ্বে অধিনায়ক ৰোহিত শৰ্মা (৩৩) আৰু কুইণ্টন ডি ক'ক (৫৫)ৰ দুৰ্দান্ত বেটিঙৰ সহায়েৰে মুম্বাই দলে প্ৰাৰম্ভিক উইকেটত ৭৮ ৰাণ যোগ দিছিল। অৱশ্যে পৰৱৰ্তী সময়ত দলে সুন্দৰ আৰম্ভণিৰ সুযোগ ল'ব নোৱাৰিলে। কলকাতাৰ পেচ বলাৰদ্বয় লুকি ফাৰ্গুছন আৰু প্ৰসিদ্ধ কৃষ্ণাই দুটাকৈ উইকেট পায়।

# টিটি তাৰকা মণিকাক স্বস্তি দিলে আদালতে

## টিটিএফআইৰ নিৰ্দেশত স্থগিতাদেশ জাৰি দিল্লী উচ্চ ন্যায়ালয়ৰ

**নিউজ ব্যুৰ'**

**নতুন দিল্লী, ২৪ ছেপ্টেম্বৰ ঃ** আন্তৰ্জাতিক প্ৰতিযোগিতাৰ বাবে ভাৰতীয় দলত স্থান পাবলৈ হ'লে প্ৰস্তুতি শিবিৰত বাধ্যতামূলক বুলি টেবুল টেনিছ ফেডাৰেছন অৱ ইণ্ডিয়াৰ নিৰ্দেশত স্থগিতাদেশ জাৰি কৰিলে দিল্লী উচ্চ ন্যায়ালয়ে। আদালত এই নিৰ্দেশে সম্প্ৰতি স্বস্তি প্ৰদান কৰিছে দেশৰ তাৰকা টেবুল টেনিছ খেলুৱৈ মণিকা বাট্ৰাক। লগতে মণিকাই ফেডাৰেছনৰ বিৰুদ্ধে উত্থাপন কৰা অভিযোগৰ তদন্ত কৰিবলৈ আদালতে কেন্দ্ৰীয় চৰকাৰক নিৰ্দেশ দিছে।

উল্লেখ্য যে আগন্তুক এছিয়ান টেবুল টেনিছ চেম্পিয়নশ্বিপৰ বাবে গঠন কৰা ভাৰতীয় দলৰ পৰা দেশৰ শীৰ্ষ খেলুৱৈগৰাকীক বাদ দিয়া হৈছে। তেওঁৰ বিপক্ষে উত্থাপিত হয় প্ৰতিযোগিতাৰ বাবে আয়োজিত প্ৰস্তুতি শিবিৰত উপস্থিত নথকাটো। সদ্য বিগত টকিঅ' অলিম্পিক চলি থকা অৱস্থাতে মণিকা আৰু ভাৰতীয় দলৰ প্ৰশিক্ষক সৌম্যদ্বীপ ৰয়ৰ মনোমালিন্য প্ৰকট হৈ পৰিছিল। অলিম্পিকত নিজৰ ছিংগলছ মেচৰ কোৱাৰ্টাৰ ফাইনেল পৰ্যন্ত হোৱাৰ সময়ত মণিকাই সৌম্যদ্বীপৰ পৰিৱৰ্তে ব্যক্তিগত প্ৰশিক্ষকৰ সাহায্যহে গ্ৰহণ কৰিছিল। সেই ব্যক্তিগত প্ৰশিক্ষকক মণিকাই টকিঅ'লৈকো নিছিল। ইয়াতে ক্ষুণ্ণ হৈ ফেডাৰেছনে অলিম্পিকৰ পাছতে মণিকালৈ কাৰণ দৰ্শোৱাৰ জাননী প্ৰেৰণ কৰিছিল। তেতিয়াই মণিকাই জনাইছিল যে সৌম্যদ্বীপে নিজৰ একাডেমীৰ এগৰাকী ছাত্ৰীক অলিম্পিক দলৰ সুযোগ দিয়াৰ স্বাৰ্থতে অলিম্পিকৰ যোগ্যতা অৰ্জনকাৰী এখন মেচত তেওঁক পৰাজিত হ'বলৈ পৰামৰ্শ দিছিল। ইয়াতে জাতীয় দলৰ প্ৰশিক্ষকৰ স'তে তেওঁৰ মনোমালিন্য ঘটে। এই অভিযোগৰ তদন্ত ফেডাৰেছনে ঘোষণা কৰিলেও সৌম্যদ্বীপ এতিয়াও জাতীয় দলৰ প্ৰশিক্ষক হৈ আছে। সেইবাবেই মণিকাই অলিম্পিকৰ পাছতো জাতীয় শিবিৰত যোগ দিয়া নাছিল। এই অভিযোগতে মণিকাক ভাৰতীয় দলৰ পৰা বাদ দিয়াত তেওঁ দিল্লী উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হয়। এই গোচৰৰ শুনানিৰ পাছত ন্যায়াধীশ ৰেখা পাল্লিয়ে কয়, 'মণিকাক এনে এক সময়ত জাতীয় শিবিৰত যোগ দিবলৈ অভিযোগ কৰা হৈছিল, যি সময়ত জাতীয় প্ৰশিক্ষকৰ বিৰুদ্ধেই তেওঁ অভিযোগ কৰিছিল আৰু সেই অভিযোগৰ কোনো সমাধান হোৱা নাই।' ন্যায়াধীশে লগতে কয় যে টিটিএফআইৰ কামত প্ৰয়োজন হ'লে কেন্দ্ৰীয় ক্ৰীড়া মন্ত্ৰণালয়ে হস্তক্ষেপ কৰিব পাৰে। কমনৱেলথ্ গেমছৰ স্বৰ্ণজয়ী মণিকাই অভিযোগ কৰিছে যে ফেডাৰেছনে দল নিৰ্বাচনৰ ক্ষেত্ৰত পক্ষপাতিত্ব কৰিছে। ফেডাৰেছনে তেওঁৰ দৰে বহুতৰ স'তে অন্যায় কৰা বুলিও মণিকাই আদালতত অভিযোগ কৰিছিল।



## ১৮ বছৰৰ পাছত লা লিগাত শিল্পীবিহীন শিল্পৰ যুঁজ

# 'এল ক্লাছিকো'ত নাই মেছি-ৰোণাল্ডো

**নিউজ ব্যুৰ'**



**মাদ্ৰিদ, ২৪ ছেপ্টেম্বৰ ঃ** বাৰ্চিলোনা আৰু ৰিয়াল মাদ্ৰিদৰ মাজত অনুষ্ঠিত ফুটবল মেচক স্পেইনত 'এল ক্লাছিকো' আখ্যা দিয়া হয়। যাৰ অৰ্থ হৈছে শিল্পৰ যুঁজ। বিগত ১৮টা বছৰে এই শিল্পৰ যুঁজ বিশেষণক ন্যায্যতা প্ৰদান কৰি আহিছিল বিশ্ব ফুটবলৰ দুই ভিন্ন শৈলীৰ শিল্পী ফুটবলাৰে। সুদীৰ্ঘ ১৮ বছৰৰ পাছত এই দুই ফুটবল শিল্পী লিয়নেল মেছি আৰু ক্ৰিষ্টিয়ানো ৰোণাল্ডোৰ অবিহনে স্পেইনত অনুষ্ঠিত হ'ব 'এল ক্লাছিকো'। অহা ২৪ অক্টোবৰত স্পেনিছ লা লিগাৰ মেচত মুখামুখি হ'ব দুই চিৰন্তন প্ৰতিদ্বন্দ্বী বাৰ্চিলোনা আৰু ৰিয়াল মাদ্ৰিদ। বিগত দুবছৰৰ পূৰ্বে ৰোণাল্ডোৱে ৰিয়াল এৰি ইটালীৰ ক্লাব জুভেণ্টাছত যোগ দিছিল। তেতিয়াই 'এল ক্লাছিকো'ৰ উজ্জ্বলতা বহুখিনি হ্ৰাস পাইছিল। চলিত ছিজনতে বাৰ্চিলোনাৰ স'তে দীৰ্ঘদিনীয়া সম্পৰ্ক ত্যাগ কৰি ফ্ৰান্সৰ ক্লাব পেৰিছ ছেইণ্ট জাৰ্মেইনত যোগ দিলে মেছিয়ে। ফলত স্বাভাৱিকতে স্পেইনৰ 'এল ক্লাছিকো'ৰ জনপ্ৰিয়তা সমৰ্থকৰ মাজত বহুখিনি হ্ৰাস পোৱাৰ আশংকা কৰা হৈছে। ২০০৩ৰ পৰাই মেছি বা ৰোণাল্ডোৰ মাজত কোনোবা এজনে এই 'এল ক্লাছিকো'ত অংশ লৈছিল। সেই বছৰৰ পৰাই স্পেইনৰ সবাতোকৈ গুৰুত্বপূৰ্ণ খেলখনৰ প্ৰধান আকৰ্ষণ হৈ আহিছিল মেছি।

# 'বেটছমেন'ৰ দিন শেষ, এতিয়াৰ পৰা 'বেটাৰ'

## ক্ৰিকেটত লিংগ-বৈষম্য দূৰীকৰণৰ বাবে বিশেষ সিদ্ধান্ত এমচিচিৰ

**নিউজ ব্যুৰ'**

**নতুন দিল্লী, ২৪ ছেপ্টেম্বৰ ঃ** এতিয়াৰ পৰা বিৰাট কোহলি, ৰোহিত শৰ্মা আদিক 'বেটছমেন' বুলি ক'ব পৰা নাযাব। কিয়নো ক্ৰিকেটৰ 'ৰুলবুক'ৰ পৰাই মচি দিয়া হ'ল এই 'বেটছমেন' শব্দটো। ইয়াৰ পৰিৱৰ্তে কোহলি, ৰোহিত আদিৰ ক্ষেত্ৰত ব্যৱহৃত হ'ব 'বেটাৰ' শব্দটো। ক্ৰিকেটৰ পৰা লিংগ-বৈষম্য দূৰীকৰণৰ বাবেই এই সিদ্ধান্ত লোৱা বুলি বিবৃতিযোগে জনাইছে ক্ৰিকেটৰ নীতি-নিয়ম নিৰ্ধাৰক সংস্থা এমচিচিয়ে।

উল্লেখ্য যে ১৭৪৪ৰ পৰাই ক্ৰিকেটত 'বেটছমেন' শব্দটো ব্যৱহৃত হৈ আহিছে। আচলতে সেই সময়ত কেৱল পুৰুষেহে ক্ৰিকেট খেলিছিল। ইমানদিনে বেটিং কৰিবলৈ নমাজনক বা বেটিং কৰাজনকে 'বেটছমেন' বুলি কোৱা হৈছিল। পৰৱৰ্তী সময়ত মহিলাই ক্ৰিকেট খেলিবলৈ লোৱাৰ পাছতো মহিলা ক্ৰিকেটতে 'বেটছমেন' শব্দটো প্ৰযোজ্য হৈ আছিল। অৱশ্যে বিভিন্নজনে মত প্ৰকাশ কৰি আহিছিল যে 'বেটছমেন' শব্দটো লিংগ-বৈষম্যমূলক। কাৰণ মহিলা ক্ৰিকেটৰ ক্ষেত্ৰত বেটিং কৰা সকলক 'বেটছমেন' বুলিব নোৱাৰি, এই শব্দটো কেৱল পুৰুষৰ ক্ষেত্ৰত প্ৰযোজ্য। এই শব্দটো ব্যৱহাৰৰ ফলত খেলবিধক পুৰুষতান্ত্ৰিক বুলিও বহুতে মন্তব্য কৰিছিল। বহু আলোচনাৰ অন্তত এমচিচিৰ তৰফৰ পৰা কোৱা হয় যে এতিয়াৰ পৰা পুৰুষ-মহিলা নিৰ্বিশেষে ক্ৰিকেট খেলত বেটিং কৰাসকলক 'বেটাৰ' বুলি অভিহিত কৰা হ'ব।

প্ৰসংগক্ৰমে, মেৰিলিব'ৰ্ণ ক্ৰিকেট ক্লাব বা এমচিচিয়েই ক্ৰিকেটৰ নিয়ম সংশোধনৰ কাম কৰে। এমচিচিৰ তৰফৰ পৰা কয় যে মহিলা ক্ৰিকেটে ইতিমধ্যে যথেষ্ট প্ৰসাৰ লাভ কৰিছে। সেয়ে সকলো সংস্কৰণৰ ক্ৰিকেটতে 'বেটাৰ' শব্দটো ব্যৱহাৰৰ এয়াই সঠিক সময় বুলি এমচিচিয়ে কয়। ইয়াৰ উপৰি 'বেটাৰ' শব্দ প্ৰযোজ্য হ'লে 'বলাৰ' আৰু 'ফিল্ডাৰ' শব্দৰ স'তে সামঞ্জস্য থাকিব বুলিও সংস্থাটোৱে কয়। লক্ষ্যণীয়ভাৱে মহিলা ক্ৰিকেটত ইতিমধ্যেই অনানুষ্ঠানিকভাৱে 'বেটাৰ' শব্দটোৰ ব্যৱহাৰ আৰম্ভ হৈছে।



## বিলাসনন্দন চ'ৰা



# বেদখল উচ্ছেদ নহয়

**বেদখল** কাক কয়? পৰৰ বস্তু এটা ইল্লিগেলী দখল কৰি থকাটোকে বেদখল বোলা হয়। বেদখল কৰাটো খুব বেয়া কথা। মন্দিৰৰ মাটি দখল কৰিছে, সত্ৰৰ মাটি দখল কৰিছে, সেইবোৰ বেদখল। সেইবোৰ বেয়া কথা। মছজিদৰ মাটি কোনোবাই দখল কৰিছে নে নাই, সেয়া অৱশ্যে এতিয়াও জানিব পৰা হোৱা নাই। চৰ্চাত অহা নাই। চৰ-চাপৰিও বেদখল কৰিছে। চাওকচোন কিমান বেয়া কথা। চৰ-চাপৰি কোনেও দখল কৰিব নোৱাৰে নহয়। চৰ-চাপৰিৰ মালিক কোননো? মালিক হ'ল নদী। নদীৰ মালিকীস্বত্ব থকা বস্তু বেলেগে কেনেকৈ বেদখল কৰি ৰাখিব পাৰেনো? অ' এইটো বেলেগ কথা যে ই ভি এমৰ বুটাম টিপিব লগা হোৱাৰ টাইমত এইবোৰ কথা কাৰোৰে চকুত নপৰে। বৰঞ্চ তেওঁলোকক কোৱা হয় যে এই ই ভি এমটো অন্‌লী ফৰ বেদখলকাৰী বেলেগ ষ্টাইলত বনাই অনা হৈছে। বেলেগৰ কাৰণে এইটো ই ভি এম যদিও বেদখলকাৰীৰ কাৰণে এইটো হ'ল ই এছ এম। মানে ইণ্টাৰনেল ছিকিউৰিটী মেচিন। মেটিনটোৰ বুটাম টিপি দিলেই সৱ বেদখলকাৰীৰে মাটি-প্ৰপাৰ্টিয়ে ইণ্টাৰনেল ছিকিউৰিটী। পাই যাব। মানে আভ্যন্তৰীণ সুৰক্ষা। কিছুমান ৰজাঘৰীয়াই আকৌ বেদখলকাৰীক ই ভি এমৰ মিনিং বুজাবলৈ গৈ কয় যে ই ভি এম মানে হ'ল 'ইজীলী ভেটিৰ মাটি'। বুটামটো টিপিলেই হ'ল, বেদখল কৰা মাটিখিনি যে তেওঁলোকৰ ভেটিৰ মাটি, সেয়া ইজিলী প্ৰমাণ হৈ যাব। এইবোৰ কথা সঁচা বুলি ভাবি সকলো বেদখলকাৰীয়ে বুটাম টিপিলে। টিপি উঠাৰ পাছতহে গম পালে যে মেচিনটো ই ভি এম বা ই এছ এম নাছিল। আছিল জি জি ইউ! মানে গুৰিয়াই গুৰিয়াই উচ্ছেদ।

যিয়ে নহওক, এইবাৰৰ উচ্ছেদ অভিযানত কেইজনমানৰ দপ্‌দপনি দেখি দেহা-মন শাত পৰি গ'ল। এনেকুৱা হ'লে বৰ সুবিধা হ'ব। পুলিচৰ কাম নোহোৱা হ'ব। মাৰ-ধৰ-পিটন দিয়া সৱ দায়িত্ব এইসকলৰ ওপৰতে পৰিব। অৱশ্যে হাতত কেমেৰা লৈ ল এণ্ড অৰ্ডাৰৰ দায়িত্ব ল'লে গণতন্ত্ৰৰ আৰু এটা স্তম্ভ লাগিব। এই স্তম্ভটো অৱশ্যে গণতন্ত্ৰৰ স্তম্ভ হ'ব নে গুণ্ডাতন্ত্ৰ স্তম্ভ হ'ব, সেয়া সময়েহে ক'ব। অৱশ্যে কথাতো একেটাই।

বহুতে কৈছে যে জলাশয়ত যে ডাঙৰ ডাঙৰ হোটেল বনিছে, বিল্ডিং বনিছে, জলাশয়ৰ পানীত যে বাণ্ডিলে বাণ্ডিলে উটি আহিছিল, সেইবোৰ বেদখল নহয় নেকি? সেইবোৰ উচ্ছেদ নকৰে কিয়? এনেয়ে কথাবোৰ সুধিলেই হ'ব নেকি? যিয়ে পানীত বাণ্ডিলে বাণ্ডিলে উটুৱাই দিব পাৰে, সেইবোৰ কেনেকৈ বেদখলকাৰী হ'ব পাৰে! তেৰাসৱ বেদখলকাৰী নহয়, তেৰাসৱ হ'ল চিকেন কাৰী। চিকেন কাৰী নহ'লে তেৰাসৱে এসাঁজো খাব নোৱাৰে। বেলেগৰ ঘৰ-মাটিকো চিকেন বনাই কাৰী কৰি খোৱাত তেৰাসৱ ওস্তাদ। ৰজাঘৰৰ কম মাটি চিকেন বনাই সিহঁতে চৰকাৰী কৰি খাইছে নেকি? সেই কাৰণে সিহঁতক বেদখলকাৰী বুলিব নোৱাৰি, পাব্লিকক চিকেন সজাই কাৰী বনাই খোৱা সিহঁত হ'ল চিকেনকাৰী।



দিছপুৰৰ মহাৰাজক কোনোবাই কোনোবাই সুধিছে—'মহাৰাজ! সমস্ত বেদখল উচ্ছেদ হ'লনে?

ঃ নাই হোৱা। চলি আছে।

ঃ কেতিয়ালৈকে চলিব?

ঃ যেতিয়ালৈ মই চলাই থাকো।

ঃ ক'ত ক'ত চলিব?

ঃ য'ত য'ত আমাৰ মানুহ নাই।

ঃ সৱ বেদখলেই উচ্ছেদ কৰিব পৰা যায় নে মহাৰাজ?

ঃ যায়।

ঃ যদি কোনোবাই বেলেগৰ ঘৰ বেদখল কৰি ৰাখে।

ঃ উচ্ছেদ হ'ব।

ঃ যদি বেলেগৰ মাটি বেদখল কৰি ৰাখে?

ঃ উচ্ছেদ হ'ব।

ঃ যদি বেলেগৰ গাড়ী-মটৰ বেদখল কৰি ৰাখে?

ঃ উচ্ছেদ হ'ব।

ঃ যদি বেলেগৰ ভেটি বেদখল কৰি ৰাখে?

ঃ উচ্ছেদ হ'ব।

ঃ যদি বেলেগৰ লাগেজ বেদখল কৰি ৰাখে?

ঃ উচ্ছেদ হ'ব।

ঃ যদি বেলেগৰ টকা-পইচা বেদখল কৰি ৰাখে?

ঃ উচ্ছেদ হ'ব।

ঃ যদি কোনোবাই বেলেগৰ চকী বেদখল কৰি ৰাখে!'

মহাৰাজে চিঞৰি উঠিল— 'অসম্ভৱ, কোনোপধ্যে উচ্ছেদ নহয়।'

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*

# শেষ পৃষ্ঠাৰ প্ৰথম
## দৈনন্দিন

# কাম জানিলে কৰ'নাই একো কৰিব নোৱাৰে



**এজন** প্ৰায় ৩৫ বছৰীয়া তজবজীয়া যুৱক। পুৱা প্ৰাতঃভ্ৰমণ কৰি ঘূৰি আহোতে ৰাস্তাত বহুদিন ধৰি লগ পাই আহিছো। লগত দুই-তিনিজন পালি প্ৰহৰী থাকে। মোৰ যুৱকজনৰে কোনোধৰণৰ চা-চিনাকি নাই যদিও এখন চিনাকি মুখ। মোৰ স'তে কেতিয়াবা পথত মুখামুখি হ'লে তেওঁ হাঁহিমুখে উপযাচি মাত দিয়ে— দাদা, ভাল! কেতিয়াবা আকৌ খোজ কাঢ়ি আহিলে?

মুঠতে তেওঁ যি বুলিয়ে নামাতক কিয়, মাতত অন্তৰ খোলা সম্বন্ধ থকা যেন লাগে। মোৰো কিবা এটা ভাল লাগে।

এদিন সুধিলো— তোমাৰ নাম কি?

ক'লে—ৰবিয়াল আলী ৰাজমিস্ত্ৰিৰ কাম কৰো। কাম থাকিলে ক'ব দাদা।

ক'ম দিয়া। এটা স্বাভাৱিক উত্তৰ।

আকৌ গতানুগতিক জীৱন।

এদিন পুৱা হঠাৎ দেখিলো। আলীয়ে লগত তিনি-চাৰিজন পালি-প্ৰহৰী লৈ মোৰ ঘৰৰ ওচৰতে কাম কৰিবলৈ আহিছে।

ঘৰৰ মুৰব্বীৰ নিৰ্দেশত বেচ স্ফূৰ্তিৰে কাম আৰম্ভ কৰি দিলে। ম'বাইলত বাংলা আৰু হিন্দী গীত। অৱশ্যে কামৰ ক্ষিপ্ৰতা আৰু কথাৰ তেওঁৰ বাবে গীত শুনা যেন নালাগিছিল। ম'বাইলত গানটো বজাব লাগে বাবে বজোৱা যেন লাগিল। চিনাকি মুখ বাবে মাত এষাৰ লগালো।

দুদিনমান তেওঁলোকৰ কাম কৰাৰ নমুনা আলেঙে আলেঙে নিৰীক্ষণ কৰিলো। কাম যেন যুদ্ধকালীন প্ৰস্তুতি। ভাল লাগিল। কৰ'না মহামাৰীত সকলো ঠাইতে গৃহ নিৰ্মাণৰ কাম বন্ধ হৈ পৰিছিল। এই সময়ছোৱাত তেওঁলোকেনো কেনেকৈ জীৱন নিৰ্বাহ কৰিছিল জানিবলৈ মন যোৱাত আলীক মাতি আনি সুধিলো। হাঁহিমুখে ক'লে দাদা, কৰ'না কালত আমাৰ মুঠেই অসুবিধা হোৱা নাই। অৱশ্যে গুৱাহাটীৰ পৰা মোৰ নিজৰ ঘৰ ধুবুৰীলৈ কিছুদিনৰ বাবে গুচি গ'লো। ল'ৰা-ছোৱালী তিনিটা আৰু মাকক দুমাহ-আঢ়ৈমাহ দেখাও নাছিলো। মনটোও ঘৰলৈ যাবলৈ উদগ্ৰীৱ হৈ আছিল। একপ্ৰকাৰ কৰ'নাই সেই সুবিধাটো আনি দিলে। গ'লো। অৱশ্যে কাম বন্ধ হৈ যোৱাত পত্নীয়ে ভয় খাইছিল। ল'ৰা-ছোৱালী তিনিটাক এতিয়া কেনেকৈ পঢ়ুৱাব তাকে ভাবি ভয় খাইছিল। মই অভয় দিলো— একো চিন্তা নাই।

আলীয়ে মোৰ ফালে চাই ক'লে, 'দাদা, মই ৰাজমিস্ত্ৰি যদিও ইলেক্ট্ৰিকৰ কাম আৰু পাইপৰ (প্লাম্বাৰ) কাম জানো। গৃহ নিৰ্মাণৰ কাম বন্ধ হ'লেহে সেইবোৰ কাম কেতিয়াও বন্ধ নহয়। ধুবুৰীৰ ঘৰত কিছুদিন থাকি আমি চাৰিজন মানুহে ছহেজাৰ টকাত গাড়ী এখন ভাড়া কৰি গুৱাহাটীৰ ভাৰাঘৰলৈ আহিলো। তাৰ পাছত পূৰ্বৰ চিনাকি মানুহক লগ কৰি দুটা অফিচৰ পাইপৰ কাম ল'লো। আন এজনৰ পৰা ইলেক্ট্ৰিকৰ কাম ল'লো। বচ! অসমত যে কৰ'না মহামাৰী চলি আছে গমেই নাপালো। কৰ'নাৰ বাবে দিয়া তলাবন্ধ শেষ হ'ল, আকৌ গৃহ নিৰ্মাণৰ কামত লাগি গ'লো।'

আলীৰ কথা শুনি ভাল লাগিল যদিও তেওঁ কিয় সেইবোৰ কাম বাদ দি, আকৌ গৃহ নিৰ্মাণৰ কামত ধৰিলে সোধাত ক'লে, 'সেইবোৰ সদায় পোৱা নাযায়, কিন্তু গৃহ নিৰ্মাণৰ কাম নিয়মীয়াকৈ পোৱা যায়। এই গৃহ নিৰ্মাণৰ ঠিকা লওঁ আৰু কামটো মালিকে বিচৰাতকৈও ভাল কৰি দিওঁ। ইয়াৰ বাবে মোৰ ভাল প্ৰচাৰ হয় আৰু সকলোৱে মোকেই বিচাৰে। কেতিয়াবা কামৰ হেঁচাত আন মিস্ত্ৰিকো মই কাম দিওঁ, কিন্তু আনক মালিকে বিশ্বাস কৰিবলৈ টান পায়। তেতিয়া মই নিজৰ জিম্মাত লৈ কামটো কৰিবলৈ দিওঁ। মালিকেও ভাল পায় আৰু মোৰ কৰ্মক্ষেত্ৰখনৰো বৃদ্ধি হয়। এনেকৈয়ে চলি আছো।'

■ ফণীধৰ পাঠক




# ভাগৱতৰ তত্ত্ব কথা-নামৰ ধ্বনিত বৈকুণ্ঠপুৰীত পৰিণত ধলাইবিল



**অগ্ৰদূত বাৰ্তা**
**নদুৱাৰ, ২৪ ছেপ্টেম্বৰ ঃ** ভাগৱতৰ তত্ত্ব কথা আৰু নামৰ ধ্বনিৰে যোৱা নিশা বৈকুণ্ঠপুৰীলৈ পৰিণত হ'ল জামুগুৰিহাটৰ ধলাইবিল ব্যৱসায় কেন্দ্ৰ। বিগত নটাকৈ বছৰ এই দিনটোত ধলাইবিল ব্যৱসায় সন্থাই অনুষ্ঠিত কৰি আহিছে ভাগৱত পাঠ অনুষ্ঠান। এক অনাকংখিত পৰিস্থিতিৰ পাছৰে পৰা ব্যৱসায় কেন্দ্ৰটোৰ সদস্যসকলে ভক্তি আৰু পবিত্ৰভাৱে এই ভাগৱত পাঠ অনুষ্ঠান অনুষ্ঠিত কৰি আহিছে ব্যৱসায় কেন্দ্ৰটোত। ১৯১৩ৰ ২৩ ছেপ্টেম্বৰত এক বিধ্বংসী অগ্নিকাণ্ডত জাহ গৈছিল ব্যৱসায় কেন্দ্ৰটোৰ ভালেকেইখন ব্যৱসায় প্ৰতিষ্ঠান। লাখ লাখ টকাৰ সম্পত্তি জুইত জাহ যোৱাৰ পাছত নিঠৰুৱা হৈ পৰিছিল ব্যৱসায়ীকেইজন। সেইদিনটোৰ কথা সুঁৱৰি আৰু ব্যৱসায় কেন্দ্ৰটোৰ অপায়-অংগল দূৰ হোৱাৰ কামনাৰে ২৩ ছেপ্টেম্বৰৰ দিনটোত ধলাইবিল ব্যৱসায় সন্থাই উদ্‌যাপন কৰি আহিছে এই ভক্তিভৰা অনুষ্ঠান। স্থানীয় কে'বাখনো গাঁৱৰ ৰাইজ আই-মাতৃয়ে অংশগ্ৰহণ কৰা অনুষ্ঠানত ঘীলাধৰিয়া মৰনাকুৰি গাঁৱৰ যুৱকসকলে পৰিৱেশন কৰা নামৰ ধ্বনিয়ে অনুষ্ঠানটোক সুন্দৰ কৰি তোলে। নিশা এপৰলৈ ভাগৱতৰ তত্ত্ব কথা আৰু নামৰ ধ্বনিয়ে একপ্ৰকাৰ বৈকুণ্ঠপুৰীলৈ পৰ্যবসিত হয় ধলাইবিল ব্যৱসায় কেন্দ্ৰ।

## এক অনাকাংক্ষিত ঘটনাৰ পাছৰে পৰা বিগত ন বছৰে অনুষ্ঠিত ভাগৱত পাঠ অনুষ্ঠান




# জামুগুৰিহাটৰ বিশেষভাৱে সক্ষম যুৱকৰ বাঁহীৰ সুৰে মুগ্ধ কৰিছে সকলোকে



**অগ্ৰদূত বাৰ্তা**
**নদুৱাৰ, ২৪ ছেপ্টেম্বৰ ঃ** জামুগুৰিহাটৰ অতিকৈ দৰিদ্ৰ পৰিয়ালৰ এগৰাকী বিশেষভাৱে সক্ষম যুৱকৰ বাঁহী বাদনে এতিয়া সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। মানস ৰাজবংশী নামৰ এইজন যুৱকৰ বাঁহীৰ সুৰে মন্ত্ৰমুগ্ধ কৰিছে সকলোকে। অকল বাঁহীয়েই নহয় পেঁপা আৰু সুতুলি বজায়ো ৰাইজৰ প্ৰশংসা বুটলিছে। এখন দোকান দি যেনেতেনে দুবেলা দুমুঠি খাই থকা বিশেষভাৱে সক্ষম যুৱকজনে কিন্তু বাঁহী বজোৱাৰ বাবে লোৱা নাই আনুষ্ঠানিক শিক্ষা। অথচ সুদক্ষ বাঁহী বাদকৰ দৰেই বজাব পাৰে বাঁহী। বাঁহীত সুৰ দি যাব পাৰে এটাৰ পাছত আন এটা গীতৰ। জামুগুৰি ব্যৱসায়িক কেন্দ্ৰস্থলত এটি সৰু বাসগৃহত মাতৃৰ স'তে জীৱন-যাপন কৰা এইজন যুৱকে ১২ বছৰ বয়সৰ পৰাই বাঁহীৰ প্ৰতি আকৰ্ষিত হৈছিল। আৰু পৰৱৰ্তী সময়ত নিজেই বাঁহী বজাবলৈ শিকি জামুগুৰিহাটৰ দুটা বিহু দলৰ সদস্য হিচাপে অসমৰ বিভিন্ন প্ৰান্তত বাঁহী বজাবলৈ সক্ষম হৈছিল। বৰ্তমান কণ কণ ল'ৰা ছোৱালীক বাঁহী বজোৱাৰ শিক্ষাও প্ৰদান কৰিছে এইজন যুৱ বাঁহী বাদকে। সাংবাদিকৰে হোৱা সাক্ষাৎকালত মানস ৰাজবংশীয়ে কয় যে আৰ্থিক অনাটনৰ বাবেই মই বহু সময়ত পিছপৰি থাকিব লগা হৈছে। প্ৰয়োজনীয় সুবিধাখিনি যদি চৰকাৰে মোৰ দিয়ে মই বহু কাম কৰিব পাৰিম। বাঁহীটোক লৈ মই বহু সপোন পুহি ৰাখিছো। চৰকাৰে অলপ সহায় আগবঢ়ালে মোৰ মনৰ আশাবোৰ পূৰণ কৰাত সফল হ'ম। আনুষ্ঠানিক শিক্ষা নাই যদিও মই এজন গুৰু বিচাৰি আছো। নিশ্চয় গুৰুৰ আশীৰ্বাদলৈ মই আগবাঢ়ি যোৱাৰ পৰিকল্পনা লৈছো। যোৱা সময়ছোৱাত বিভিন্ন মঞ্চ, বিহুতলিত ৰাইজে মোৰ যি মৰম, আশীৰ্বাদ আগবঢ়াইছে সেয়া মই কেতিয়াও পাহৰিব নোৱাৰো। ৰাইজৰ আশীৰ্বাদ, প্ৰেৰণা থাকিলে জীৱন যুদ্ধত জয়ী বুলিও মন্তব্য কৰে মানসে। কঠোৰ জীৱন সংগ্ৰামৰ মাজত থাকিও আপোন বাঁহীটোক এৰি নিদি নিজৰ আয়ত্তৰ মাজেদিয়েই বাঁহী বাদনত মনোনিৱেশ কৰি থকা মানস ৰাজবংশীয়ে আৰ্থিক অনাটনৰ বাবেই আনুষ্ঠানিক শিক্ষা গ্ৰহণত পিছপৰি থাকিবলগীয়া হোৱা বুলিও মন্তব্য কৰে। এইজন বিশেষভাৱে সক্ষম যুৱকক যদি চৰকাৰৰ লগতে কোনো অনুষ্ঠান-প্ৰতিষ্ঠানে সহায়-সহযোগিতা আগবঢ়ায় তেন্তে হয়তো এইজন যুৱকে নিজৰ প্ৰতিভা আৰু অধিক বিকশিত কৰাত সুযোগ লাভ কৰিব বুলি সচেতন মহলে মত ব্যক্ত কৰিছে।

অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com